

...da Mohan Talukdar
P. O. Sorbhog
Dated 28.9.56
Kamrup

শ্ৰীহলীৰাম ডেকা, এম-এ, বি-এল

বাণী প্ৰকাশ মন্দিৰ
জাতীয় সাহিত্যৰ বিশিষ্ট প্ৰকাশক
পাঠশালা :: কামৰূপ

প্ৰকাশক :
শ্ৰীঅম্বিকাপদ চৌধুৰী
বাণী প্ৰকাশ মন্দিৰ
পাঠশালা
কামৰূপ।

প্ৰচ্ছদপট :
শ্ৰীপূৰ্ণচন্দ্ৰ চক্ৰবৰ্ত্তী
কলিকতা।

চিত্ৰ :
ৰুবি আৰ্ট হাউছ
গুৱাহাটী।

মুদ্ৰণ :
শ্ৰীজিতেন্দ্ৰ নাথ দত্ত
লক্ষ্মীবিলাস প্ৰেছ
কলিকতা।

প্ৰথম প্ৰকাশ
ৰবীন্দ্ৰ জন্ম দিবস
১৩৫৭ চন।

বেচ—দুটকা বাৰ অনা

Nanda Mohan Talukdar
P.O. Sorbhog
Dated ...
Kamrup
...rnagar H.

# উছৰ্গা

মোৰ অন্যতম বন্ধু, জনপ্ৰিয়, স্মিতমুখ—চিকিৎসাশাস্ত্ৰজ্ঞ—শ্ৰীযুত জীৱকান্ত শইকীয়া ডাঙৰীয়াৰ হাতত অতি শ্ৰদ্ধা আৰু সৌহাৰ্দ্যেৰে সমৰ্পণ কৰিলো। ইতি

গুৱাহাটী
বহাগ বিহু
( ১৩৪৯চন )

শ্ৰীহলীকান্ত ডেকা

## আত্মকথা

আমার বহুত ভক্ত বন্ধু - নবীনচন্দ্রলাল উৎসাহ, - তাঁকে ভুলেও এই লিখিত পাতা; - এই ও নিজেতেই এই সেবাতে প্রকাশ এর প্রচেষ্টা করে তথা প্রতিশ্রুতি - আমাকে দিল, - ওখানে এই পাণ্ডুলিপি চিঠি-কার। সেই হিসাবে এইটাকে উদ্দেশ্য প্রাপ্য। সময় হল ১৩৪৮ সনের শেষ ভাগ। তখন আমার বাড়ীতে। প্রকাশ সম্পূর্ণতা-এর হাতের বহুত দিন থাকিল, কিন্তু এখন আমার ভক্ত অনুগামীর কাছে। তারও পরে এই চিঠি চিঠি প্রকাশিত হওয়াই বন্ধু, - এই কামনা? ইতি -

গুয়াহাটী
বৈশাখ
১৩৫৭ সন

শ্রীইন্দ্রিরাম ভট্ট



Nanda Mohan Talukdar
P. O. Sorbhog
Dated 28.8.50
Kamrup
Barnagar H. I. School



কলিকতা
...............

অলকা,

তুমি চিঠি দিবা বুলি মই আশা কৰা নাছিলো। দিলে অৱশ্যে ভাল পালো হয় কিন্তু তোমাক সেইটো ফুটাই কবলৈ টান পাইছিলো, সেই কাৰণে তোমাৰ ভাইটিকে অনুৰোধ কৰিছিলো চিঠি দিবলৈ, যদিও জানিছিলো যে সি আখৰ জোটাবলৈকেহে শিকিছিল, চিঠি লিখিবলৈ শিকা নাছিল। তুমি কেনেকৈ বুজিছিলা—মনে মনে তোমাৰ পৰা চিঠি আগ্ৰহ কৰিছিলো বুলি? তুমি নুবুজা হলেও মই বেয়া নাপালো হয়, কাৰণ জীৱনত দেখিছো নুবুজাকৈয়ে ভালেমান কাম চলে, আৰু বহুত ক্ষেত্ৰত সেয়ে ৰীতিৰ স্থান পায়গৈ। তুমি যেনে ছোৱালী এই কথাষাৰৰ বোধ হয় ব্যাখ্যা বিচাৰিবা। মই বৰং উদাহৰণ দিওঁ। বেৰত জেঠিয়ে টিকটিকায় আৰু তোমালোকে ইপিনে মাটিত টুকুৰিয়াই কোৱা—"সইত, সইত," ইয়াৰ কিবা যুক্তিসঙ্গত হেতু আছে নে? এনে উদাহৰণ আৰু বহুত আছে। তুমি বোধ হয়



ভাবিছা, মই অনাৱশ্যকীয় কথা কৈছো। ছোৱালীৰ লগত আৱশ্যকীয় কথা কবলৈ টান পাওঁ। তোমালোকে কেতিয়াও কামৰ কথা নোকোৱা, মই তোমালোকৰ লগত কি কামৰ কথা পাতিম? তুমি কিন্তু ওফন্দ নাপাতিবা দেই, মই সাধাৰণ ছোৱালীৰ কথাহে কৈছো, তুমি অসাধাৰণো হব পাৰা। বোধ হয় অসাধাৰণ বুলিলেহে ভাল পাবা, কাৰণ ছোৱালীবোৰক হেনো অসাধাৰণ গুণৱতী বুলিলেহে ভাল পায়! মোৰ অলপমান খোকোজা আছে, গুণৱতী নে ৰূপৱতী? শাস্ত্ৰত বোধ হয় ছোৱালীক ৰূপৱতী বুলিলেহে ভাল পোৱাৰ কথা আছে, কিন্তু আজিকালি ল'ৰাক ৰূপহ আৰু ছোৱালীক গুণৱতী বুলিলেহে খাপ খোৱা উচিত।

তোমাৰ চিঠিত মোলৈ একেটা মাত্ৰ প্ৰশ্ন আছে; তাৰো যদি উত্তৰ নিদিওঁ, তুমি চাগৈ বেয়া পাবা। তোমালোকক এৰি আহি মোৰ মনটো কেনে লাগিছে? যেনে লগা যেন অনুমান কৰা তেনে লাগিছে। এইটো বোধ হয় ঠিক উত্তৰ নহল। যেনে নলগা হলে ভাল আছিল তেনে লাগিছে। অভাৱ বস্তুটো মই ভাল নাপাওঁ। ৰবা,—বাৰু যাওক।

মই তোমাক এটা অনুৰোধ কৰিব খোজোঁ—সৰু অনুৰোধ। মোলৈ চিঠি লিখা ইমানতে নাসামৰিবা। মোৰ ফালৰ পৰা এটা কথা কৈ থওঁ,—চিঠি লিখোঁতে কেতিয়াবা মতৰ মাদকতাত কিবা কৰগৈ পাৰোঁ; সেই কাৰণে কথাবোৰ কেতিয়াবা কেতিয়াবা তাৰ বাহিৰৰ দৃষ্টিত নলবা। কেতিয়াবা যদি অন্ধতাত তোমাৰ গালৈ



কিবা ফৰ্ম্মুটি মাৰোঁ, সেইবোৰো হাঁহি নিলগতে ধৰিবলৈ চেষ্টা কৰিবা। বেছি দূৰলৈ নাযাম বোধ হয়, গলেও ঘূৰি আহিম বুলি অলপ বেলি চাবা। কথা বহুত সময়ত কওঁ মনৰ খেদ পুৰাবলৈ, নিস্তব্ধ হৈ থাকোঁ বিষয়ৰ গভীৰতা অনুভৱ কৰিবলৈ, স্নেহৰ আবেগখিনি সামৰি লবলৈ।

তোমাক কিবাবোৰ কৈ অলপ বেয়াহে লাগিছে। বাৰু, আৰু নকওঁ। তোমাৰ ভাইটিক কবা যে মই তালৈ পোৱালী কেৰ্কেটুৱা এটা পঠিয়াম। তোমাৰ মাৰা-দেউতাৰাক মোৰ শ্ৰদ্ধা জনাবা। ক্ষিতীনলৈ মই এতিয়ালৈকে চিঠি লিখিব পৰা নাই, লিখিম। ইতি

তোমাৰ—

প্ৰকাশ




( ২ )

কলিকতা

.................

অলকা,

তোমাৰ চিঠিখন পাই ইংৰাজীতে তোমালৈ চিঠি লিখিবলৈ প্ৰবৃত্তি এটা হৈছিল, কিন্তু মোৰ ইংৰাজী পাঠটো চাগৈ ভাল নাপাবা, সেই কাৰণে নিজৰ ভাষাতে আৰম্ভ কৰিলো। পৰাধীন জাতিবোৰৰ প্ৰাণবোৰত বোধ হয় এনেকৈয়ে মামৰে ধৰি যায়। আমেৰিকাৰ কিছুমান আদিম অধিবাসীক বৰ্ত্তমান কৰ্ত্তৃপক্ষই চৰিয়াত মাছ জীয়াই ৰখা দি ৰাখিছে, সিহঁতক পুৰণি ধৰণে ঘৰ সাজি দিছে, পুৰণি ধৰণে থাকিবলৈ আহিলা-পাতি যতনাই দিছে, পুৰণি আচাৰ ব্যৱহাৰো ৰাখিবলৈ ব্যৱস্থা কৰি দিছে। অভিনয়টো ভাল হব পাৰে কিন্তু এই মহানুভৱতাৰ গুৰিত এটা উপহাসৰ কলহাস্য শুনা নে? অলপ উলাই যোৱা দেখিবা, এই মহানুভৱসকলৰ পূৰ্ব্বপুৰুষসকল কি আছিল,—তেওঁলোকে আকৌ সেই দিনলৈ ঘূৰি যাব নে? সেই কাপোৰ পিন্ধিব নে? তেনেকৈ মাটিত বহি গাহৰি পুৰি খোৱা কামোৰা কৰি ভগাই খাব নে? যদি তেওঁলোকে তেনে নকৰে, এই আদিমবাসীসকলৰ নগ্নজীৱন ধেমালিৰ সামগ্ৰী কৰিছে কিয়,—সিহঁত পৰাধীন, সম্বলহীন, সেই কাৰণে? আমিও তেনে চৰিয়াৰ পানীৰ মাছ!

তোমাৰ ধুনীয়া চিঠিখনৰ উত্তৰ দিবলৈ গৈ, মই দেখিছো সদায়



কিবাখন লিখোঁ। তোমাৰ চিঠিখন সঁচাকৈয়ে ধুনীয়া। শব্দবোৰ তুমি মুখেৰে কোৱাৰ নিচিনা ল-নি কৈয়ে হৈ গুলায়, শাৰী পাতি বহে, শান্ত হৈ কথা কয়, গোটেইখন চিঠি তোমাৰ মুখৰ দৰে প্ৰফুল্ল, অন্তৰৰ দৰে নিমজ, চকুযুৰিৰ দৰে লাজকুৰীয়া আৰু তোমাৰ অবয়বৰ দৰে লালিত্য-পূৰ্ণ। সামৰণিটোও তোমাৰে নিচিনা আড়ম্বৰশূন্য। তোমালৈ অলপ ঈৰ্ষ্যা হয়।

তোমাৰ পৰীক্ষাৰ পঢ়াৰ বাবে চিঠি লিখিবলৈ সময় নোপোৱা বুলি শুনি সুখ পালো। মোৰ আৰু পৰীক্ষাৰ সময়ত কিতাপ মেলি লবলৈকে সময় নাপাওঁ, তাত বাহিৰে আন সকলো কামৰ বাবে সময় পাওঁ। পৰীক্ষা বোধ হয় পৃথিবীৰ পৰা উঠি গলে ভাল আছিল, নে কি কোৱা? মই যি জানো, জানো, পৰীক্ষকক দেখুৱালেহে জনা হব নে? আমাৰ আত্মসম্মানত আঘাত পৰা কথা, নহয় জানো! এই হিচাপত ঋষিসকলৰ পাঠশালাবোৰ বহুত ভাল আছিল। তেতিয়া পৰীক্ষা পাছ নকৰাকৈয়ে তোমালোক লীলাৱতী, গাৰ্গী, মৈত্ৰেয়ী হলা হয় আৰু আমি চৰক, শুশ্ৰুত অথবা বাদৰায়ণ, যজ্ঞবল্ক্য আদি কোনোবা এজন হলো হয়। তেহিনো দিবসা গতা।

কথাৰ বাগীতে ভালেমান কথা কলো। তুমি বিতুষ্ট নহবা। বিতুষ্ট হলেও মোৰ অলপ সাহ হৈ আহিছে। সন্মানেৰে। ইতি

তোমাৰ—

**প্ৰকাশ**



( ৩ )

কলিকতা

................

অলকা,

তুমি পৰীক্ষাত ভাল কৰা বুলি শুনি আনন্দ পালোঁ। ইয়াৰ পিচত কি কৰিবা,—কলেজত পঢ়িবা ? সেইটো নহয় পিছৰ কথা, এতিয়া সম্প্ৰতি কি কৰিবা ? কিতাপ পঢ়িবা ? ছোৱালীয়ে কিতাপ পঢ়াতকৈ বা হাৰমনিয়ম লৈ গান গোৱাতকৈ গুণগুণকৈ দুফাকি বিয়াৰ গীত গাই তাঁতত বহি মাকো মৰাটো ভাল দেখি। মাকোটো হাতত লৈ কেৰাহিকৈ যেতিয়া চায় তেতিয়া আৰু ভাল দেখি, তাতোকৈ ভাল দেখি যেতিয়া মাকে বা দেউতাকে মাতিলে আউলি জাউলি অৱস্থাতে খৰধৰকৈ উঠি ওলাই যাব খোজে। এইবোৰ মোৰহে মনত লগা চিত্ৰ, তোমালোকৰ আগত আদৰ্শ হিচাপে দাঙি ধৰিবলৈ নহয়।

মই যিটো কথালৈ আৰম্ভ কৰিছিলো সেইটো প্ৰায় পাহৰিয়ে গৈছো। 'তুমি কি কৰিবা'ৰ অৰ্থ তুমি কিতাপ পঢ়িবা নে পুথি পঢ়িবা এইটো মোৰ সোধাৰ উদ্দেশ্য নহয়। মোৰ উদ্দেশ্যটো তোমাক কবলৈ টান পাইছো। তোমাৰ নিশ্চয় এতিয়া আহৰি বেছি হব, অকলে বহি বহি কি ভাবিবা ? তুমি বিহকে নাভাবা, মই কিয় সোধো,—তুমি চাগৈ এনেকৈ ভাবিবা। তুমি কি ভাবা সেইটো মোৰ জানিবলৈকে ভাল লাগে। ভাবত মগ্ন থকা অৱস্থাত তোমাক দেখিবলৈ কেনে হব মই ইয়াৰ পৰাই অনুমান কৰিব পাৰোঁ, কিন্তু তোমাৰ ভাববোৰ মই ৰুণাই যাব পৰা হলে কেনে আনন্দ পালো হয়। অন্যায় কথা কলো



বোধ হয়, ক্ষমা কৰিবা। পালে পাবৰ ইচ্ছা ক্ৰমে বাঢ়ি যায়। লোভ নিৰন্ত কৰাই ভাল বুলি তোমাৰ চিঠিত যেন মোলৈ টানকৈ লিখা।

ঘৰৰ পৰা বহুত দিন চিঠি-পত্ৰ পোৱা নাই, সেই কাৰণেও মনটো অলপ অধীৰ হৈ আছে। মই আহিবৰ সময়ত আইৰ গা ভাল নাছিল, তেখেত বহুত দিনৰ পৰা শুকাই খীণাই আহিছে—এই কাৰণেই মন বেছি উদ্বিগ্ন হৈ আছে। তুমি ওচৰত থকা হলে কথাপাতিও কিজানি অলপ মনটো পাতলাব পাৰিলোহেঁতেন। তুমি যদি বতাহৰ বোকোচাত ভৰ দি আহিব পাৰিলা হয় আৰু মই পুৱাতে মোৰ কোঠাৰ খিৰিকি মেলি দিয়াৰ লগে লগে তুমি যদি পুৱাৰ বতাহ ছাতিৰ লগত সুকষৰ কোমল হেঙুলী আভা লৈ সোমাই আহিলা হয়, মই কেনে আচৰিত আৰু মুগ্ধ হলো হয়। লৰালৰিকৈ তোমাৰ বাবে একাপ চাহ আনিবলৈ মেছৰ চাকৰক হুকুম দিলো হয়। তুমি চাগৈ হাঁহি কলা হয়—"ব্যস্ত নহবচোন"। মোৰ এখন মাত্ৰ চকিত পৰি থকা খালি চিগাৰেটৰ বাকচটো বাহিৰলৈ দলিয়াই পেলাই হাতেৰে চকিখন মোহাৰি বহিবলৈ কৈ হাতত 'টুথ-পেষ্টৰ' নলি আৰু 'টুথ-ব্ৰাছ'লৈ মই ওলাই গলো হয়, গামচা নিবলৈ পাহৰি তিতা মুখেৰে সোমাই আহি দেখিলো হয় যে তুমি মোৰ কাপোৰকানিবোৰ ভালকৈ থৈ লাহে লাহে হাঁহি আছা। মই মোৰ কোঠালীৰ দুৱাৰখন জপাই দিলো হয় এই ভয়ত, কিজানি মোৰ কোনোবা মেছৰ সঙ্গীয়ে চকুৰে চাই তোমাৰ এচমকা সৌন্দৰ্য্য আৰু সুমিষ্টতা লৈ যায়। কিবাখন কলো নেকি,—পাহৰি যাবা।

চিঠি দিবা। ভাল দেই। ইতি

তোমাৰ—

**প্ৰকাশ**



( ৪ )

কলিকতা

................

অলকা,

তোমাৰ চিঠি দিয়াত পলম হোৱাৰ কাৰণে মই ক্ষমা কৰিব নোৱাৰিলো। ক্ষমা কৰিব পাৰি কোনবোৰ অপৰাধ,—যাৰ প্ৰতিকাৰ কৰিব নোৱাৰি। যেনে, ঘৈণীয়েকে গাখীৰ ভালকৈ ঢাকি থবলৈ পাহৰিলে মেকুৰীয়ে খালে। হিচাপী গিৰিয়েকে দেখিলে যে মেকুৰীৰ পেটৰ পৰা সেই গাখীৰ উদ্ধাৰ কৰা টান, কাজেই ঘৈণীয়েকক সাৱধান কৰি দি সেই দিনাখনলৈ তেওঁক ক্ষমা কৰিলে। আমাৰ মেছত থকা ল'ৰাবোৰৰ অভ্যাস—ধোবা আৰু চাকৰক ক্ষমা কৰাটো। ধোবাই আমাৰ আধা পুৰণি চুৰিয়া ফালিলে কওঁ—"ইবেলি দাম নাকাটিলো,—মোৰ নতুন চুৰিয়াখন তেনেই ফালি আনিছ,—ইয়াৰ পিছত কিন্তু চাবি। এইবাৰলৈ তোক 'মাফ' কৰিলো।" তেনেকৈ চাকৰক কিবা আনিবলৈ দিলেই সি যেতিয়া দুই এপইচা 'ফাও' মাৰে তাক কওঁ—"মই জানো, তই পইছা খাইছ, কিন্তু ভৱিষ্যতলৈ এনে কৰিলে তোক উলিয়াই দিম,—এইবাৰলৈ ক্ষমা কৰিলো।" তোমাৰ কাম এই শাৰীত যে নপৰে তুমি বুজিবই



পাৰিছা। ছোৱালীবোৰক নেকি টান কথাত কলে অভিমান হয়, মই ঢিলা কথাৰেই কওঁ, মাতটো তোমাৰ নিচিনা কোমল হোৱা হলে আৰু ভাল পালো হয়,—চিঠি ঘণাই লিখিবাচোন।

ইমান দিনে দুটা কামত মোৰ পলম সহ্য নহৈছিল। এটা হৈছে, গা ধুই উঠিলেই মূৰ নাচোৱাকৈ মই নোৱাৰিছিলো আৰু কাৰবাৰ চিঠি পালে তেতিয়াই তাৰ উত্তৰ নিলিখি নোৱাৰিছিলো, এতিয়া তৃতীয় উপসৰ্গ হ'ল,—তোমাৰ চিঠি পাই নাথাকিলে নোৱাৰিছো। প্ৰত্যেক সপ্তাহত, নে দিনত, কোৱা। তাতকৈ যদি এটা মায়া হাতনি পেৰা থাকিল হয়, যিটো মেলিলেই তোমাৰ লগত কথা পাতিব পাৰি, দিনটোত তুমি বহুবাৰ উধাতু খাই লৰি আহিব লাগিল হয়।

ক্ষমা কৰিবা। ভালেখিনি বলিয়ালি কৰিছো যেন লাগিছে। আনপিনে আৰু এটা সৰু ভাবে উক দিছে। জগতখনত অকল তুমি আৰু ময়ে থকা নাই। ই অতি বৃহৎ আৰু ইয়াত বস্তুবোৰে ইটোৰ গাত সিটোৱে আউজি থিয় দি আছে। ইমানৰ মাজত একেটা বস্তুকে দেখাৰ অৰ্থ আনবোৰক পাহৰি যোৱা। সিও অন্ধতা। অন্ধতা বহুত ৰকমৰ আছে, বলিয়ালি যেনে নানা তৰহৰ। এইবোৰৰ বিষয়ে বহলাবলৈ গলে তুমি মোক ডাক্তাৰিবিদ্যাৰ পৰিচয় দিবলৈ যোৱা বুলি ভাবিবা। এইবোৰ কথা তোমাক কবলৈ অৱশ্যে মই ভাল পালো হয়। শুনোতাজন ভাল থাকিলে বক্তাৰ ওজস্বিতা আহে, মনৰ বলন শক্তিটোও বাঢ়ি যায়। আগেয়ে যদি তুমি কলেজত পঢ়াৰ বিপক্ষে কিবা কোৱা যেন পাইছিলা পাহৰি যাবা। পঢ়া, কলেজত পঢ়া। ছাঁই যেন



কায়াটো নিগিলে সেইটোলৈ অৱশ্যে চাবা। বিষিনি আহুকাল সকলো ঠাইতে আছে অকল কলেজতে নহয়। আমি যদি কলেজত দিয়া শিক্ষা ভাৰতীয় ৰমণীৰ পক্ষে প্ৰকৃত শিক্ষা নহয় বুলি কওঁ, বা ছোৱালীক পঢ়ুৱোৱাৰ অৰ্থ পথিলী কৰা, এনেবোৰ অভিমত প্ৰকাশ কৰোঁ,—এনে অৱস্থাৰ বাবে জগৰীয়া কোন? নিশ্চেষ্ট, 'মুখেন মাৰিতং জগৎ'—এই পুৰুষবোৰ নহয় নে?

তুমি, তোমালোকৰ ঘৰৰ খবৰ বাতৰি একোকে লিখা নাই। তুমি যদি এই দীঘলীয়া আহৰিৰ সময়ত মাহীয়েৰাৰ তালৈ ফুৰিবলৈ যোৱা যাবা, ভাল কথা। সংযোগৰ তাঁৰডালি নাকাটিবা কিন্তু, পাৰিলে টানকৈ নেপেলাবা। বৈজ্ঞানিকৰ ভাষাত কবলৈ হলে মোৰ উশাহৰ ভালেখিনি অম্লজান তোমাৰ জৰিয়তে আহে। প্ৰীতিৰে সৈতে। ইতি

তোমাৰ—
**প্ৰকাশ**



( ৫ )

বেলশৰ

..................

অলকা,

তোমাক খবৰ নিদিয়াকৈয়ে ঘৰলৈ আহিলো,—কামৰ লৰালৰিত। আচল কথা, 'হস্পিতাল-ডিউটি'ৰ হাত এৰুৱাই ছুটি পোৱা টান। এটা বিশেষ পৰ্ব্ব উপলক্ষে দুদিনমান ছুটি পালো, তাতে আইৰো মাজে মাজে গা বেয়া বুলি শুনি আছিলো, সেই সুযোগতে এবাব ঘৰলৈ লৰি আহিলো। আইৰ গা আগতকৈ ভাল, কিন্তু সম্পূৰ্ণ সুস্থ নহয়। বয়স গলে এবাৰ গা পৰিলে টঙাই উঠা বৰ টান।

মই ইয়াৰ আগতেও তোমালৈ ইয়াৰ পৰা চিঠি লিখিবলৈ চেষ্টা কৰিছিলো, কিন্তু কৃতকাৰ্য্য নহলো। আজি যদিও লিখিবলৈ লৈছো ভাববোৰ যেন কিবা কথাৰ আঁৰত বৈ যায় এনে হেন লাগিছে চমুকৈ কবলৈ গলে, অলপ লাজ লাজ লাগিছে। কলিকতাৰ পৰ লিখিছিলো আবেগত (আশা কৰো, শব্দটো লৈ আপত্তি নকৰিবা কিন্তু ইয়াত ভাব হৈছে তুমি যেন অত্যন্ত সত্য, নিতান্ত তেজ মঙহ



এজনী ছোৱালী, ভৱিষ্যতলৈ কাৰো ঘৰুণী হবা, কাৰো মাক হবা, কাকো বিৰক্ত হৈ গালি-শঁপনি দিবা,—তুমি যেন আমাৰ আইহঁতৰ নিচিনাই এজনী দায়িত্ব সম্পন্না মৰমিয়াল তিৰোতা হবা, তাকেহে মই দেখিছো। তুমিও কেতিয়াবা অভাৱত পৰিবা, তোমাৰো কেতিয়াবা অসুখ হব, ল'ৰা-ছোৱালীৰ নৰিয়াত কেতিয়া চিকিৎসক আহে আহে বুলি ব্যস্ত থাকিবা, কেতিয়াবা অতি সামান্য কথাতে ওচৰ চুবুৰীয়াৰ কটু আলোচনাৰ বিষয় হবা, অদোষত নিন্দা শুনিবা, সাধাৰণ কথাবোৰে জীৱন অসহ্য কৰি তুলিব,—এনে হেন লাগে। গাওঁবোৰত তিৰোতাৰ জীৱনত মই তাকেই দেখিছো। চহৰৰ তিৰোতাসকলতকৈ এওঁলোকে বহুত বেছি কাম কৰে, বহুত বেছি গৰিহনা পায় আৰু তেওঁলোকৰ মনুষ্যত্বও বহুত সময়তে লাঞ্ছিত হয়।

আমাৰ পদূলিমুখৰ আমগছ এজোপাত মৌ-মাখিৰ বাহ। কিছুমান মৌ-মাখিয়ে সদায় অহা যোৱা কৰি আছে, আৰু কেনেকৈ আছে,—গুণ টনাৰ দৰে পোনাই আহে, পোনাই যায়, কতো পলম কৰিবলৈ এখন্তেকো যেন আহৰি নাই। এনে কৰ্ম্মতৎপৰতাত বিশেষ সন্তোষ পোৱা যায় নে,—মই ভাবোঁ কেতিয়াবা। সেই বাহৰ ভিতৰতে আৰু কেতবোৰ মৌমাখি আছে, সিহঁতে একোকে নকৰে। তুমি সেইবোৰৰ বিষয়ে জানা নে নাই মই কব নোৱাৰোঁ,—মতা মৌমাখিবোৰ সিহঁতৰ ন যোগাবলৈ আৰু সিহঁতক একান্তভাৱে হাতৰ তলত ৰাখিবলৈ ৰাণী জনীয়ে ৰূপহী হয়। মতাবোৰ মতলীয়া ৰস সৃষ্টিত নহয়, জীৱ সৃষ্টিত। য়াৰ পিছতে সিহঁতৰ মৃত্যু। মৌ-বাহখনি শৃঙ্খলতাৰ এটা অপৰূপ



নিদৰ্শন। মানুহৰ ঘৰবোৰ যদিও আইন প্ৰণালীত গঠিত, তথাপি তাতো ঘৰণীজনীৰ প্ৰভাৱ আৰু দায়িত্ব কম নহয় যেন লাগে।

আমাৰ গাওঁবোৰত প্ৰায়বোৰ মানুহে কাম কৰে, চহা বনুৱাবোৰে বিশেষকৈ। বেপাৰ সম্বন্ধে একো সুশৃঙ্খল ব্যৱস্থা নাই। সৰহভাগ বেপাৰ বিদেশীৰ হাতত, তাকো বেপাৰ বুলিব নোৱাৰা, ঠগিবৰ ফন্দি বুলিব পাৰা। শস্য পথাৰত থাকোঁতে বিদেশী বেপাৰীয়ে টকা লগাই যায়,—ধান হলে পতানৰ দামত, সৰিয়হ হলে জাবৰৰ দামত আৰু মৰা-পাট হলে খাগৰিৰ দামত আৰু দুখীয়া খেতিয়কে বতৰত সেই দামতে বেচে। সেয়ে ছমাহ খাবলৈ নোজোৰা হয়। নিজে শস্যখিনি বজাৰত নিবিকা হলে অন্ততঃ তিনিগুণ দাম পালে হয়। গাওঁৰ মুখিয়ালবোৰেও কামত সহায় নকৰে, দিহা পোহাও নিদিয়ে। তেওঁলোকো ধনীৰ ওচৰত বহুতে ধৰুৱা। আৰু এশ্ৰেণীৰ মানুহ আছে যিবোৰে হাল কোৰ নাপাৰে, কোনোৱে জাতিৰ দোহাই দি, কোনোৱে বংশৰ দোহাই দি, কোনোৱে গৰিষ্ঠতাৰ ভাও জুৰি। গাওঁত সৰহভাগ দন্দ-খৰিয়াল, মামলা-মোকৰ্দ্দমাৰ বাবে এওঁলোক দায়ী। এওঁলোকে হুপইচা ঘটে তেনেকৈ, আৰু অজলাবোৰক নি ছুটা মিঠা কথা কৈ বিনা বানচে যায়ও। পৰিতাপৰ কথা,—হাল নোবোৱা কোৰ নপৰা মানুহবোৰ অসজ হলেও শ্ৰমিক আৰু বনুৱাবোৰতকৈ আমাৰ সমাজত সন্মানাস্পদ!

তুমি এইবোৰ কথাত ৰস পাবা নে নাই মই নাজানো, কিন্তু এইবোৰ মোৰ চকুত পৰিছে বুলিয়ে তোমাক জনাইছো। তোমাৰ মনত লগ বিষয়বোৰ তুমি মোলৈ লিখিবা বুলি আশা কৰোঁ। তোমালোকৰ চি



কথিত—'ফুলৰ মূৰ' নিলিখিবা, মই চানেকী চাই কণি বাছিব নাজানো, সূতা লব পাৰোঁ, ৰ তুলিব পাৰোঁ। । কিন্তু আজি কালিৰ দিনৰ 'ৰুজ', 'লিপষ্টিক' সম্বন্ধে অলপ জানো আৰু তুমি যেতিয়া কলেজলৈ আহিবাই এইবোৰ বিষয়ত ট্ৰেইনিং লোৱাৰ বা এপ্ৰেণ্টিছ কৰাৰ দিন তোমাৰ চমু চাপি আহিছেই।

তুমি কলেজত পঢ়া সম্বন্ধে দেউতাবাই শেষ সিদ্ধান্ত কৰিলে নে নাই? মাৰাৰ আগ্ৰহ নাথাকিব, জনা কথা। ক্ষিতীনৰ মত জনাম নেকি! নাই, পিছত জনাম।

মই দুই চাৰি দিনতে কলিকতা পামগৈ। ইতি

তোমাৰ—

**প্ৰকাশ**




( ৬ )

কলিকতা

.................

অলকা,

মই কলিকতালৈ আহিয়ে তোমাৰ চিঠি পালোঁ। অকল পোৱাই নহয়, পঢ়িলো আৰু কণ্ঠস্থ কৰিলো। তোমাৰ নিচিনা ছোৱালীৰ পক্ষে এনে অনিশ্চিততা মই মুঠেই ভাল পোৱা নাই। জীৱন নিশ্চয় বিলাস-ভূমি নহয়। কলেজীয়া জীৱন অকল বিলাসৰ বাবে নহয়। মই এই বিষয়ত তোমাৰ লগত সম্পূৰ্ণভাৱে একমত—যে এতিয়ালৈকে অকল ধনীৰ ছোৱালীয়ে কলেজত পঢ়িছে আৰু কিছুমান অভিভাৱকে দৰা যতনাব পৰা নাই বুলিয়ে ছোৱালীক কলেজত দিছে। তথাপি মই ভাবোঁ যে এইটো তোমাৰ নিষ্ঠুৰ ধাৰণা। তোমাৰ লগত তৰ্ক কৰা মোৰ পক্ষে অপ্ৰিয় তথাপি মই কব খোজোঁ যে তোমাৰ এই সিদ্ধান্ত নিৰ্ভুল নহয়। তুমি ৰুছিয়াৰ ছোৱালীসকলৰ কথা কৈছা, মই বুজিছো। কিন্তু ভাৰতৰ অৱস্থা ঠিক ৰুছিয়াৰ অৱস্থাৰ সৈতে একে নে? ডাষ্টভস্কি বা মেক্সিম গৰ্কীৰ চিত্ৰিত নায়িকাসকলৰ দৰে কষ্টৰ সন্মুখীন তোমালোকে হবা নে? অকল দেশত বাহিৰে নিজৰ বাবে কৰিব লগীয়া জীৱনত একো নাথাকে নে? মোৰ দাম্ভিকতা বুলিব পাৰা, কিন্তু ছোৱালীবোৰে যেতিয়া




অকল দেশৰ কথাকে কয় তেতিয়া মোৰ ভিতৰে ভিতৰে এটা সন্দেহ হয় যে এইটো এওঁলোকৰ পেটৰ কথা নে? যদিওবা হয়, নিজৰ আৱশ্যকবোৰ সঠিকভাৱে ধৰিব পাৰিছে নে? ইয়াত মোৰ পুৰুষোচিত লিপ্সা, আত্মপ্ৰবঞ্চনা বা দাম্ভিকতাৰ ভাব থাকিব পাৰে, আবহমান কালৰ পৰা চলি অহা পাৰম্পাৰিক ৰীতিৰ দ ছাপ এটা মোৰ মনত থাকিব পাৰে, তথাপি মই কওঁ যে স্ত্ৰীৰ আত্মোৎকৰ্ষ আনকি সমাজৰ ফালৰ পৰাও অতি আৱশ্যকীয় আৰু প্ৰথম কৰ্ত্তব্য।

তুমি কব পাৰা যে কলেজত নপঢ়িলে জানো ছোৱালীৰ শিক্ষা নহয়? হয়, কম হয়। আজি কালি আমাৰ ঘৰৰ সংসাৰথন নিতান্ত ঠেক, স্বাধীন চিন্তাৰ বাট অতি সঙ্কীৰ্ণ। কুলাচাৰ লোকাচাৰ, অন্ধবিশ্বাসৰ প্ৰকোপ অত্যন্ত বেছি। ভাৰতীয়ৰ পৰাধীনতাৰ কাৰণ বিদেশীয়ে যিয়ে নিদিয়ক, আমিতো বুজোঁ কি। আমাৰ ভীৰুতা, দুৰ্ব্বলতা, ক্ষুদ্ৰ স্বাৰ্থ, পৰায়ণতা, এইবোৰ নহয় জানো? আমি এনে হবলৈ পালো কেনেকৈ? লৰাকালৰ পৰা নিতান্ত নিজৰ সৰু স্বাৰ্থৰ বাবে ঘূৰি, সৰু কথালৈ মনযোগ দি, কাল্পনিক বিভেদবোৰকে ডাঙৰ কৰি বয়সিয়াল অৱস্থাতো সেই একেবোৰ ভাবৰে ভাৱবাহী হৈ এই অৱস্থাত নপৰিছো নে? আমাৰ ঘৰবোৰত ডাঙৰ কথা নিশিকোঁ, সেয়ে জীৱনতো ডাঙৰ কথা আয়ত্ব নহয়। যি ঘৰত মাকে নিজৰ ল'ৰা আৰু ওচৰ চুবুৰীয়াৰ ল'ৰাক সমানে আদৰ কৰি খুৱাই ধেমালি কৰিবলৈ পঠিয়াই দিয়ে সেই ঘৰৰ ল'ৰাই ডাঙৰ হলেও লোকৰ লগত সমানে স্বাৰ্থ মিলাই কাম কৰিবলৈ শিকে আৰু যি ঘৰত মাকে ৰৰটো ল'ৰাক অকলশৰীয়াকৈ মাতি নি



বেঙ্গৰ আঁৰত গাখীৰৰ বাটি খুৱায়, ডাঙৰতো সেই ল'ৰা নিতান্ত স্বাৰ্থপৰ আৰু আপোনপেটীয়া নহয় নে? তুমি কবা যে এইবোৰৰ লগত কলেজৰ শিক্ষাৰ কি সম্বন্ধ? মই কওঁ—মানৱ মনৰ উৎকৰ্ষ সাধনৰ বাবে দেশ বিদেশৰ মনস্বীসকলৰ চিন্তাৰ লগত, আদৰ্শৰ লগত, আচৰণৰ লগত পৰিচিত হোৱা যুগুত। নিজৰ মনকো সত্য গ্ৰহণৰ উপযুক্ত কৰি লোৱা আৱশ্যক। পঢ়া-শুনা, চিন্তা কৰা, উচ্চ আদৰ্শৰ মানুহৰ সংস্ৰৱত থকা, এইবোৰেই কলেজৰ শিক্ষাৰ উদ্দেশ্য। যদি সকলো ঠাইতে মানুহবোৰ এই উদ্দেশ্যত সফলকাম হোৱা নাই, তাৰ কাৰণ জানিবা তেওঁলোকে আদৰ্শৰ বাটেৰে সদায় আগবাঢ়িব পৰা নাই।

কাৰ্য্যকাৰিতাৰ ফালটো নহয় এৰি দিলোঁ,—লিখা পঢ়াৰ আৰু এটা ফাল আছে—সৌন্দৰ্য্য উপভোগ কৰা, ডাঙৰ ভাষাত 'আত্ম-বিনোদন' কৰা। খেতিয়কে নিজৰ মাটিৰ ফুলা সৰিয়হ ডৰালৈ চাই কেনে পায়? শৰতত ধানৰ শীহ কেইটা দেখিলে চহাৰ মন কেনে লাগে? কুঁহিয়াৰ ছুডালি আগবতৰতে আনি ল'ৰা-ছোৱালীৰ হাতত দিলে ঘৰখনতে কেনে এটা হাঁহিৰ জেউতি উঠে? সেই দৰেই কলেজীয়া জীৱনত কবিতা পঢ়ি, কবিৰ মনলৈ চাই, তেওঁলোকৰ ৰূপসৃষ্টি বা ৰসসৃষ্টিলৈ চাই এবাৰ স্তব্ধ হবা। কলাবিদৰ সৌন্দৰ্য্য জ্ঞানত মুগ্ধ হবা, মানৱ সভ্যতাৰ বুৰঞ্জী দেখি স্তম্ভিত হবা। জীৱনৰ কঠিন সমস্যাবোৰক কোন পণ্ডিতে কেনে ভাবে চাই এটা উপেক্ষাৰ হাঁহি মাৰিলে সেই হাঁহিৰ দুৰণিৰ ঢৌটো দেখিও তুমি আনন্দ পাবা। ডালিমৰ সৰি পৰা ফুলবোৰতো যে সৌন্দৰ্য্য আছে যদিও ফল নধৰিল,—তেতিয়া বুজিবা।



এইবোৰ তৰ্ক কৰা নাই দেই। ৰবীন্দ্ৰ নাথৰ এফাকি কবিতা মনত পৰে—

“এই মুচিলাম আঁখি,
এ সুধু চোখেৰ জল
এ নহে ভৎ’সনা।”

মোৰো এইবোৰ তৰ্ক নহয়, হেতু নহয়,—আগ্ৰহ।

আজি আকাশত জোন উঠিছে। কলিকতাৰ মাটিত ইমান পোহৰ যে ওপৰৰ সৌন্দৰ্য্য ভালেখিনি এয়ে অস্পষ্ট কৰি ৰাখে। ভালে আছো। ইতি

তোমাৰ—
প্ৰকাশ



( ৭ )

কলিকতা

................

অলকা,

অনুভূতি মিহলাই মোলৈ চিঠি নিদিবা, অৱশ্যে যদি পাবা। মোৰ পিনৰ অসুবিধাৰ কথা তোমাক কওঁ। তোমাৰ চিঠি বুলিয়ে মই অলপ ভাবপ্ৰৱন হওঁ যেন পাওঁ, তাতে যদি তুমি এনে মধুৰ নিকনত লিখা, শুদ্ধতা মোৰ ভাল লাগি আছে, সেয়ে মোক আকোঁৱালি ধৰে,— মুখে প্ৰকাশৰ ভাষা বিচাৰি হিয়া ধুনি মৰে।

তুমি বোধ হয় মৰম নকৰিবা, তুমি কৈফিয়ৎ বিচাৰিবা—চিঠি নিদিলো কিয়। মই তেতিয়া হলে ক্লাছৰ নোট বুকৰ পৰা নকল কৰি কিবা লিখি দি পঠিয়াম তুমি জানিবা যে মোৰ মুখে তেতিয়ালৈকে নিজাকৈ ভাবিব পৰা হোৱা নাই।

এটা কথা,—আজি কেদিনমানৰ পৰা এটা বিঙা সুৰে মোক বৰকৈ ব্যতিব্যস্ত কৰি তুলিছে। ঘটনাটোৰ আভাস তোমাক অলপ দিওঁ। কলিকতাখন এখন বিচিত্ৰ চহৰ। সিদিনাখন আবেলি মই এনেই পাক এটা মাৰোঁ বুলি ওলালোঁ। বাটৰ দাঁতিত চুৱা-চাতি জাবৰ-গোবৰ আদি পেলোৱা এটা বাহ থাকে, তাৰে কাষতে প্ৰায় কুকুৰ কাউৰী এইবোৰ থাকে। মই অন্যমনস্ক ভাবে গৈ আছো হঠাৎ দেখিলো মোৰ কাষতে তেনে এটা আবৰ্জ্জনা পেলোৱা চুঙাৰ কাষতে দুটা সৰু ল'ৰা ছোৱালী ছাট কৰে থিয় হল। মই আগেয়ে কিবা কুকুৰ-



তুকুৰ থকা বুলি ভাবিছিলো। সিহঁত উঠিলতহে মোৰ চকু পৰিল। সিহঁতৰ কাষতে কাৰবাৰ ভাতবন্ধা চৰুৰ খোলা এটা লৰি আছে, মোৰ বুজিবলৈ বাকী নাথাকিল যে এয়ে সিহঁতৰ আহাৰৰ পাত্ৰ আছিল। —সিহঁতৰ কানিকাপোৰ তেনেই ফটা আৰু মলিয়ন। বেচেৰাহঁত অতি অভাৱগ্ৰস্ত। মই অলপ কিবা দিওঁ বুলি কাষ চাপি গলোঁ, সিহঁতে পলাল, বোধ হয় মোক ভয় কৰিলে। এই চহৰখনত পতিতা, অপহৃতা, জাৰজ, মগনীয়া এইবোৰৰ সংস্থান কৰিবলৈ মানুহ ওলায় কিন্তু এই অন্নক্লিষ্ট অপগণ্ড শিশুবোৰৰ তত্ত্বাৱধান লওঁতা কোনো নাই,—সিহঁতৰ একমাত্ৰ দোষ দুখীয়া মাক বাপেকৰ সিহঁত বৈধ সন্তান!

তুমি কলেজলৈ যাবলৈ ওলাইছা বুলি শুনি বৰ সন্তোষ পালোঁ। তুমি যোৱাত তোমালোকৰ ঘৰখনত বিষাদৰ ছাঁ পৰিব জনা কথা। মোৰেই অলপ বেয়া লাগে। মোৰ কিয় আশীৰ্ব্বাদ বিচাৰিছা,—সেইটো বৰং তোমাৰ স্নেহ সনা মহানুভৱতা। যদি অগত্যা নহলে নহয়,—মোৰ সাধনা, আৰাধনা আৰু আদৰ্শৰ যদি কিবা সৌন্দৰ্য্য আছে সেয়ে যেন তোমাৰ পথ উজ্জ্বল কৰে। ইতি

তোমাৰ—

**প্ৰকাশ**



( ৮ )

কলিকতা

................

অলকা,

তুমি ভালে ভালে আহি গুৱাহাটী পোৱা বুলি শুনি ৰং পালোঁ। গুৱাহাটী ধুনীয়া ঠাই। মই আকৌ নতুনকৈ সৰু হব পৰা হলে কিজানি তোমাৰ লগতে কলেজত পুনৰ নাম লগালোহেঁতেন। মই তাত যি কেইটা বছৰ পঢ়িছিলো সেয়ে যেন মোৰ জীৱনৰ সোণোৱালী যুগ। স্বৰ্গ আৰু পৃথিবীৰ মাজত সমন্বয় স্থাপন কৰিব পৰা বৃহৎ আকাৰৰ যদি ইন্দ্ৰধনু আছে তাৰ প্ৰত্যেক ৰেণুৰ অপৰিমেয় সৌন্দৰ্য্যৰ লগত মোৰ তেতিয়াৰ ক্ষণবোৰৰ কল্পনা কৰিব পাৰা। আজিও বোধ হয় আগৰ দৰেই সেই বাটঘাট, সেই পাহাৰ পৰ্ব্বত, সেই বিশাল বুকুৰ ব্ৰহ্মপুত্ৰ, তাৰ শিলনিৰ ওপৰত সেই নিৰ্জ্জনতা, দূৰণিত উৰি যোৱা চৰাইৰ গধূলি পৰত সেই মধুৰ আৱাৰ! পুৱাৰ ৰাঙলি আভা যেতিয়া নৱগ্ৰহ আৰু শৰণীয়াৰ মাজেৰে ভুমুকি মাৰে, সেই দৃশ্যটো, বাহ এৰি উৰিব খোজা চৰাইৰ মধুৰ শান্ত আহ্বান, ৰিব ৰিব চেঁচা বতাহ—সকলো আজি মোৰ মনত সজাগ হৈ উঠিছে। মনত পৰে তেতিয়াৰ স্নেহপৰায়ণ অধ্যাপক সকললৈ। তেখেতসকলৰ কিছুমান তেতিয়া নতুন, আজি অৱশ্যে তেখেতসকল প্ৰৌঢ়। তুমি যেতিয়া নিজেই তেখেতসকলক লগ পাবা, মোৰ ধাৰণা আগতে তোমাক নজনালোৱে বা ?

হ'ষ্টেলত থকাত বাহিৰে যদি উপায় নাই, তাতেই থাকিবা। বহুত



বন্ধু পাবা, নে তোমালোকে বান্ধৱী বোলা তাকো নাজানো। তোমাৰ নিচিনা ধুনীয়া ছোৱালীৰ পৰা ৰুমাল তুলি দিয়া ডেকা বন্ধুৰো অভাৱ নহব, নোট ধাৰ কৰা আগ্ৰহান্বিত বন্ধুৰো বহুত পাবা। নোটতকৈ যেন বেছি কোনোৱে ধাৰ নকৰে,—মোৰ মনে তাকেহে কব খোজে। বেয়া নাপাবা দেই। ডেকা ল'ৰাই ছোৱালীৰ আলেখলেখ চোৱা প্ৰায় স্বাভাৱিক।

মই গুৱাহাটীত চিনো তেনে ভদ্ৰলোকৰ নাম লিখিবলৈ কৈছা? মোৰ ভিনিহিদেউৰ ঘৰ দীঘলী পুখুৰীৰ কাষত থকা কথা তোমাৰ জনাই আছে, বাই-মৰা ভিনিহি হলেও মৰমিয়াল। তোমাক দুজন মোৰ শ্ৰদ্ধেয় কবি চিনাই দিওঁ। 'কেতেকী'ৰ কবিক পাবা—দুৱাৰ মুখতে এজুপি কামিনী গছ, এডালি লবঙ্গ লতা, ঘৰৰ সমুখত শেৱালী এজোপা। অনাড়ম্বৰ, হোকা প্ৰিয়, পাতল হাঁহিৰে সৈতে সেইজনেই কবি। তুমি অলপ বহিলেহে কথা পাতিব। 'তুমি'ৰ কবিক যতে ততে পাবা,—লগ ধৰিবা ঘৰত। আগৰ ছোৱা কথাৰ ৰাবাই তেখেতক বুজিবলৈ চেষ্টা নকৰিবা,—অনুভূতিৰ সূক্ষ্ম সূত্ৰ এডালি ধৰি আগ বাঢ়ি যাবা,—নিৰ্ব্বিকাৰ কবিক তেতিয়াহে পাবা। "ধৰ আৰু ধৰ"ৰ নিচিনা কৰ্কশ কথাতো প্ৰাণৰ সুৰ দিয়ে তাতহে। সদাশয় ভদ্ৰলোকৰ ভিতৰত পাবা ডাক্তৰ বৰুৱাক। ল'ৰাৰ দৰে সৰল, বীৰৰ দৰে সৰল, অন্যায়ৰ প্ৰতি কঠ, ছাত্ৰছাত্ৰীৰ প্ৰতি অত্যন্ত স্নেহ পৰায়ণ। 'পাব্লিকমেন' বোৰক কাম দেখিয়ে চিনিবা, মই আগতে তোমাক কাৰো বিষয়ে কব নোখোজোঁ।



ছোৱালীবোৰৰ ফুৰা-চকা বা খেল-ধেমালিৰ কেনে ব্যৱস্থা আছে মই নাজানো। ফাছি বজাৰৰ এইখিনিত নৈৰ পাৰৰ আলিতকৈ আন পিনেহে ফুৰিবলৈ বাট ভাল। ছোৱালীবোৰক ফুলনিত কাম কৰিবলৈ দিলে মোৰ মনেৰে ভাল হয়। কণ আশ্ৰমৰ কথা মনত পৰে। তোমালোকৰ ফুলনিত নিশ্চয় মালীয়ে পানী দিয়ে ?

নতুনকৈ ঘৰৰ পৰা বাহিৰলৈ আহিছা, চিঠিপত্ৰ অলপ ঘনাই ঘৰলৈ দি থাকিবা। মোৰ চিঠিবোৰ ইয়াৰ পিছত সংক্ষিপ্ত কৰিব লাগিব নেকি ? দীঘলীয়া চিঠি দেখিলে তোমাৰ কোনোবা বান্ধৱীৰ জানোচা ঈৰ্ষ্যাৰ কটাক্ষ পৰে,—তোমাক কিজানি পৰিহাস কৰে, তুমি কিজানি অশান্তি পোৱা ? চিঠিবোৰ যদি নিলিখাকৈয়ে পঠিয়াব পৰা হল হয় আৰু কাকতত নেদেখাকৈয়ে পঢ়িব পৰা হল হয় !

দিনৰ পোহৰ পৰি আহিল। সাঁজৰ চাকি জ্বলোৱাৰ আগতে আজিলৈ সামৰিলো। গধূলি পৰত শুক্লেশ্বৰৰ ঘাটৰ পৰা তাত নৈখন ধুনীয়া দেখি। মৰমেৰে। ইতি

তোমাৰ—

**প্ৰকাশ**



( ৯ )

কলিকতা

………………

অলকা,

তুমি কলেজৰ 'এট্‌মস্ফিয়াৰ' ভাল পোৱা শুনি আনন্দ পালোঁ। নিশ্চয় তাৰ বা-বতাহত উদ্যম, উদগণি আৰু সজীৱতাৰ বীজ আছে। তুমি হেলাৰঙে প্ৰৱেশিকা পৰীক্ষা পাছ কৰিলা, মই মোৰ শেষ পৰীক্ষাত কি কৰোঁ ? পৰীক্ষা আহিলেই যেন বাঘটো আহে,—তাৰ ভাবটোও মোৰ মনত ভয়-লগা। মোৰ ভীতিবিহ্বল মনৰ এছোৱা জাপি দি তোমাৰ উদ্যমভৰা গজালি মনক দো খুৱাব নোখোজোঁ। মই 'মেডিকেল-জুৰিস্প্ৰুডেন্সৰ' কেছ এটা তোমালৈ উদ্ধৃত কৰি আজিৰ চিঠিখন কিজানি সামৰিম। মই যিটো ঘটনা কম সেইটো এটা আকস্মিক দুৰ্ঘটনা নে আত্মহত্যা তুমি কবাচোন।

তোমালৈ চিঠি লিখিবলৈ ওলাই দেখোঁ যে মোৰ মহী-চুঙাত মহী তেনেই শুকাই গৈছে। ওচৰত এটা সৰু কাচৰ বোটল আছে তাতে সচৰাচৰ পানী থওঁ, তাৰে লেফাফা বন্ধ কৰোঁ আৰু মৈলামৰ চিয়াহি শুকাই গলে তাতে অলপ পানী ঢালি মিহলাই লওঁ। আজি বোটলটো হাতত লৈয়ে দেখিলো তাৰ ভিতৰত এটা সৰুজাতৰ পঁইতাচোৰা মৰি আছে। পঁইতাচোৰাটো ডেকা যেন লাগিল। ই মৰাৰ কি কাৰণ ? পানী খাবলৈ চিচাটোৰ ভিতৰলৈ সোমাই খোজ পিছলি পানীত পৰি



মৰিল নে জীৱনৰ ওপৰত হতাশ হৈ আত্মহত্যা কৰিলে ? আমেৰিকা আদি দেশত হেনো আত্মহত্যা আৰু বিবাহ-বিচ্ছেদ দুয়োটা কথাৰে বৰ বেছি প্ৰচলন, বঙ্গদেশত বিবাহ-বিচ্ছেদ বিৰল, কিন্তু আত্মহত্যাৰ নিৰিখ নিচেই কম নহয়,—কাৰণবোৰ অৱশ্যে তোমাক কবৰ হোৱা নাই। মোৰ এই সৰু কুঠৰীটোৰ ভিতৰত এই সৰু বোটলটোৰ অন্তৰত এনে কি মাদকতা আছিল যিহে তাৰ মৰণ আহ্বান কৰিলে ? মইতো মৰণৰ কথাকে ভৰা নাই, আত্মহত্যাতো দূৰৰ কথা। কোৱাচোন কিহে তাক ফুচুলালে। সেই বোটলৰ পানীৰে অৱশ্যে তোমালৈ লিখি চিঠিও জপাওঁ, কিজানি মোৰ মনৰ মিষ্টতা, হব পাৰে তোমাৰো, সেই পানীত কেনেবাকৈ জড়িত হৈছিল আৰু তাৰ অলপমান খাইয়ে পোকটো বিহ্বল হৈ ঢলি পৰিল ? অথবা, ঘৰত সিজনাৰ দ্বাৰা লাঞ্ছিত হৈ দ্বিতীয় কালিদাস হোৱাৰ মনেৰে জপংকৈ পানীত পৰিল আৰু আধুনিকা সৰস্বতীয়ে কলেজত বক্তৃতা দিবলৈ গৈ ইয়াক উদ্ধাৰ কৰিবলৈকে পাহৰিলে ? লাহ নপঠিয়ালো,—তুমি মনেৰেই পৰীক্ষা কৰিবাচোন।

মঞ্জু, কুঞ্জ, নিহাৰীকা—এইবোৰ তোমাৰ অসমীয়া বান্ধৱী নে ? অসমীয়া নামৰ চাগৈ কণকঠিয়া মৰিল। মৰক দিয়া, জাতিটোৱে মৰক, মোলান চাহাবৰ দূৰদৰ্শিতাই সাব্যস্ত হওক।* আমাৰ মুচলমান সমাজে নামবোৰ অলপ আগৰ ঠাঁচত ৰাখিছে নেকি ?

*—১৯৩০ চনৰ লোক-গন্তিৰ ফলাফল চাই চেন্সাচৰ অধ্যক্ষ মিঃ চি, এছ, মুলানে কৈছিল যে সময়ত অসমীয়া জাতিটো লোপ পাব, শিৱসাগৰ জিলাত এমুঠিমান বৰ গৈ পাবে।—সম্পাদক।




তেওঁলোকৰো দুই এটা ইংৰাজীয়ানাৰ নাম সোমাইছে,—বাকীবোৰ আৰবী কৰা নাইতো ?

মোৰ মনটো বৰ ভাল লগা নাই। সকলো বস্তুৰ ওপৰতে যেন এটা বিৰক্তিৰ ভাব। এইটো বোধ হয় এটা দুৰ্ব্বলতা। তুমি মোৰ গতানুগতিক বন্ধু হোৱা হলে, (বান্ধৱী নোবোলো দেই,—কাৰণ তুমি মোৰ মনত ছোৱালীয়ে নোহোৱা যেন পাওঁ,—এটা যেন সজীৱ সহানুভূতি পৰায়ণ প্ৰাণ, তেনে যেন হে পাওঁ)—কিজানি তোমাৰ মনত ভাল লগাবলৈ দুই চাৰিটা সস্তীয়া মনোহাৰী কথা কৈ চিঠিখন ডাক বিভাগক সোধাই দিলো হয়,—কিন্তু তোমাক প্ৰাণৰ সন্মুখত ৰাখি সকলো ৰকমৰ দুৰ্ব্বলতাতে মই লাজ পাওঁ। মই যদি কেদিনমানলৈ চিঠি নিদিওঁ, তথাপি যেন তুমি বেয়া নোপোৱা। মোৰ মনৰ দূৰ আকাশত যেন কৰবাত সৰু এচপৰা মেঘ দেখা দিছে। চেঁচা বতাহ বলিছে, ধুমুহা আহিব নেকি? মোৰ মনেও মোক ভালকৈ ধৰা নিদিয়াত পৰিছে। শ্ৰদ্ধাৰে। ইতি

তোমাৰ—

**প্ৰকাশ**




( ১০ )

কলিকতা

.................

অলকা,

তোমালোক 'ফ্রেছ্-মেন্চ্-গেদাৰিং,' 'ইউনিয়ন-ইলেকছন' আদি কামত এতিয়া ব্যস্ত থাকিবা, এইটো বুজা মোৰ পক্ষে সহজ কথা। কিন্তু মোৰে নিচিনাকৈ কোনোবাই যদি তোমাৰ পৰা—উৎসাহ, উদগনি, ওভতনি সকলো বিচাৰে তেতিয়াহে সংঘৰ্ষ হয় নেকি,—নে কি কোৱা? ভুল নুবুজিবা, প্ৰলোভনৰ বস্তু দেখিলে আত্মসাৎ কৰাৰ লোভ জন্মে।

তোমাৰ দৃষ্টিপথত অৰণ্যে আঁৰ-পৰ্ব্বত হবৰ মোৰ ইচ্ছা নাই।

"ডাকে যেন, ডাকে যেন,
—সিন্ধু মোৰে ডাকে যেন।"

—ৰবি ঠাকুৰৰ এই ফাঁকি কবিতা মোৰ মনত বৰকৈ খেলিছে দেখো।

তোমাৰ বাতৰি পাবলৈ কাণপাতি থাকিলোঁ। ইতি

তোমাৰ—
**প্ৰকাশ**




( ১১ )


কলিকতা

................

অলকা,

তোমাক নোকোৱাকৈয়ে মই পুৰীলৈ গৈছিলো, কালি আহিলো। তোমালোকৰ কলেজ বন্ধ হোৱা, তুমি ঘৰলৈ যোৱা আদিৰ বাতৰি মই আগতে পাইছো। পুৰীলৈ গলো, এনেই, ধৰ্ম্ম কৰিবলৈ নহয়। মনটো কিছুমান দিনৰ পৰা ভাল নাছিল; তাতে অকস্মাৎ এজন বন্ধুৱে বিনা পইচাতে পুৰীৰ পৰা ঘূৰি অহাৰ সুযোগ এটা দিলে, তাকেই অৱলম্বন কৰি তীৰ্থযাত্ৰা কৰি আহিলো। মোৰ বন্ধুজনৰ মোমায়েক আহিছিল পুৰীলৈ পুণ্য অৰ্জ্জনৰ বাবে যাবলৈ, মোৰ বন্ধু-জনক সহায়কাৰী হিচাপে নিয়াৰ কথা আছিল, বন্ধুজনৰ অকস্মাৎ হল অসুখ, মোমায়েকে নোৱাৰে সৰহ দিন ৰব, কাজেই ময়ে তেখেতক পুৰী দেখুওৱা কামটো সহৃদয় বন্ধু হিচাপে হাতত ললোঁ। এই হল মোৰ সাগৰ পাৰলৈ যাত্ৰাৰ গুৰিত। তাত মই কেনে পালো, সেইটো হল মোৰ অত্যন্ত নিজা, আৰু তোমাক আজি তাৰেই অলপ ভাগ দিবলৈ ওলাইছো। তুমি চাগৈ অকলে আছা, অৰ্থাৎ তোমাৰ বন্ধু বা বান্ধৱীৰ সংস্পৰ্শৰ বাহিৰত,—আৰু ইচ্ছা কৰিলে এখন্তেকলৈ মোৰ বৰ্ণনাত আত্মনিয়োগ কৰিব খুজিলেও পাৰিবা।

আমি ৰাতিপুৱা পালো গৈ। তেতিয়া ৰ'দ উঠিছে। পাণ্ডাৰ ঘৰত কানি কাপোৰ এৰিয়ে সাগৰলৈ গা ধুবলৈ গলো। সাগৰৰ পাৰ



পোৱাৰ আগতে তাৰ ঢৌৰ শব্দ শুনি,—অস্পষ্ট হো হো শব্দ এটা। সাগৰৰ পাৰ পোৱাৰ ভালেখিনি দূৰৰে পৰা বেয়া বেমাৰীবোৰ বাটৰ ভুকাষে বহি হিয়া ধাকুৰি মুৰ আফলিয়াই আছে, ভিক্ষা লাগে। আনন্দত জঁপিয়াই উঠিব খোজা মনটো দমি থাকে। কিন্তু যেতিয়াই সাগৰ দেখা হয়, পৃথিবীৰ একো ভাব চিন্তাই তোমাক বান্ধি ৰাখিব নোৱাৰে,—তাৰ বিশাল বুকুলৈ লৰি যাবৰ মন যায়। মোৰ লগত পাওঁতা আৰু এই 'মোমাই'-ভদ্ৰ লোকজন নথকা হলে মই নিশ্চয় লৰি গলো হয়। তথাপি খোজ থৰ কৰিলো। পাৰ গৈ পোৱাত পাওঁতাই সাৱধান কৰি দিলে যে নতুন মানুহ মই তেনেকৈ ঢাপলি পিতি যাব নালাগে। সাৱধানৰ মৰণ নাই সঁচা—কিন্তু অসাৱধানতাৰ মৰণো সেই আনন্দৰ মাজত বেয়া নালাগিল হয়। পাৰ গৈ পায়ে আমি ৰলো। ঢৌ অহাৰ আগতে পাৰত বহি কেনেকৈ মাটিত থামোচ মাৰি বহি থাকিব লাগে আৰু ঢৌৱে আহি আমাক কেনেকৈ তৰতে ঢৌৱাই নিব আৰু তাৰ পিছত আমি কেনেকৈ পিছৰ ফাললৈ মুৰ কৰি উঠিব লাগে পাওঁতাই সেইবোৰ দেখুৱাই দিলে। মোমাইজন তেনেকৈয়ে বহিল, মোৰ তেনেকৈ বহিবলৈ লাজ লাগিল। চকুৰ আগতে কেতবোৰ মানুহে সাগৰত নামি গা ধুইছে আৰু মই পঁচিশ বছৰীয়া ডেকাজনে তেনেকৈ গা ধুম,—মই নিজৰ মনতে লাজ পালোঁ। কিন্তু ভদ্ৰলোকজনে যেতিয়া কলে "বোপাই, মই অকলে বহিবলৈ ভয় কৰিম" তেতিয়া মই অলপ লজ্জিত হৈয়ে তেখেতৰ কাষত বহিলো আৰু নিৰুপদ্ৰৱ সমুদ্ৰ-স্নান সমাধা কৰিলো। তাৰ পিছতে

জগন্নাথ মন্দিৰলৈ বুলি খোজ ললে। ইয়াত ধৰ্ম্ম সম্বন্ধীয় যি কাম কৰিলো তোমাক কোৱাৰ আৱশ্যক বিবেচনা নকৰিলো। তুমি তোমাৰ পৰিণত বয়সত যেতিয়া তোমাৰ ভকতৰ লগত ইয়ালৈ আহিবা তেতিয়া সেই সকলো বিনা আয়াসে আয়ত্ব কৰিব পাৰিবা।

দুপৰীয়া খোৱা-বোৱাৰ পিছত মই অলপ উচপিচকৈ আছো, মোমাইজনে সুধিলে—"বোপা নোশোৱা নে? নিশাও বেলত ভাল টোপনি হোৱা নাই।" মই কলো—"আপুনি শোৱক। মই সাগৰৰ দাঁতিৰ পৰা অলপ ফুৰি আহোঁগৈ"। তেখেতে কলে—"নিচিনা নজনা ঠাই অকলে বেছিকৈ নুফুৰিবা; তাতে দেখিছাই নহয় সাগৰৰ পাৰখনত কেনে বেমাৰীবোৰ। ডাক্তৰী পঢ়া ল'ৰা * * * ইত্যাদি।"

কথা কৈ থাকোঁতেই তেখেতৰ লাহে লাহে টোপনি আহিল আৰু বাহিৰৰ পৰা দুৱাৰ জপাই মই ওলালো। সাগৰ মুখে লৰিলো, ইবেলি মোক কিহে ৰাখে? কি ধুনীয়া সাগৰখন, কি চলচলীয়া তাৰ বুকুখন! পাৰত গৈ থিয় দিলো। ওপৰত নিৰ্ম্মল আকাশ, সন্মুখত অনন্ত বাৰিধি, কোনো জনপ্ৰাণী নাই। ঠাচ্ ঠাচকৈ ঢৌবোৰৰ শব্দ হৰ ধৰিছে। এই ঢৌবোৰ ওপৰলৈ উঠিছে, এই কোব খাইছে, এই ফাটিছে, এই পানীবোৰ হুৰহুৰকৈ তললৈ পৰিছে,—কি চিত্ৰ, কি সৌন্দৰ্য্য! মোৰ হাত চাপাৰ বজাই নাচিবৰ ইচ্ছা হৈছিল।—"একি কলৰৱ, একি মা হৰ্ষ!" মোৰ মনৰ ওপৰেদি যে কিমানবাৰ বগাই গৈছিল তাৰ অন্ত নাই। সেই আনন্দৰ সীমা ক'ত, পৰিধি ক'ত?



আনন্দ বুজাবলৈ ভাষা ক'ত? কি কৰোঁ, কিমান নাচিম, কিমান জঁপিয়াম, কিমান কবিতা গাম—অনন্ত যে তাল!—সেই তালৰ লগত মিলাবলৈ ইমান গান ক'ত, গীত ক'ত, মানৱমনৰ ক্ষমতা ক'ত? স্তব্ধ হৈ থিয় দিলো। চকুৰে যিমান দূৰলৈ মনিব পাৰোঁ—সুনীল জলধি। কিহে কথা কয়, কিহে মোক মাতে? কাৰ চিৰ-অব্যক্ত বেদনাৰাশি আজি মোৰ হৃদি-কুহৰত এনে মধুস্ৰাৱী ভাষাত কোনে ঢালি দিছে? কল্পনা? নহয়, বাস্তৱ সত্য। অনুভূত জলন্ত সত্য। চিৰদীপ্ত চিত্ৰাঙ্কিত সুমহান সত্য।

তুমি চাগে অধৈৰ্য্য হৈ কবা—"আপোনাৰ প্ৰগল্‌ভতাত মই বিচূৰ্ত্তি খাইছো।" মই সেইটো বুজিব পাৰিছো। তোমাৰ ভাগখিনি কোৱা নাই, সেয়ে তুমি আমনি পাইছা। তুমি মোৰ লগত আছিলা, সমুদ্ৰ-ধৌত মোৰ মানস মন্দিৰত তুমিও আছিলা,—ক'ত আছিলা, প্ৰশস্ত বেদীত—নে বেৰৰ চুকত এতিয়া কবৰ হোৱা নাই এথোন। মোৰ মনোমন্দিৰৰ দুৱাৰ খিৰিকিবোৰ কাৰাকপ মৰা বন্ধ নাছিল,—যদি এই আনন্দৰ বহল এছাতি বতাহ তোমাৰ ভিতৰলৈ যায় জানিবা তুমি বহল কানোবা ঠাইত আছিলা, আৰু যদি কাণৰ কাষেৰে সুৰ সুৰকৈ যায় কৰবাত চুকত লুকাই আছিলা, নহয় জানো?

আবেলি গলো, গধূলি আকৌ সাগৰৰ পাৰত ওলালোহি। পূৰ্ণিমাৰ জোন বেলি থাকোঁতেই ওলাইছে, গধূলি তাৰ সম্পূৰ্ণ জ্যোতি সাগৰৰ বুকত পৰি গোটেই বিশ্বভুবন সোণালী হৈ পৰিছিল, পানী জিলিকিছে জোনৰ পোহৰত, পাৰ জিলিকিছে পানীৰ পোহৰত। মই অকলে



থিয় দি আছিলো, তোমাৰ হাতখনত ধৰি থিয় দি থকা হলে, তোমাৰ কান্ধৰ পৰা পিছলি যাব খোজা চেলেঙখন বাওঁহাতেৰে তুলি, সোঁহাতেৰে তোমাৰ কপালত আলি হৈ পৰা চুলি কেডালি তুলি দিবলৈ পোৱা হলে? "ৰব" বুলি তুমি সকলো পাহৰি সাগৰলৈ চোৱাৰ ভাও জুৰিলে —"মেঘ উঠিছে এতিয়া যাওঁ বলা, সাগৰৰ পাৰৰ বৰষুণ সৰসৰাই আহিব"—এই বুলি তোমাক মাতিলে তেতিয়াৰ তোমাৰ দ্বিধাসনা চাৱনিটো দেখিবলৈ মনোৰম হল হয়।

পিছ দিনাখন নিশ্চিন্ত হৈ সাগৰত নামি গা ধুলো। তুমি থকা হলে ভয় পালা হয়, মোক পানীত নামিবলৈকে নিদিলা হয় কিজানি। মই তোমাক পানীলৈ টানি গজ-কচ্ছপৰ সৰু এটা অভিনয় কৰিব পাৰিলো হয়। পাৰত তেতিয়া বহুত যাত্ৰী; বহুত মানুহ, মনত পৰাৰ ভিতৰত মুখ্যতমা তুমিয়ে নাছিলা।

এই চিঠিত আৰু অইন কথা কবৰ মন নাই। আমাৰ পৰীক্ষা নৱেম্বৰত। তোমালোকৰ কলেজ বোধ হয় অক্টোবৰত বহিব। পৰীক্ষা শেষ কৰি যদি পাৰোঁ এবাৰ দেখা কৰিম। আশা কৰোঁ নতুনকৈ অনুমতি লব নালাগিব। মোৰ বাকচৰ তলিত সাগৰৰ শামুক এডোখৰ আনি তোমালৈ পেলাই ৰাখিলো। শামুকৰ খোলা হলেও ধুনীয়া, কুটুকাকুটুকিবোৰ মচিব নোৱাৰা।

আনন্দৰ স্মৃতিৰে সৈতে। ইতি

তোমাৰ—

প্ৰকাশ




( ১২ )

কলিকতা

.....................


অলকা,

আজি মোৰ পৰীক্ষা শেষ হল। বোধ হয় ইয়াতেই ছাত্ৰজীৱনৰো শেষ। জীৱনৰ শেষ বুলিলেও বোধ হয় বঢ়াই কোৱা নহয়। হামিয়ে হিকতিয়ে আগুৰি ধৰিছে। টোপনিয়ে চকু টানি নিয়ে, হাতৰ পৰা কলম স্নলকি পৰিব খোজে। এনে এটা বিবশ অৱস্থাত তোমালৈ কিয় লিখিবলৈ লৈছো, এটা প্ৰশ্ন উঠিব পাৰে। অতি উজু কাম বুলিয়ে হাতত লৈছো। মাকৰ যেতিয়া টোপনি ধৰে, ল'ৰাটোক বুকত হেঁচা মাৰি লৈয়ে টোপনি যায়,—মুখ পিয়াহতে লাগক বা আন কৰবাতে লাগক, বুকু ঢকাই থাকক বা মুকলিয়ে থাকক। মাকৰ সহজ বিশ্বাস ল'ৰাই বিচাৰি লব, আৰু লয়ও। তুমিও জানা মোৰ ক'ত কি আছে,—সেয়ে চেষ্টা কৰি জনাবলৈ উদ্যোগ নাই।

মই কালিলৈকে কিজানি ঘৰলৈ যাম, ইয়াত থাকি আৰু ভাল লগা নাই। কলিকতা চহৰখনৰ ওপৰত মোৰ অভিযোগেৰে ভৰাই দিব পাৰোঁ, কিন্তু লিখিবলৈ উৎসাহ নাই। যিমানে বেয়া নাপাওঁ, বদনাম নকৰোঁ,—মোৰ অন্তৰৰ কোনোবা এটা চুকত এই মহা নগৰীখনলৈ



৩



শ্ৰদ্ধাৰ অঞ্জলি এফেৰিও লুকাই আছে। আজি সেয়ে যেন উজাৰ খাই উঠিছে। ইয়াত ইমান মানুহৰ বাস, কৰ্ম্মক্ষেত্ৰ, ইমানবোৰ অন্তৰৰ নিত্য-নৈমিত্তিক আলোড়ন, কিমান আশা-নিৰাশাৰ হেন্দোলনি! সকলো মানুহে পতা। এই সকলোবোৰকে মোৰ অন্তৰে আজি বিদায়ৰ শেষ বাণী নিবেদন কৰিব খোজে। মই যোৱাও যেন এটা 'তাৰকাৰ আত্মহত্যা'। মই যেন এই জ্যোতিঃপুঞ্জৰে কোনোবা এডুখৰি অন্ধকাৰ ঠাই জুৰি আছিলো, আজি মোৰ সময় হৈ আহিল। মই ইয়াৰ পৰা ক্ষিপ্ত হৈ যাম, চিৰকাললৈ। কোনোবা অনন্তৰ মাজেদি গৈ ক'তবাত পৰিম গৈ। আৰু ঘূৰি নাহোঁ,—সাগৰত দলি এটা মৰাৰ দৰে। মই শুনাকৈহে টুপুককৈ উঠিব, তাৰ পিছত কোন দূৰ অনন্তত কোন অপৰিচিত বালিকণাৰে সৈতে মিহলি হৈ যাব। ময়ো তেনেকৈ সাগৰৰ নতুন তলি বিচাৰি ওলালো।

যি সকল ৰোগীক ইমান দিনে লৰাচৰাকৈ আছিলো, যাৰ ওচৰলৈ যাবলৈ মাজে মাজে ঘৃণা, দ্বিধা আনকি সময়ত অনিচ্ছাও প্ৰকাশ কৰিছিলো আজি যেন সেই সকলে মোক টানকৈ ধৰিছে, স্নেহেৰে কৈছে "নাযাবা"। কবৰ মন যায়—আহোঁগৈ, মনে কয় "আৰু ঘূৰি নাহিবা"। যি সকল সহকৰ্ম্মী, পৰিচাৰিকা, আনকি হাস্পাতালৰ কুলি মালী, সিহঁতেও মোৰ অন্তৰৰ ইমানখিনি ঠাই অধিকাৰ কৰি আছে এই কথা মই কেতিয়াও জনা নাছিলো, গমকে ধৰিব পৰা নাছিলো। ৰুগ্ন শিশুবোৰ, সিহঁতেও যেন মোৰ আগত আহি আজি আবেদন তুলি ধৰিছে—'আপুনি নাযাব'। যি সকলে মোৰ আগতে হাস্পাতালৰ বিছনাতে চিৰ নিদ্ৰাত চকু



মুদিছে, সেই সকলেও যেন কয়—"এই যে আপোনাৰ কৰ্ম্মভূমি। আমালৈ আপোনাৰ মনত পৰে নে?" "পৰে, সকলোলৈকে মনত পৰে"—মই বিনম্ৰভাৱে কওঁ। মই যাম কালিলৈ। পোনতে ঘৰলৈ যাম, তাৰ পিছত যি হয়।

এইখন চিঠিত তোমাৰ চিঠিৰ বিশেষ উত্তৰ দিয়া নহল। মনৰ অৱস্থা ভাল নহয়, বুজিবই পাৰিছা। পাৰিলে ঘৰৰ পৰা মই এখন তোমালৈ চিঠি দিম, এইখনৰ পূৰক হিচাপে। তোমাৰ পঢ়াশুনা কেনে ধৰণৰ হৈছে তোমাৰ চিঠিবোৰৰ পৰা একো বুজিব পৰা নাই। মই অভিভাৱক হব খোজা নাই দেই, কিন্তু তোমাৰ মনৰ আলেখ্যটো চাই থাকিবলৈ সদায় মোৰ এটা আগ্ৰহ, সেই কাৰণেহে এনেবোৰ প্ৰশ্ন সোধোঁ। বেয়া পোৱা যদি কৈ দিবা। মই কামত ওলাওঁ দেই। ইতি

তোমাৰ—
প্ৰকাশ



( ১৩ )

বেলশৰ

.....................

অলকা,

ঘৰ আহি পোৱাত কি কৰোঁ কি নকৰোঁ এইবোৰ উদ্বেগৰ শাম কাটি গৈছে। পৰীক্ষাৰ ফলাফল জানিবলৈ কেতিয়াবা কেতিয়াবা ব্যাকুল হৈ উঠোঁ। প্ৰেকৃটিকেলবোৰত পাছ কৰা বাতৰি পায়ে আহিছো, লিখা কাকত কেইখন সম্বন্ধে কেতিয়াবা সন্দেহ আছে। ঠেলাঠুলাত পাৰ হৈ যাম বুলিয়ে ভাবি আছো। নিজৰ যোগ্যতালৈ ভাবিলে ডিগ্ৰীটো লবলৈ ভয় লাগে, আৰু ভয় লাগে এই কাৰণে যে এইটোকে কিজানি মানুহ মাৰিবৰ অধিকাৰ পোৱা 'বেজ' স্বৰূপে ব্যৱহাৰ কৰোঁ ? ডিগ্ৰীটোৰ অৰ্থলৈ চালে নিজক ক্ষমা কৰিব পাৰি ; 'বেচেলৰ অব মেডিছন'—'বেচেলৰ' বুলিলেই বুজিব লাগিব যে অভিজ্ঞতা সৰহীয়া নহয়,—ভৱিষ্যতলৈ পূৰ্ণতা পোৱাৰ আশাত বৈ আছে, নে কি কোৱা ?

তোমাৰ কেখনমান চিঠি আকৌ ঘূৰাই পঢ়িলো। পৰীক্ষাৰ আগতে এইবোৰ মোকোৱা মাৰি সুমাইহে থৈছিলো,—এতিয়া তাকেই পাগু-লিলোঁ বুলিব পাৰা। এতিয়া মোৰ ধাৰণা হৈছে যে তোমাৰ মন যেন কিছুমান দিনৰ পৰা বৰ সুখী নহয়। ঘৰ এৰি আহি বাহিৰত তিমান আদৰ যত্ন নোপোৱা জনা কথা। তোমাৰ লগৰীয়াসকল তোমাৰ ভাই-ভনী নহয় যে তেওঁলোকে তোমাক তেনেকৈয়ে চাব।



সকলোৱে বাটৰ লগৰীয়া, তাৰে মাজতে দুই এজন স্থায়ী বন্ধু পাবও পাৰা, নাপাবও পাৰা। মই তোমালৈ উদাসীন হোৱা বুলি ভাবিছা কিয়? মই তোমালৈ বেছি অনুৰক্তি প্ৰকাশ কৰিব নোৱাৰোঁ দুটা কাৰণত। প্ৰথম কাৰণ,—তুমি বাঢ়নীয়া ছোৱালী, তোমাৰ গাত মোৰ জড়তাৰ বা কল্পনাৰ বা থবা কামনাৰে, সকলো হেঁচা দি তোমাক বাওনা কৰিব নোখোজোঁ। পোনতে হয়তো মোৰ ভাৱ-নিক্ষেপ তুমি ভালেই পাবা, কিন্তু সেয়ে তোমাৰ ভাৱ-কেন্দ্ৰ লৰাব পাৰে। দ্বিতীয়তে মই ৰাট্‌লেজ-পন্থী,—I always look for fresh heights. ওথ পৰ্ব্বতৰ টিঙে মোক যিমান আনন্দ দিয়ে জুৰিয়ে নিদিয়ে।

তুমি মোৰ, মই তোমাৰ ইত্যাদিবোৰ সৰুকথা। সৰুতে এটা বঙলা গান শুনিছিলো—

"দাদা কেবা কাৰ,
কে কাৰ আপন, কেবা পৰ।"

ভাবটো অলপ সন্তীয়া যেন দেখিব পাৰা, কিন্তু সঁচা নহয় নে? আমি পৰস্পৰে সাৱটাসাৱটি কৰি জগতখন পাহৰি—কিমান সময় থাকিব পাৰোঁ? কাল-পছোৱাই কিমান দিন সুকলমে এৰে? মই দুঃখবাদী নহওঁ, কিন্তু চকু দূৰলৈ ফুৰালে কিবা দোষ আছে নে? সেই কাৰণেই আমাৰ খোজবোৰ দৃঢ় কৰাৰ মই পক্ষপাতী। যদি ভাগ্যচক্ৰত এনে হয় যে আমি দুইজনেই এটা দীঘল বাটৰ বাটৰুৱা হওঁ,—আমি অকল খোজ মিলালেই চলিব নে? বাটও জানিব লাগিব, বাটৰ সম্বলও লগত থাকিব লাগিব! মই একো গধুৰ কথা লিখিব খোজা নাছিলো,



কিন্তু তুমি ব্যথিতা বুলি জানিয়ে বোধ হয় মোৰ কোনোবা অপৰিচিত ঠাইৰ পৰা তোমালৈ এনেবোৰ কথা ওলাইছে। যদি মোৰ নিশ্বাসৰ ছাটি তোমাৰ গাত পৰিলেহে মই তোমাৰ লগত থকা বুলি ভাবা, মোৰ প্ৰত্যেক নিশ্বাস নহয় সেই উদ্দেশ্যত এৰিম, কিন্তু সেই ভাপথিনি যেন বিষাক্ত নহয় সেইটোও মই চাব লাগিব, নহয় জানো? বাৰু, এৰা সেইবোৰ।

মই এতিয়া কি কৰিছো, সুধিছা? পৰীক্ষা পাছ কৰাৰ পিছত আৰু কি কাম থাকে? বিয়াৰ কথা ভাবিছো। তুমি যদি ভাবা যে তোমাৰ বিয়াখনহে আগতে হোৱা ভাল, স্পষ্টকৈ লিখিবা। আইৰ গা বৰ ভাল নহয়। মানুহে নৰিয়াপাৰি চাবলৈ মাতে, যাওঁ, কিন্তু এই দেশত দৰৱপাতি পাবলৈ নাই। কিজানি কবিৰাজী শিকি অহা হলেহে ভাল আছিল, দৰৱ ঘৰতে কৰি ৰোগীবোৰক দিব পাৰিলো হয়। আমাৰ গাৱঁৰ পৰা সাত মাইল দূৰত এখন ডাক্তৰখানা। নৰিয়া বৰ টান হলেহে মানুহে ডাক্তৰ আনিবলৈ যায়, সৰহ টকা পালেহে ডাক্তৰ আহে আৰু ডাক্তৰ আহি পোৱাৰ আগতে সৰহভাগ ক্ষেত্ৰতে ৰোগী মৰে। ভাৰতীয়ৰ আকৌ প্ৰাণ? তাতে দুখীয়াৰ! লিভিং ট্ৰেজিডি!

তোমাৰ সৰু ভাইটিৰ কথা বৰকৈ মনত পৰিছে। মোৰো এটি ভাই আছিল, কেতিয়াবা তালৈকো মনত পৰে। 'মনত পৰে' কথাষাৰ বেয়া। মই আছো দেই। অলপ অকলশৰীয়া যেন লাগিছে, কিয় জানো? ইতি

তোমাৰ—

প্ৰকাশ



( ১৪ )

বিশ্বনাথ ঘাট

.....................

অলকা,

মই গৱৰ্ণমেণ্টৰ চাকৰি ললোঁ, তোমাক জনাবৰ নহল। জনাবলৈ আহৰি নাপালোঁ। দৰ্খাস্ত কৰিয়ে চাকৰি নাপাম বুলি জনোৱা নাছিলোঁ, পোৱাৰ পিছত কামত ভৰ্ত্তি হবলৈ খৰখেদাকৈ আহিলো, গুৱাহাটীত সোমাব নোৱাৰিলো। সৌভাগ্য নে দুৰ্ভাগ্য, তোমালোকৰ অঞ্চলতে মোৰ কাম পৰিল। মই ইয়ালৈ অহা বাতৰি—তুমি পালে পাবও পাবা, কিয়নো তোমাৰ দেউতাৰাৰ লগত দেখা হবৰ আজি পোন্ধৰ কুৰি দিনমান হল। তামালোকৰ ঘৰলৈকো গৈছিলো, সিদিনাখন বাই-দেউবাও আহিছিল, মাবা আৰু তোমাৰ ভাইটিৰ লগতো কথা বতৰা হলো। কেৰ্কেট্টা পোৱালী নিদিয়াৰ বাবে ভাইটিয়ে মোক নিন্দা কৰিছে। তোমৰ সৰু ভাগিন ল'ৰাটো দেখিবলৈ ধুনীয়া হৈছে, মোৰ হলে মন থাইছেতোৰ বায়েকৰ লগতহে। চাৰি বছৰীয়া ছোৱালীজনী



কেনে বুদ্ধিমতী ! হব মৰম লগা ছোৱালীজনী। মোৰ এটা হব থকা হলে তাইক মাজে মাজে নি মোৰ লগত ৰাখিলো হয়, মফস্বলত কম দিন থাকিব লগীয়া হলেও কিজানি কেদিনমান আনি ৰাখিলো হয়। বাইদেউৰাই মাতিছে তেখেতসকলৰ তালৈ যাবলৈ, কিন্তু সময়কে কৰিব পৰা নাই।

দেউতাৰাই মোক তোমাৰ বিষয়ে ছুবাৰ এবাৰ কথা কৈছিল, মই অত্যন্ত আৱশ্যকীয়ত বাহিৰে বেছি উত্তৰ দিয়া নাছিলো। 'আই-এ' পাছ কৰায়ে কলেজ এৰুৱাব নে 'বি-এ'ও পঢ়ুৱাব সেইটোৰে প্ৰথমতে সুধিছিল। মই কি কৈছো তুমি বুজিছাই। তাৰ পিছত লাহেকৈ কলে যে ক্ষিতীনৰ দেউতাকে হেনো কৈছে যে পুতেকে এতিয়া কামত নিগাজী হৈছে, বিয়া পাতিলে সোনকালে পতাই ভাল, কেবা ঠাইৰো পৰা হেনো নানাজনী পাত্ৰীৰ প্ৰস্তাৱ আহিছে। মোক সুধিলে—মোৰ কি মত। মই কলো যে সেই বিষয়ত আপোনালোকে যেনে ভাল দেখে তেনে কৰাই ভাল। তোমাৰ পঢ়িবলৈ ইচ্ছা আছে বুলি কৰৰ মন গৈছিল, পিছত ওকালতি কৰা হয় বুলি নকলো। তোমাৰ মনৰ ভাব আদি কিবা মই বুজোঁ নে সুধিলে,—সেইবোৰ বৰং আপোনাৰ ছোৱালীক সুধিব বুলি মই অলপ পাতলাবলৈ চেষ্টা কৰিছিলো। তোমাৰ দেউতাৰাই তিমানতো সন্তুষ্ট নহৈ মোৰ বিষয়েও ছুই-চাৰিটা প্ৰশ্ন সুধিলে। মোক নিচুকনি পুৰস্কাৰ দিবলৈ নে আন কিবা কাৰণত সেইটো মই ধৰিব নোৱাৰিলো। এইবোৰ কথা ৰবণ সলাই তোমাৰ কাণত কেতিয়াবা পৰে বুলিহে আগধৰি জনাই থলো। ক্ষিতীন



ইঞ্জিনিয়াৰ গ্ৰেডত কনফাৰ্মড্ হৈছে, ভাল গ্ৰেড। ডিগবই ঠাইও বেয়া নহয়।

তোমালোক ঘৰলৈ আহিলে মে' নে জুন মাহতহে আহিবা? তোমাক এবাৰ লগ পাবলৈ ইচ্ছা গৈছে। কলেজত পঢ়ি চাগৈ ধুনীয়াটী হৈছা,—কপৌ নে দল-পোঁৱা নে ধুপুনী চৰাইটীৰ দৰে হৈছা? বহুতে হেনো তাত আগৰ খোজ পাহৰি নতুন খোজ ধৰে আৰু ঘৰচিৰিকাৰ দৰে জঁপিয়াই জঁপিয়াই খোজ কাঢ়ে? তোমালোকৰ ৰুমালৰ গোন্ধত চাগৈ গুৱাহাটীৰ খোলা নালাৰ ঠাইবোৰ মলমলাই গৈছে। কলেজৰ ল'ৰাবোৰক চাগৈ আগতকৈ পৰিস্কাৰ চোলা পিন্ধাইছা তোমালোকে। হাতেৰে পিন্ধোৱা নহয় অৱশ্যে, তোমালোকেই তাৰ হেতু হৈছা। কামিজৰ হাতবোৰ কোঁচাই লৈ হাতঘড়ীটো সুস্পষ্টকৈ উলিয়াই লৈ কলেজৰ ঘণ্টা পৰা স্বত্বেও তোমালোকৰ পাছে পাছে তেওঁলোকে ধীৰ খোজত ইটো ব্লকৰ পৰা সিটো ব্লকলৈ আহোঁতে, কাৰো কাৰো হাতত বা ছাইকেল থকা স্বত্বেও, নিৰ্ব্বিঘ্নে দহোটা মিনিট সময় কটাই দিছে? হাইতালৰ জাক এটা শূন্যত ওপঙি অহাৰ দৰে তোমালোকেও এওঁলোকৰ এড্মিৰেছনৰ আকাশ ছানি ধীৰে ধীৰে আহি ক্লাছত সোমাই ৰৈ থকা ডেকা প্ৰফেছৰসকলক প্ৰফুল্ল কৰিছা আৰু বুঢ়াসকলক অবাধ্য আঁচলৰ পতাকাৰে অনিচ্ছাতো জাননী দিছা যে পুৰণি মৰি নতুন আহিল,—'নতুন-অৰ্ডাৰ'ৰ প্ৰতিষ্ঠা হবৰ হল।

মই এতিয়া কালাজ্বৰ ডিউটিত। ৰোগীবোৰ সৰহ ভাগেই বাগিছাৰ বনুৱা। অসমীয়া গাৱঁলীয়া মানুহো আছে। কামৰ সময়ত ধেমালি



কৰিবৰ আজৰি নাই, আহৰি সময়ত কথা পাতিবৰ লগ নাই, সেই কাৰণেই তোমালৈ দুৰাৰ পাতল কথা লিখিলো। ইয়াৰ দ্বাৰাই তোমাৰ সঙ্গীনীসকলক উপহাস কৰিব খোজা নাই, আমাৰ দেশৰ ডেকা ল'ৰাসকলক অনাস্থা জনোৱা নাই। এইবোৰ কেৱল ছাইড্-লাইট। মই কেতিয়াবা তোমালৈ আমি এৰি অহা হাস্পাতালৰ বুৰঞ্জীৰ পৰা দুই এটা চিত্ৰ পঠিয়াম। তেতিয়া বুজিবা জীৱনত দুখে সুখে হাঁহিব পৰা শক্তিটোৱে কেনেকৈ মানৱমনক পেৰালিছিছৰ হাতৰ পৰা দূৰত ৰাখিছে।

মৰম লবা। কিন্তু জানো, এটা ছমুনিয়াহ আছে। তুমি বেজাৰ নকৰিবা।

মই কালিলৈ মফস্বললৈ যাম। চিঠি এই ঠিকনাতে দিবা। আহিয়ে পামহি। পঢ়িবা। ইতি

তোমাৰ—
**প্ৰকাশ**



( ১৫ )

বিশ্বনাথ

................

অলকা,

তোমাৰ চিঠি পাই বৰ আশ্বাস পালো। তুমি ইমান থাতাংকৈ অলপ কথাতে দেউতাৰাক এনেকৈ সমিধান দিব পাৰিবা বুলি মই ভাবিব পৰা নাছিলো। তোমাক ধন্যবাদ দিম নে? কাৰ 'তৰফৰ' পৰা? এটা কথা কিন্তু, তুমি ইয়াৰ দ্বাৰাই ভবিষ্যতলৈ ডাঙৰ বিপদো আহ্বান কৰিব পাৰা। এই আনন্দৰ সময়ত জ্ঞানী হবৰ সময় নাই। মোৰ চকুত চকুলোৰ যি ডাঙৰ টোপালটো পৰোঁ পৰোঁ হৈ বৈ আছিল তোমাৰ চিঠি পঢ়াৰ লগে লগে আনন্দৰ শিহৰণত হয় চকুৱে পুনৰ তাক টানি ললে, নহয় বাষ্প হৈ ব্যথিতৰ সন্ধানত উৰি গল।

ধুনীয়া ছোৱালী! হাস্পাতালৰ কথা তোমাক কব লাগে? নকওঁ, তোমাক এতিয়াও সাধু কবৰ সময় আছে নে? বুঢ়ী হৈছা। যদি কওঁ কেতিয়াবা মোৰ ধৈণীক কম। মই দুখ ভাগৰত আহি বিছনাত কাটি হৈ শুম, তেওঁ কাষতে বহি—( চকিত বা মুঢ়াত বহিব অৱশ্যে,



আজিকালিৰ ছোৱালীবোৰে বিছনাত নবহে ) যেতিয়া মূল্য বঢ়াবলৈ কব— "মই যাওঁ গৈ," মই আদৰ কৰি কম—"শুনা, শুনা,—এটা কথা আছে।" "আপোনাৰ সদায় শুনা, শুনা,—কথা হলে একো নাই"—তেওঁ গপতে কব। "বুজিছা, হাস্পাতালত এজনী ছোৱালী আছিল,—ধুনীয়া"—মই আৰম্ভ কৰিম। অজানিতে তেওঁৰ হৃদয়তন্ত্ৰীত ঈৰ্ষ্যাৰ আঘাত পৰিব। "আপোনাৰ ওচৰত সকলো ছোৱালীয়ে ধুনীয়া হয়"—এই বুলি তেওঁ ঠাট্টা কৰিবলৈ চেষ্টা কৰিব। "ভোকত সকলো খাদ্যই সোৱাদ"—এই বুলি কবলৈহে পাম, তেওঁ চকিত নিগাজী হব। তুমি কব পাৰা,— আপোনাৰ ঘৈণীয়েকৰ কথা মোক লাগিছে কেলেই? লাগিব পাৰে, কথা আছে। তোমাক ঠাট্টা কৰোঁ। কিয়, তুমি ভাল বুলিয়ে ইমানবোৰ সুবিধা লৈছো।

বাৰু, কলেজৰ কথা পাতোঁ। আমাৰ দিনৰ নিচিনাকৈ তোমা-লোকৰ এতিয়া কলেজত টিউট'ৰিয়েল আছে নে? মাহিলী পৰীক্ষা? মাহিলীৰ কাৰণে আমি জুৰুলা হৈছিলো। টিউট'ৰিয়েলবোৰ আছিল অধ্যাপকসকলৰ কথা পতা ক্লাছ। বহুত সময়ত তেওঁলোকক নিচেই ওচৰত পোৱা গৈছিল। মাহিলী পৰীক্ষাই হলে বহুত ভাল ল'ৰাকো অনিয়মীয়া হলে সৰ্ব্বনাশ কৰিছিল। অৱশ্যে সৰ্ব্বসাধাৰণক নিয়মীয়া হোৱাত সহায় কৰিছিল। আজিকালি সময়ৰ যেনেকৈ পৰিবৰ্ত্তন হৈছে তাতে তোমালোকৰ আগমনত এইবোৰ হাঁহাকাৰ কলেজ-জগতৰ পৰা উঠি যাব পায়, যদি যোৱাও নাই যাব, মই ইয়াৰ পৰাই কৈছো।




আজি অকস্মাৎ মোৰ মনত খেলাল তোমালৈ এটা উপহাৰ পঠিওৱাৰ কথা। মই এতিয়া অলপ টকা পাওঁ, বোধ হয় কিবা কিনিও পঠিয়াব পাৰিলো হয়। এজনী গাৰ্লীয়া তিৰোতাই পুতেকৰ নৰিয়া ভাল হোৱাত মোক এখন বিহা উপহাৰ দিবলৈ আহিছিল, মোৰ ঘৰত ঘৈণী নথকা শুনি বেচেৰী হতাশ হল। ঘৈণী ঘৰলৈ আহিব বুলি তাইক আশ্বাস দিলো। তেতিয়া তাই বিহাখন এৰি যাব খুজিলে, মই বাধা নিদিলো। মোৰ ইয়াতে ৰাখি কি কৰিম, পোকে কুটিব। মাতৃৰ মনৰ পৱিত্ৰতা আৰু স্নেহ তুমিয়ে মোতকৈ ভালকৈ বুজিবা। সেই কাৰণে তোমালৈ এই সৰু উপহাৰটি আগবঢ়ালো—মাকৰ মনৰ আনন্দ আৰু কৃতজ্ঞতা-সনা।

গাওঁবোৰত ফুৰি বেয়া লগা নাই—মানুহবোৰৰ অন্তৰবোৰলৈ চাই। অৱস্থালৈ চালে দুখ লাগে! দুখ ভাগৰত টান পোৱা যায়,—ভাল লাগে কাৰবালৈ মনত পৰিলে। ভাল দেই। ইতি

তোমাৰ—

**প্ৰকাশ**



( ১৬ )

বিশ্বনাথ

.....................

অলকা,

যিমানে আগবাঢ়িবলৈ চেষ্টা কৰিছো তিমানে যেন পিছলি গৈছো। মানসিক সংযোগ যেন ক্ৰমে শিথিল হৈ আহিছে। ই আকৌ কি নতুন অভিজ্ঞতা? কিছুমান কাম যে চেষ্টা কৰিও কৰিব নোৱাৰি এতিয়াহে মোৰ মনলৈ প্ৰথম বাৰলৈ আহিছে। ঘনিষ্ঠতাৰ প্ৰথম কেইটা খাপ বোধ হয় উঠিবলৈ উজু,—তাৰ পিছতে বাট কঠোৰ। আশা কৰোঁ মোৰ এইবোৰ বলিয়ালিয়ে তোমাক অকণো বিচলিত নকৰিব। আমাৰ দুয়োৰে বাহিৰে আনৰ কথা কবলৈ গলে বোধ হয় কথা ফুটিব।

মই ইয়াত এটা সৰু ঘৰ ভাড়ালৈ লৈছো। চহৰত ঠাই নিচেই ঠেক, সেই কাৰণে মোৰ বৰ ভাল নালাগে। মই থকা ঠাইখিনি অলপ ওখ, আহল বহল, চহৰৰ পৰা কিছু দূৰত। অকলশৰীয়া মানুহ দেখিয়ে নেকি হাবিৰ মাজত থাকিলেও মোৰ বেয়া নালাগে। মোৰ কোম্পাউণ্ডৰ কাষে কাষে বনৰীয়া ফুল কিছুমান আছিল, আদিতে বনৰীয়া নাথাকিবও পাৰে, কিন্তু অযত্নত সি প্ৰায় বনৰীয়া হৈ গৈছিল।



মোৰ চাকৰটো নেপালী,—দুয়ো ভাল মিলিছো। তাৰ হতুৱাই ফুলৰ কাষৰ হাবিবনবোৰ উঘালি দি ঠাই বুজি সাই সুই দিয়াত আগৰ অযত্নপালিতা কন্যাসকলৰ এতিয়া ৰূপৰ জেউতি চৰিছে। মোৰ পক্ষে এটা দুৰদৃষ্ট হৈছে,—মই যেতিয়া এই ফুলবোৰলৈ চাওঁ কিয় জানো বহুত কথা মনত পৰে, বহুত কল্পনাই মোক আগচি ধৰে। ফুলবোৰ যেতিয়া বতাহত লৰে তোমালৈ কিয় মনত পৰে? কি জানো কি ভাবত ৰ লাগি চাই থাকোঁ। মই মোৰ অন্তৰৰ ভাববোৰ বুজিব পৰা নাই। ভাব একো জটিল নহয়, কিন্তু এই দুটাৰ মাজত ( বুজিছাই নহয় কোন দুটা ) সাদৃশ্য কি সংযোগ কি তাকেহে বুজি পোৱা নাই।

মোৰ আজিও মনত পৰে তোমাক কলেজত পঢ়িবলৈ কেনেকৈ অনুবোধ কৰিছিলো। মোৰ দায়িত্বজ্ঞান লোপ পোৱা নাই যেন লাগে। কিন্তু তোমাক মোৰ সকলো কাম, সকলো চিন্তাধাৰাৰ মাজলৈ আনো কিয়? মই নিজকে বৰ অপৰাধী যেন পাইছো। মোৰ স্থিৰ বিচাৰবুদ্ধিয়ে কয়—"তেওঁ পঢ়ক, তুমি অলপ ক্ষান্ত হোৱা।" মোৰ ভিতৰত যে কিহে ক্ষান্ত নহয় মই ধৰিব পৰা নাই। মই তোমালৈ চিঠি লিখাকে বন্ধ কৰিব খোজোঁ। তেতিয়াও এটা সমস্যা আছে,—কিজানি তুমি এখন মোৰ পৰা চিঠি বিচৰা, মই নিজলৈ কঠোৰ হওঁতে তোমালৈও নিৰ্দ্দয় হৈ যাব পাৰোঁ। তুমি চিঠি নিবিচাৰিব পাৰা কিন্তু তেতিয়া মোৰ কিজানি অইন উপসৰ্গই দেখা দিয়ে। ভৰিৰ তলৰ মাটিখিনি টান পাইছো। ফুলনি পাতোঁ বুলি ভাবিছিলো তোমাকে পাহৰোঁ বুলি, কিন্তু সেই সঙ্কল্পৰ দেখিছো একো অৰ্থ নাই। কালিলৈ



এজনী গাই গৰু আনিম ধুনীয়া পোৱালী এটাৰে সৈতে। মোৰ ভাওাৰীটোৰ অতি আগ্ৰহ। ময়ো কিজানি পাহৰণিৰ অভ্যাসৰ বাবে নতুন এখন কৰ্ম্মক্ষেত্ৰ পাওঁ। কৃতকাৰ্য্য নহলেও নাহাঁহাহিবা।

এতিয়াই এটা খবৰ আহিছে, মই কালিলৈ গাৱঁলৈ ওলাম, কলেৰা-ডিউটিত। খবৰ যেনে ভাবে আহিছে নৰিয়াৰ প্ৰকোপ বোধ হয় বেছি। কিমান দিন বাহিৰত থাকিব লগীয়া হয় কব পৰা নাই। এনে ভতাতৈয়া কামৰ হেঁচাত পৰিলে কিছুদিনলৈ শান্তিত থাকোঁ। শান্তিৰ শীতল বা এতিয়া মোৰ ভাল নালাগে। বাহিৰত শীতল হলেও ভিতৰত পোৰণি তোলে। বাহিৰৰ সকলো ব্যৱধান আফলিয়াই ভাঙ্গি আমি যদি এদিনলৈও মুক্ত হব পাৰিলো হয়, কিজানি দুয়োকে দুয়ো কথা পাতি থাকোঁতে কোনোবা বা'মাবলিৰ বোকোচাতে উঠি নতুন কোনোবা সংসাৰত পৰিলোহেঁতেন গৈ য'ত আমাক কোনোৱে নিচিনে, আমিও কাৰো মাত কথা বুজি নাপাওঁ। তোমাৰ তেতিয়া অসুবিধাত পৰা হাঁহিটো মোৰ ভাল লাগিল হয়। ইতি

তোমাৰ—

**প্ৰকাশ**



( ১৭ )

বিশ্বনাথ

................

অলকা,

তোমাৰ চিঠি পাই মোৰ অলপ সজীৱতা আহিল। তুমি খং কৰি ভালকে কৰিছিলা। খং কৰা নিতান্ত আৱশ্যক। খিটখিটীয়া মেজাজৰ খংটোহে মোৰ ভাল নালাগে, গহীন গম্ভীৰ শান্ত মুখৰ খংটো মোৰ ভাল লাগে। কবিয়ে কি গাইছে জানো—

"হাঁয় অভিমানী মোৰ,
কোনে তোৰ ভাঙি অভিমান
চেনেহেৰে ধৰিব যোগান !"—নে কি ?

যোগান ধৰোঁতা মানুহ থাকিলে এইটো এটা marvellous hit !

তুমি যে কিয় কলেজত পঢ়িছা মই বুজি নাপাওঁ। একো আধুনিকতম বিষয় তোমাৰ চিঠিত লিখা নাথাকে। মই আজি কালিৰ যুগৰ ছোৱালী হোৱা হলে আৰু তোমাৰ নিচিনা ভেবাবাম ডেকাৰ দল মোৰ আৱাধক হোৱা হলে তুমি দেখিলা হয় মই কিস্তি মাৎ কৰি দিলো



হয়। কলেজৰ ডেস্কে ডেস্কে মোৰ নাম তোমালোকে কটাৰিৰে কাটি চিত্ৰবিচিত্ৰ কৰিলাহেঁতেন। মই ক্লাছত নোসোমোৱা৲ৈকে তোমালোকে থিয় হৈ থাকিলা হয় আৰু মই ওলাই নহালৈকে তোমালোকে নিজৰ নিজৰ ঠাইত মুচকচ্ হৈ থাকিলা হয়। বিধাতাৰ পৰিহাস,—মোক পঠিয়ালে চাইকেল মাৰি গাৱেঁ গাৱেঁ এই ৰ'দত বোকাই পানীয়ে ঘূৰি ফুৰিবলৈ!

মই যিমানে খুহুঁতীয়া কথা নিলিখোঁ কিয়, তোমাৰ মনটো যেন মৰা, মুখখন যেন মলিয়ন, এনে হেন লাগিছে কিয়? তোমাৰ চিঠিৰ আখৰে আখৰে আগৰ দৰে সৌন্দৰ্য্য বগাই থোৱা নেদেখোঁ কিয়? মই কেতিয়াবা কিবা আঘাত দিছো নেকি? নে মই ভয় কৰাৰ নিচিনাকৈ তোমাৰ মনেও মোৰ পৰা ফালৰি কাটি যাবলৈ বিচাৰিছে? বোধ হয় মুক্তি বিচাৰিছে। এইটো কিজানি বিধাতাৰে অভিপ্ৰায়? হুয়ো হুয়োকে পাহৰি যাওঁ, হুয়ো হুয়োৰে পৰা আতৰি যাওঁ,—কি কোৱা? এইটো মোৰ নিষ্ঠুৰতা বুলি নাভাবিবা। কল্পনাবিলাসো কিজানি নহয়।

আমি ওচৰা ওচৰি হৈ থকাৰ কিবা প্ৰতিক্ৰিয়া আছে নে? কিহে তোমাক ব্যথা দিছে? নে পঢ়া শুনাই ছোৱালীৰ মন সুস্থ নাৰাখে? কলেজত যিবোৰ শিকোৱা হয় সেইবোৰ শিৰা-উপশিৰাৰে গৈ ছোৱালীৰ মনত নতুন প্ৰাণ নানে নেকি? জীৱনৰ নতুন বিস্তীৰ্ণ কৰ্ম্মভূমি কলেজৰ শিক্ষাই ছোৱালীৰ আগত দাঙ্গি নধৰে নেকি। ল'ৰাবোৰে পাছ কৰিলে চাকৰি পায়, ইয়াকো এটা শিক্ষাৰ সাৰ্থকতা হিচাপে ধৰি লয়, তোমা-



লোকৰ মন এই বাটেৰে নুজায় নেকি ? চাকৰি খেম-খাটনি তোমালোকে বোধ হয় এইবোৰ ভাল নোপোৱা, আমাৰ দিনত ইংৰাজী জনা ছাত্ৰক সকলোৱে সমাদৰ কৰিছিল, বুদ্ধিবান বুলিছিল, আজি কালি নোবোলে নেকি ? তোমালোকৰ মাজত ইংৰাজী জনা ছাত্ৰীক বিদুষী বুলি জ্ঞান কৰা নে নকৰা ? কলেজৰ ভাল ছাত্ৰীয়ে পোৱা সন্মানে তোমাক মুগ্ধ নকৰে জানো ? মই একো বুজিব নোৱাৰিহে তোমাক এইবোৰ প্ৰশ্ন সুধিছো। নে পৰীক্ষাৰ বাবে কিতাপ পঢ়ি পঢ়ি জীৱনত আন একোতে আনন্দ নোপোৱাত পৰিছা ? তোমাৰ চিঠিবোৰ যেন অতৃপ্তিৰ বেৰ ভেদ কৰি সৌজন্যৰ মাজেৰে চুচৰি বাগৰি আহে, এনে যেন লাগে কিয় ? নে ময়ে জীৱনৰ সৌন্দৰ্য্যৰ বুজ ইমানকৈ হেৰুৱাইছো যে তোমাৰ চিঠিতো কিবা সন্দেহ মিহলাই পঢ়োঁ ? মই নিজে ধৰিব নোৱাৰাকৈ তোমাৰ গাত উদাসৰ চেঁচা পানী ঢালিছো নেকি ? মই বৰ সন্দিগ্ধ আৰু অশান্ত অৱস্থাত আছো। মোৰ অইন কামতো ইয়াৰ প্ৰভাৱ পৰিছে। তুমি উদাৰ প্ৰকৃতিৰ ছোৱালী, মোৰ প্ৰতি অলপ অনুকম্পা দেখুৱাবাচোন। মই বিমূঢ় হৈছো। আজি জনাইলে হলে অকল ব্যথা জনাব পাৰোঁ। ইতি

তোমাৰ—

**প্ৰকাশ**



( ১৮ )

**বিশ্বনাথ**

................

অলকা,

> “আজি এ প্ৰভাতে ৰবিৰ কৰ
> কেমনে পশিল প্ৰাণেৰ পৰ
> কেমনে পশিল গুহাৰ আঁধাৰে
> প্ৰভাত পাখীৰ গান !
> নাজানি কেনবে এতদিন পৰে
> জাগিয়া উঠিল প্ৰাণ !” —ৰবীন্দ্ৰনাথ

লিখিবলৈ আৰু একো কথা নাই। এতিয়া মোৰ টিলাটোত সুন্দৰকৈ সুকুমৰ পোহৰ পৰিছে, ফুলৰ কেশৰৰ মাজত নিয়ৰৰ সৰু সৰু বিন্দুবোৰ মুকুতাৰ গুৰিৰ দৰে উজ্জ্বল হৈছে, তাত লাগি থকা মকৰাৰ জালবোৰ ৰূপোৱালি গুণাৰ কাম কৰা পাতৰ কাপোৰ যেন দেখিবলৈ হৈছে। অলপ ভাবিবলৈ গলেই মোৰ উশাহবোৰ গধুৰ হৈ আহে। পৰ্ব্বত ফালি ওলোৱা নিজৰাৰ দৰেই ওপৰত লিখা কবিতা কেফাকি মোৰ মনৰ গহন অন্ধকাৰৰ মাজেদি ভেদ কৰি আহি মোৰ অনুভূতি গোচৰ হোৱাত তোমালৈ লিখি পঠিয়ালো। ইয়াতকৈ বেছি লিখিবলৈ গলেই কপটতাৰ ছাঁ পৰিব। আজিলৈ বিদায়। ইতি

তোমাৰ—

**প্ৰকাশ**



( ১৯ )

বিশ্বনাথ

................

অলকা,

তোমাৰ চিঠিখনৰ বাবে তোমাৰ শলাগ লৈছো। আজি বৰং মই প্ৰকৃতিস্থ হৈছো। ভবিষ্য ঘটনাৰ ছাঁ হেনো মানৰ মনত আগতে পৰে। মোৰ ইমান দিনৰ অশান্তি, আলোড়ন, সঙ্কোচ সকলোৰে আজি ভালেখিনি উপশম হৈছে। অৱশ্যে ই চিৰকালৰ জুৰণি নে খন্তেকীয়া বিৰাম তাকেহে কব নোৱাৰোঁ।

সকলো সময়তে দুটা মানুহে মোৰ ভিতৰত আত্মপ্ৰতিষ্ঠা লাভৰ চেষ্টা কৰিছিল। অলপ ভাঙি কোৱা যাওক,—তোমাৰ মোৰ ঘনিষ্ঠতাৰ ফালৰ পৰা আজি সেই সাহস মোৰ হৈছে। সেই দুজন মানুহৰ এজনে তোমাক প্ৰণয়পাত্ৰী বা প্ৰণয়িনী হিচাপে বিচাৰিছিল আৰু আন জনে তোমাক তৰু-তৃণ, ফল-মূল, ভাই-বন্ধু, ছাত্ৰী-সখা সকলো ৰকমে বিচাৰিছিল অৰ্থাৎ মোৰ অভিজ্ঞতাৰ ভিতৰত যিবোৰ বস্তু, যিবোৰ ভাব যেনে উল্লাস, আনন্দ, প্ৰেম, সন্দেহ, সঙ্কোচ, যাজ্ঞা, উপেক্ষা,—অসীম সসীম সকলোৰে লগত তোমাক জড়িত কৰি লৈছিল। মোৰ জীৱনৰ কব নোৱাৰা ভাবটোও যেন তোমাৰে হাৰমাল হব কেতিয়াবা তেনে যেনো লাগিছিল। ইয়াতকৈ যদি উচ্চতৰ আৰু কিবা ভাব বেঙাই গৈছিল তাৰ আজি আবৃত্তি নকৰিলোৱে বা ?

দোদুল্যমান অৱস্থাৰ মাজেদি কব খোজোঁ,—তোমাক কোনোবা



এজনে ভাল পোৱাত বা শ্ৰদ্ধা কৰাত আজি যেন মই সঁচাকৈ আনন্দ পাইছো। মোৰ ভিতৰত যি দুজন মানুহে নিজৰ নিজৰ কৰ্ম্মক্ষেত্ৰৰ পৰিসৰ বঢ়াবলৈ অসন্তুষ্ট অথচ শান্ত বেশে বহি আছিল তাৰে ভিতৰত এজনৰ আত্মাই জানিছে যে আজি তেওঁৰ যাবৰ বেলি হল। মই তেওঁৰ যোৱাত কষ্ট পামনে,—কিজানি? আশা কৰোঁ তেৱোঁ পাহৰিব, মম্নো পাহৰিম। পাহৰণিয়ে জগতৰ সান্ত্বনা। মই যেন অলপ সবল হওঁ,—তেওঁক গতিয়াই দিওঁ। মোৰ নিজৰ ওঠ খণ্ডত কঁপা নিশ্চয় দেখিবলৈ বিৰূপ হব।

ওঠ নহয় খণ্ডত শুকায়, অন্তৰ শুকায় কিহত? মানুহে যে অন্তৰত জুই উঠাৰ কথা কয়, শুকাই শুকাই ৰুক্ষতা বেছি হলেই জুই উঠে নেকি? তোমাৰ আগত আজি মোৰ দুৰ্ব্বলতাৰ কথা কবলৈ যেন লাজ লাগে। অলপমান কপটতাই মই নজনাকৈ সাহ দিয়াহেঁতেন কিজানি অভিনৱ নিস্বাৰ্থতাৰ আড়ম্বৰেৰে তোমাৰ আগত মোৰ যোগ্যতাৰ ছবি দাঙি ধৰিলোহেঁতেন। মানুহে অৱস্থাৰ ওপৰ উঠিব নোৱাৰে নেকি?

ইচ্ছা হয় সুধিবলৈ, কোন তেওঁ। নকবা, কিজানি টান পাওঁ। পঢ়া শুনাত কেনে কৰিছা?

মোৰ ইয়াৰ ফুলগছবোৰত ফুল ধৰিছে। কেতিয়াবা তুমি অহা হলে দেখি ভাল পালা হয়। পাৰিপাৰ্শ্বিকতাই বোধ হয় মানুহৰ মন নুবুজে। ইতি

চিৰন্তন—

**প্ৰকাশ**



( ২০ )

বিশ্বনাথ

................

অলকা,

তোমাৰ চিঠিখন পোৱাত মোৰ দুদিনমান পলম হৈছিল। মফস্বলৰ পৰা ঘূৰি আহিহে তোমাৰ চিঠি পালো আৰু ভাত-পানী খাই উঠি সিদিনাই তোমালোকৰ ঘৰলৈ গলোঁ। দেউতাবাৰ গা বেয়া সঁচা কিন্তু তুমি যিমান উদ্বিগ্ন হৈছা নৰিয়া তিমান শকত নহয়। মই পৰীক্ষা কৰি চাইছো আৰু তোমাক সাহ দি কব পাৰোঁ যে লোকে যেয়ে নক'ক তুমি বিশ্বাস নকৰিবা। মই নিজে ডাক্তৰ হলেও তোমাক কবলৈ বাধ্য যে বহুত চিকিৎসকে ৰোগীৰ আচল অসুখতকৈ মুখতে অলপ বঢ়াই কয়—হয় ভবিষ্যতে নৰিয়া ভাল নহলে নিজৰ গাত দোষ নেপেলাবলৈ অথবা নিজে কিমান ডাঙৰ কাম কৰিলে তাৰে গুৰুত্ব বুজাবলৈ। অৱশ্যে গৃহস্থেও তেতিয়া হলে সেৱা শুশ্ৰূষাত অলপ বেছি সতৰ্ক হয়। মোৰো ধাৰণাত ডাক্তৰৰ তেনে ভয় দেখুওৱা কথা শুনিহে তোমাক মাত্তি টেলিগ্ৰাম কৰিছিল। মাৰাই মোক ভিতৰুৱাকৈ সুধিছিল যে তোমাক মতাই আনিব লাগিব নে নালাগে। তুমি অহাৰ



আৱশ্যক নাই বুলি কৈছো। হাওফাও মই এতিয়া প্ৰায় পৰিষ্কাৰ হৈ অহা দেখিছো,—আশা কৰোঁ দুই চাৰি দিনতে তেখেতে গা টঙ্গাই উঠিব। বাগিছাৰ ডাক্তৰেই চাইছে, চিভিল ছাৰ্জনকো এদিন "কল" দিছিল,—দেউতাৰা সবল নহয় মানে মই নিজে এবাৰকৈ তোমালোকৰ তালৈ যাম বুলি মাবাক কথা দিছো। তুমি একো চিন্তা নকৰিবা,—মোৰ ধাৰণাত, এতিয়া একো বিপদৰ সম্ভাৱনা নাই। অকস্মাৎ যদি কিবা আশঙ্কাৰ কাৰণ হয় তোমাক জনাম।

মনৰ এনে অৱস্থাত পঢ়া শুনা কৰা যে টান মই বুজোঁ। দেউতাৰাৰ স্বাস্থ্য সম্বন্ধে মই নিৰ্ভয় দিছো,—তুমি পঢ়া শুনা কৰা। তোমালোকৰ ঘৰত আন সকলোটি ভালে আছে।

মোৰ ফুলনিৰ সৌন্দৰ্য্য এতিয়া কমি আহিছে। ঘাঁহ-পাতবোৰ অৱশ্যে নতুনকৈ গজালি দি উঠিছে। হাবিবোৰেও অলপ লাই পোৱা যেন হৈছে। ভালে আছো। ইতি

তোমাৰ—

প্ৰকাশ



( ২১ )

Nanda Mohan Talukdar
P. O. Sorbhog
Dated 28-9-50
Kamrup
Barnagar H. E. School

শদিয়া

অলকা,

মই চাকৰি এৰি দিয়া কথা তোমাক জনোৱা নহল। চাকৰি এৰি দিয়া সম্পৰ্কে বৰকৈ ভাবিব লগীয়া হৈছিল। যো ধ্ৰুবানি পৰিত্যজ্য অধ্ৰুবানি নিসেবতে—সেই সকলক গালি পৰাকৈ হিতোপদেশত কিবা পঢ়িছিলো। ময়ো এই চিন্তাত পৰি ভাত-পানী নেৰিলেও অনিশ্চিততাৰ মাজেৰে কেইটামান দিন ধলংপলংকৈ কটালো। কাম কৰি বেয়া লগা নাছিল কিন্তু আপোন ইচ্ছাৰে কৰিব নোৱাৰি মোৰ মনত এই-টোহে দুখ আছিল, তদুপৰি ওপৰাৱালাক লাগে সদায় আয়ত্ততে বেছি কাম, গুৰুত্বত বা গুণাগুণত নহয়। এই কথাবাৰ মোৰ মন আৰু আদৰ্শৰ লগত নিমিলে। পাৰিশ্ৰমিক হিচাপে যি টকা পোৱা যায় পৰাধীনতা আৰু নিৰানন্দৰ ক্ষতিপূৰণ হিচাপে সি কম। ডাক্তৰী কৰি বাহিৰত পইছা ঘটা বৰ সহজ নহয় বুলি জ্ঞানী আৰু প্ৰবীণ চিকিৎসক-



( ২২ )

শদিয়া

................

অলকা,

মই ইয়াত কি কৰিছো জানিব খুজিছা ? বিশেষ একো কৰা নাই। পেটৰ ভাত কেইটাৰ এটা দিহা কৰিছো, সিও ডাক্তৰী কৰি নহয়। তুমি চাগৈ অলপ আচৰিত হবা আৰু ভাবিবা, মই ইয়াত বাহিৰে আন কি কাম কৰিব পাৰোঁ। তোমাৰ মাৰা আৰু দেউতাৰাই মোক তোমালোকৰ তালৈ ঘূৰি যাবলৈ ইচ্ছা প্ৰকাশ কৰাত মই নথৈ আনন্দ পাইছো আৰু তোমাৰ জৰিয়তে তেখেতসকলৈলৈ মোৰ কৃতজ্ঞতা জনাইছো। তেখেতসকলে কোৱাৰ নিচিনাকৈ বা তুমি লিখাৰ নিচিনাকৈ তোমালোকৰ তেনে উপকাৰ মই একো কৰি দিয়া নাই। এইটো তোমালোকৰ সৌজন্য। তুমি পৰীক্ষা ভালকৈ দিয়া বুলি শুনি বং পালোঁ। পৰীক্ষা দি আহি ঘৰত নিশ্চয় মুকলিমূৰীয়া হৈ আনন্দতে দিন কটাইছা। তোমাৰ ভাইটিৰ পঢ়া শুনাত ৰাপ কেনে ? দেউতাৰা এতিয়া নিশ্চয় সম্পূৰ্ণ সুস্থ হৈছে। তোমাৰ মাৰাৰ মৰম বহুত দিনলৈ মোৰ মনত থাকিব। ক্ষিতীনহঁতৰ লগত কথা বতৰা আৰু কিবা আগবাঢ়িল নে ? তুমি যিটো বিষয়ৰ আভাস দিছিলা ? মিছা,—কবানে সেইটো কথা মিছা ? ( মোক নিজক শুধৰাবলৈ টান পাইছো )।

মই কি কৰিছো তোমাক কোৱা যাওক। জীৱনৰ ভবিষ্যতৰ চাকনিথন ইমান ডাঠ বুলি মই কেতিয়াও জনা নাছিলো। মই



ইয়ালৈ আহি হঠাৎ এজন ভদ্রলোকক লগ পালোঁ।—বয়সস্থ ভদ্রলোক। তেখেতে হেনো আগেয়ে ভালকৈ গাব পাৰিছিল, এতিয়া অকল বজায় হে। সকলোৰকম যন্ত্রতে নিখুঁত হাত। তেখেতৰ ঘৰলৈ আহি বহুত মানুহে বাদ্য শুনে, বজোৱা হলেই তেখেত ভিতৰলৈ যায়, আৰু মানুহবোৰ উঠি যায়। তামোল-চালি বা ধপাত চেলেউ কাকো দিবলৈ নাই, আনকি মাত এষাৰো কাকো নিদিয়ে। তথাপি মানুহবোৰ সন্তুষ্ট হৈ উঠি যায়। মোৰ খং উঠিল—এনে intellectual aristocracy ! আৰু এই মানুহবোৰেই বা কি অলপতে সন্তুষ্ট হোৱা বিধৰ ? বাজনা অৱশ্যে অতি সুন্দৰকৈ বজায়, মুখেৰে নামাতিলেও বাজনাই সন্তুষ্ট কৰে সেইটো মযো উপলব্ধি কৰিলো।

কিন্তু কথা নকব কিয় ? এদিন বাজনা শুনি মানুহবোৰ উঠি গল, মই বহি থাকিলো। ভদ্রলোকজনে মোক বহি থকা দেখি অলপো আচৰিত হোৱা যেন নালাগিল, একো বিৰক্তি প্রকাশ নকৰিলে—অতি সহজ ভাবেই মোৰ লগত কথা পাতিলে। কিছুপৰ কথা পাতি সিদিনালৈ উঠিলো। তাৰ পিছৰ দিনাখনো বাদ্য শুনি মানুহবোৰ যোৱাৰ পিছত ৰলো আৰু তেখেতৰ লগত কথা পাতিলো। ক্রমে নিতৌ কথা পতা হলো। পশুৰাম কুণ্ডলৈ যোৱাৰ অভিপ্রায় তেখেতৰ আগত এতিয়ালৈকে তুলিবলৈকে সাহ কৰা নাই। কথা পতাৰ এনে মাদকতা, এনে সৌন্দর্য্য আৰু এনে উৎকৰ্ষ বোধ ইয়াৰ আগতে কৰা নাছিলো। কিবা বিষয় বিশেষৰ আলোচনাত আমি মুগ্ধ বা বিব্রত থকা নাই,—মানুহে যে নিজৰ প্রাণটো হাততলৈ অর্থাৎ প্রায় গোটেইটো



উদঙ্গাই দেখুৱাই এনেকৈ কথা পাতিব পাৰে মোৰ ধাৰণাই নাছিল। আমি বেছি ভাগ মানুহে সাধাৰণতঃ গতানুগতিক কথা পাতোঁ, পৰনিন্দা কৰোঁ, ডাঙ্কোপ মাৰি কথা কওঁ, স্বাৰ্থ সিদ্ধিৰ ফন্দি সাজোঁ অথবা কোন পণ্ডিতে কি আয়ত্ত বা আবিষ্কাৰ কৰিলে তাকে কৈ গৌৰৱ অনুভৱ কৰোঁ,—কিন্তু এই আটাইবোৰ কথাই প্ৰাণৰ পৰা বহুত দূৰত। তেখেতৰ কথাবোৰত এটা অননুভূত স্পন্দন আছে। আগত নাথাকিলে বা নুশুনিলে উদাহৰণেৰে বুজাব নোৱাৰিম। মই অকল কাণ পেলাই শুনি থাকিলেই তেখেতৰ প্ৰতি মৰ্য্যাদা দেখুওৱা নহয় যেন অনুমান কৰিবলৈ ধৰিলো,—"লহ তোমাৰি দীনেৰি যোগ্য ক'ৰে"—মোৰ প্ৰাণত অহৰ্নিশে বাজিবলৈ ধৰিলে। মই তেখেতৰ পৰা দুখন এখনকৈ কিতাপ আনি পঢ়িবলৈ ধৰিছো। দিনত পঢ়োঁ, ৰাতি কথা পাতোঁ। এনে জীৱনত তীব্ৰ মাদকতা নাই, সৌন্দৰ্য্যৰ অনুভূতি আছে।

মই থাইছো কি কৰি,—তোমাক জনোৱা উচিত। ইয়াত বহুত পল্টন আছে,—গুৰ্খালিও আছে, দেশী সৈন্যও আছে। মই নিতৌ এঘণ্টাকৈ সিহঁতক বৰ্ণপৰিচয় আৰু নামতা শিকাওঁ—মোৰ খোৱাৰ জোখাৰে পইছা পাওঁ। তুমি চাগৈ মোৰ অৱস্থাটো অলপ পুতৌৰে চাবা ? আচলতে তেনে নহয়।

মোৰ এই অন্ধকাৰৰ মাজেদি খোজ কঢ়া অৱস্থাতো তোমাৰ ছাঁটো যেন স্পষ্টকৈয়ে দেখোঁ। পৰীক্ষাৰ ফলাফল ওলালে কি কৰা জনাবা। যি ইচ্ছা যায় লিখিবা। আদৰ লবা। ইতি তোমাৰ—

**প্ৰকাশ**



( ২৩ )

শদিয়া

................

অলকা,

তুমি বি, এ, ত নাম লিখোৱা শুনি সন্তোষ পালোঁ। আগৰ দৰে মুক্ত থকা হলে মই নিজেই অনুৰোধ উপৰোধ কৰিলোহেঁতেন। হয় ভেমকে বোলা, নহয় ভণ্ডামিকে বোলা, মই বোধ হয় উদাসীনৰ ভূমিকাত কেদিনমানলৈ বিচৰণ কৰিছিলো, বা কৰা যেন দেখুৱাইছিলো। কিন্তু একালে তুমি, আনফালে ভেম,—তুমিয়ে কোৱাচোন কোনটো মুগ্ধকৰ, অথবা কোনটোত তুমি আপোনপাহৰা হব পাৰা! অৱশ্যে তুমি আহি তোমাক মই থকা ঠাইখিনিৰ পৰা চাব লাগিব। ইংৰাজী নে ফিলজফি, নে সংস্কৃত কোনটোত অনাৰ্ছ লোৱা ভাল মোক সুধি বোধ হয় মোক উপলুঙা হে কৰিছা? কৰা, ভগৱানে দেখিব। তুমি নিলিখিলেও মই প্ৰায় ধৰিব পাৰিছো তুমি "ফিলজফি"ত অনাৰ্ছ লোৱা সাব্যস্ত কৰিছা! মই বৰ ভাল পাইছো এই কাৰণে যে এই বিষয়টো সম্পৰ্কে মই একো নাজানো আৰু যেতিয়াই তুমি দম্ভ সহকাৰে এই বিষয়ৰ কথা উলিওৱা (অৱশ্যে যদি কেতিয়াবা তোমাক লগ পাওঁ)—মই নিৰ্বিকাৰ



ভাৱে কম—"থৈ দিয়া তোমাৰ ফিলজফি, বহুত শুনিছো !" তুমি কবা —"আপুনি একো নাজানে আৰু"। মই কম—"তুমি যি জানা বুলি অনুমান কৰা সিও নিচেই কম। বেৰৰ ফাঁটেৰে পোহৰ আনি তাৰে wave length হে তোমালোকে পৰীক্ষাগাৰত চিনিবলৈ চেষ্টা কৰিছা, বাহিৰত বিপুল পোহৰ পৰি আছে ৰবং তালৈ চাই এবাৰ মনটো ভাল লগাই আহা।" তুমি মোক গালি পাৰিবা নে ভাল পাবা, একো ঠিক কৰিব নোৱাৰি "চাহ আনোঁ বহক" বুলি মোক এৰি থৈ যাবা, মই চাহতকৈ তুমি অহালৈকেহে বেছি সতৃষ্ণভাৱে চাই থাকিম।

তোমাৰ প্ৰশ্নবোৰৰে উত্তৰ দিবলৈ চেষ্টা কৰা যাওক। মোৰ মন এতিয়া কিহে বিশেষকৈ আকৰ্ষণ কৰিছে? মনটো প্ৰকৃতিষ্ঠ হওঁতে সময় লাগিছে। আই মৰাৰ পিছত মনটো বৰ শুদা শুদা যেন লাগিছিল, তাতে হাতত এটা মন প্ৰাণ নিৰত ৰাখিব পৰা কাম নথকাত মনৰ সাম্য অৱস্থা প্ৰায় যাওঁ যাওঁ হৈছিল। শ্ৰীযুত শৰ্ম্মাৰ ব্যক্তিত্ব বা সাধনালৈ শত নমস্কাৰ, কাৰণ সেয়ে মোক মোৰ অশান্তিৰ মৰুভূমিৰ মাজত শান্তিৰ ওৱেছিছৰ আভাস দিলে। শৰ্ম্মা কোন বুজিবই পাৰিছা।—যাৰ তত্ত্বাৱধানলৈ মোৰ চিঠি পত্ৰ দিয়া—আৰু যাৰ নিমাত গাম্ভীৰ্য্যৰ আভাস আগৰ চিঠিতে মই তোমাক জনাবলৈ চেষ্টা কৰিছিলো। মানুহৰ জীৱনটোকে পূৰা দৃষ্টিত চাবলৈ চেষ্টা কৰিছো,—এইটো শৰ্ম্মাৰ পৰা পোৱা শিক্ষা। মোৰ অৱশ্যে এই বিষয়ত হাত অহা নাই, কিন্তু বিষয়টো বৰ চিত্তাকৰ্ষক। চিত্তাকৰ্ষণৰ এইটো হল ৰেজিষ্টাৰ্ড বিষয়, ৰেজেষ্টাৰি নকৰা সৰু সৰু বিষয় কিছুমান আছে, যেনে—লুইতৰ পাৰ,



ফুতিলৰ ক'লা পানী, অলপ দূৰত থকা পৰ্ব্বতমালা, কলেজত পঢ়া ধুনীয়া এজনী ছোৱালী, মোৰ অস্পষ্ট ভৱিষ্যত ইত্যাদি।

তোমাৰ দ্বিতীয় প্ৰশ্ন—'মানুহে মানুহক ভাল পাব পাৰে নে আৰু যদি ভাল পায় তাৰ অৰ্থ কি'? এনে নিৰৰ্থক প্ৰশ্ন তোমাৰ নিচিনা বুদ্ধিমতী ছোৱালী এজনীয়ে কৰিব পাৰে বুলি মই ভবাই নাছিলো। মানুহে মানুহক ভাল পায় ভাল পোৱাৰ বাবে, তুমি চাগৈ মই কম বুলি ভাবিছা যে মানুহে লোকক ভাল পায় নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে। ভাল পোৱাৰ আনন্দ আৰু স্বাৰ্থ সিদ্ধিৰ আনন্দ এই দুটাৰ মাজত স্বৰ্গ মৰ্ত্ত্য প্ৰভেদ। এই বিষয়ে তৰ্কত সোমাবলৈও মোৰ প্ৰবৃত্তি নাই। তোমালোক নতুন মানুহ তৰ্ক কৰাৰ উদ্যম আছে,—সময়ো থাকিব পাৰে।

মই সকলোতকৈ কাক বেছি ভাল পাওঁ বা শ্ৰদ্ধা কৰোঁ? তোমাৰ এইটো বৰ নিৰ্ভীক প্ৰশ্ন। মই সকলোতকৈ মোক নিজক বেছি ভাল পাওঁ, শ্ৰদ্ধা যেতিয়াই যাকে কৰোঁ তাকে প্ৰায়ে শেষ সীমাত ঠেলি থওঁ। সম্প্ৰতি কেবাজনৰ ওপৰতো শ্ৰদ্ধা আছে, তেওঁলোকক ডাঙৰ সৰু কৰিবলৈ মানদণ্ডেৰে জোখাৰ ইচ্ছা নাই। যাক শ্ৰদ্ধা কৰোঁ সেই সকলোবোৰ মোতকৈ ডাঙৰ ইমানখিনিলৈকে হে সম্প্ৰতি সাব্যস্ত কৰিছো।

মই ইয়াত থাকি সন্তুষ্ট আছো নে? সন্তুষ্টি মই একৰকমৰ মৃত্যু বুলি ভাবোঁ। মই সন্তুষ্ট হবলৈ অকণো আগ্ৰহ কৰা নাই। মনটোক অলপ থিতাপি লগাবলৈ যত্ন কৰিছো, তাকেই পৰা নাই, ইয়াত আকৌ



নতুনকৈ থাপনা পাতোঁ নে নাপাতোঁ তাকেহে ভাবিছো। ব্ৰহ্মপুত্ৰখন ইয়াত বৰ বহল, তালৈকো অলপ মায়া জন্মে। অতীতৰ গৌৰৱেও মোক অলপ মুগ্ধ কৰে।

কিন্তু আচলতে কৃষ্ণ ইয়ালৈ আহিছিল নে ৰুক্মিনীক নিবলৈ? নিজৰ গৌৰৱৰ কথাটো মানুহে সহজতে বিশ্বাস কৰিব খোজে, প্ৰমাণ থাওক বা নাথাক'ক। ভীষ্মকৰ নগৰীৰ ভগ্নাৱশেষ থকা বুলি শুনিছো, মই যাবহে পৰা নাই। কুণ্ডিলৰ নিজাকৈ এটা majesty আছে আৰু যিথিনি ঠাইত ব্ৰহ্মপুত্ৰৰ লগত আহি এই নৈখন মিলিছে তাতো এটা নীৰৱ গাম্ভীৰ্য্যই তোমাৰ মন অতীতলৈ বৰকৈ টানিব। তুমিতো ইয়ালৈ নাহা, ময়ে তোমাৰ মনৰ অনুভূতিবোৰ কল্পনা কৰিছো।

ইয়াত বাহিৰত বহিয়ে লিখা পঢ়া কৰোঁ। মোৰ লগত এচেৰেঙা ভাল ৰ'দ লাগিছে। পৰ্দাৰ আঁৰত আমাৰ তিৰুতাবোৰ প্ৰায় ঘুণীয়া হৈ গৈছে আৰু তোমালোকৰ যিবোৰৰ ৰ'দ লগোৱাৰ স্বাধীনতা আছে তোমালোকেও স্বাভাৱিক ভাৱে ইয়াৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ এতিয়াও শিকা নাই যেন লাগে।

মোৰ মনটো পাতল মেঘৰ আঁৰে আঁৰে ঘূৰি ফুৰিব লাগিছে। তাৰে মাজৰ স্থায়ী সৌন্দৰ্য্যখিনি তোমালৈ পঠিয়ালো। ইতি

তোমাৰ—

প্ৰকাশ



( ২৪ )

সদিয়া

..........

অলকা,

মই কেতিয়াবা ভাবোঁ মুহূৰ্ত্তে মুহূৰ্ত্তে মোৰ মনটোৱে মেঘৰ দৰে এনেকৈ ৰবণ সলায় কিয়? আজি এটা ক্ষণত তোমালৈ যি কম, দ্বিতীয় ক্ষণত যেন সম্পূৰ্ণ কিবা এটা নতুন কম, এনে যেন লাগে কিয়? মই প্ৰতি মুহূৰ্ত্ততে পৰিৱৰ্ত্তন হব ধৰিছো, নে মই একো হোৱাই নাই,—কেৱল যেনে কাচৰ মাজেদি চাওঁ তেনে দেখোঁ? যাওক, সিদ্ধান্ত যদি হয় পিছত হব। অকলশৰীয়া মানুহৰ মনলৈ অলপ পুতৌৰে চাবা।

তোমাৰ চিঠিখন বিতোপন যেন লাগিছে। তুমি ভাবিছা, মই বোধ হয় টান মাৰি শিল হৈ গৈছো। মোক জগতৰ লগতে মমতা ৰহিত হোৱা বুলি অনুমান কৰিছা? একোবাৰ ধাৰণা হয় এইবোৰ মোৰ একোটা ভেম। যদি তুমি স্নেহেৰে ভণ্ডামি বুলিব নোখোজা, কোৱা ভ্ৰম। অসস্তৱ, অসমৰ্থতাই যেন মোৰ আভৰণ হৈ পৰিছে। শৰ্ম্মালৈ যেতিয়া চাওঁ, তেখেতৰ প্ৰত্যেক কামৰ মাজেদি কেনে এটা পৌৰুষ, কেনে এটা ন্যায়নিষ্ঠ সজীৱ নিৰ্ভীকতাই ভুমুকি মাৰে আৰু মই—an eternal apprentice, a novice!

মই সময়বোৰ কেনেকৈ কটাওঁ, সুধিছা। সামান্য কাম কৰোঁ, বেছিখিনি সময়ে ভাবোঁ। এবাৰ যদি তুমি নিজক অকৃতকাৰ্য্য বুলি



ভাবা, ওবে দিন ভাবি ভাবি নিজক প্ৰায় অন্মহত্যাৰ বাবে সাজু কৰিব পাৰি। সেই কাৰণে মই মোৰ কথা ভাবিবলৈ এৰি দিছো। তোমাৰ কথা ভাবোঁ। তুমি ভাবিব পাৰা, এই অনধিকাৰ চৰ্চ্চা কিয় ? তুমি আমাৰ দিনত কলেজত পঢ়া হলে আৰু হ'ষ্টেলৰ পৰা পলাই গৈ 'তাৰি'ৰ কলহ চুবকৈ আনি খোৱা হলে বুজিলা হয়—সেই কণ 'তাৰি'ৰ কিমান সোৱাদ। তোমালোকৰ ভাগ্যত অৱশ্যে সেইটো নাই। মই ধৰা আজি তাকেই কৰিছো, পূৰ্ব্বৰ স্বভাৱ কেনেকৈ এৰিবা !

তুমি তোমাৰ চিঠিত আটাইবোৰ প্ৰশ্ন মোৰ বিষয়েহে কৰিছা। তোমাৰ বিষয়ে একো বিশেষ লিখা নাই। তোমাৰ চিঠি পঢ়িব খোজোঁ তোমাৰ সম্পৰ্কে জানিবলৈ হে। বন্ধু নহওঁ বুলি প্ৰীতি ৰাখিব নোৱাৰি নে,—কেতিয়াও দেখাদেখি নহব বুলি পৰস্পৰে আগ্ৰহ কৰিব পাৰি নে ? মোৰ প্ৰশ্নবোৰ বোধ হয় 'লজিকেল' নহল,—এইবোৰ আকৌ গাত সানি নলবা ! নিশ্চয় ইয়াত ফেলাছি আছে, নহয় জানো ?

তুমি বহুত দিন তোমালোকৰ ঘৰৰ খবৰ দিয়া নাই। পৃথিবীত সুখ আছে বুলি যদি মোক কব পাৰা, স্বৰ্গৰ বাটলৈ নহয় নাচালোৱে,—কি কোৱা ? বহুত ছয়ামযা সাঁথৰৰ মাজেদি জীৱনটো কটাব লাগে যেন পাওঁ কেতিয়াবা। কিবা এটা স্থিৰ কৰিব পাৰিলেই তোমাক আগ্ৰহেৰে জনাম।

ক'ৰবাত যেন তোমাক অলপ অন্যায় কৰিছো, কেতিয়াবা এনে যেন লাগে। ক্ষমা কৰিবা। ইতি

তোমাৰ—

**প্ৰকাশ**



( ২৫ )

ছৈখোৱা ঘাট

...............

মৰমৰ অলকা,

সাধনাত সিদ্ধি লাভ হল। শদিয়াৰ নীৰৱতাই আমুৱালে। পৰহিলৈ গধূলি যদি পাৰা ষ্টেছনলৈ আহিবা,—মই পোনে পোনে ছিলঙলৈ যাম। অসুবিধা হলে নাহিবা। নিজক প্ৰবোধ দিবলৈ চেষ্টা কৰিম। অন্তৰৰ সকলোখিনি কমনীয়তা ( বোধ হয় বেছি নাই, সেই দেখি ) তোমালৈ উপঢৌকন স্বৰূপে পঠিয়ালো। ইতি

তোমাৰ—

প্ৰকাশ



( ২৬ )

ছিলঙ, মথাৰ

................

অলকা,

ছিলঙখন ধুনীয়া ঠাই। ইয়াৰ গছবোৰ নতুন ধৰণৰ। মানুহবোৰো ঠিক একে নহয়। ইয়াৰ স্থানীয় মানুহবোৰৰ ভাষা মই নাজানো, এইটো এটা বেজাৰৰ কথা। তেওঁলোকৰ কৰ্ম্মঠ অভ্যাস আৰু সহজ আচৰণ দেখি ভাল লাগে,—কিন্তু ভাষা নজনাৰ বাবে ভিতৰলৈ সোমাব নোৱাৰিম যেন পাইছো। উৎখাৰবোৰৰ ( টৈভয়ামৰ মানুহক ইয়াত উৎখাৰ বোলে ) ধৰণ পৰণ তিমান বেলেগ নহয়, হাস্যোদ্দীপক। মযো কিজানি ইয়াত হাঁহিবলৈ সুযোগ পাম। তোমাক হুছুৱাব পাৰিলে অৱশ্যে তাতকৈ ভাল পাম। তোমলোকে সাহিত্যিক ধৰণে যদিও চকুলোৰ গুণ গান কৰা—

—"Sweetest songs are those
That tell of saddest thought" যদিও তোমালোকে হেলাৰঙে বোলা,—হাঁহিৰ মূল্য আজি মোৰ মনত ভালেখিনি বেছি। তোমালোকে সিদিনাখন ষ্টেচনলৈ অহাৰ কাৰণে



ধন্যবাদ বাকী পৰি আছে,—তোমাক নহয় নিদিলো, কিন্তু তোমাৰ বান্ধৱীবোৰক তাৰ পৰা বঞ্চিত কৰা অন্যায় হব। সেয়ে তোমালোকলৈ মোৰ আন্তৰিক ধন্যবাদ নিবেদন কৰিলো। তোমাক অকলে লগ পোৱা হলে কিজানি ভাল পালো হয়,—কিজানি টান পালো হয়। যি হয় সেয়ে ভাল, নহয় জানো ?

মই ইয়ালৈ আহি আকৌ ডাক্তৰী আৰম্ভ কৰিছো। প্ৰাইভেট প্ৰেক্‌টিছ। কামটো বেয়া লগা নাই। বৰ মুকলিমূৰীয়া যেন লাগিছে। বিবাট আহৰি। ইমানখিনি আহৰিৰ সময় কিহেৰে পূৰাওঁ একোবাৰ ভাবোঁ, —কিন্তু তাতে বুলি মন খালি হৈ থকা নাই, সি নিজে বহুত বিষয় বস্তু আহৰণ কৰে। প্ৰিয় বস্তুবোৰক বেছি পাগুলিবলৈ আগ্ৰহ কৰে। মই কিন্তু ন ন বিষয়ত চকু দিবলৈ আগ্ৰহ কৰিছো,—যদিও মনে কেতিয়াবা বিদ্ৰোহ কৰিব খোজে। শদিয়াত নিজৰ ভিতৰতে ভালেখিনি আবদ্ধ থকা যেন পাইছিলো, ইয়াত সবাহলৈ অহা মানুহৰ দৰে ওপৰে ওপৰে দৃশ্য চাই ইপিনে সিপিনে ৰগাবলৈ মন কৰিছো।

ছিলঙত ঋতু অঋতু নাই, সকলো সময়তে ফুল ফুলে। ঋষি মুনিৰ আশ্ৰম নহয়, তথাপি নিস্তব্ধতা আছে। নিজান গিৰি গুহা নহয়, তথাপি নিজৰাৰ কলধ্বনি শুনিবলৈ পোৱা যায়। ডেকা ডেকেৰীৰ মূৰৰ চুলি ইঙ্গুদী তৈল—চিক্কণ নহয় যদিও মুখত পমেটম আৰু চুলিত হেজেলিনৰ আমোলমোলোৱা গোন্ধ পোৱা যায়। প্ৰসাধনত শেঁতা মুখো ধুনীয়া হৈ উঠে। ঠাইখিনি ওখ চাপৰ, ৰাজকৰ্ম্মচাৰীবোৰো ওখ



চাপৰ,—তথানুপাতে তেখেতসকলৰ গৃহিণীবোৰৰ মেজাজও। ইয়াত মানুহৰ আধিভৌতিক বা অনৈঃসৰ্গিক শক্তিত বিশ্বাস বেছি। ডাক্তৰি প্ৰেছক্ৰিপছনতকৈ সপোনত পোৱা দৰৱ বা মাদুলিৰ ইয়াত প্ৰভাৱ বেছি। হাতত যিমান টকা থাকে তাতকৈ মানুহবোৰে বেছি খৰচ কৰিবলৈ ভাল পায়—যদি অৱশ্যে তেওঁক ডাঙৰ মানুহ বোলা। এওঁলোকৰ বিষয়ে বাকী মন্তব্য পিছত। আজিয়ে সকলোখিনি কলে তুমি ৰচনা লিখা বুলি ধৰি লবা। চমুকৈ কবলৈ গলে ইয়াত সৌন্দৰ্য্য আছে, সুঘ্ৰাণ নাপাওঁ।

তুমি কেনে আছা? আৰু তোমাৰ লগৰ বাকীবোৰ? ইয়াৰ বতাহখিনি চেঁচা। অতি প্ৰলোভন হয়—এঠাইত এচুকুত বহি যেন কথা পাতি থাকিবা,—সেই কথাৰ আগো নাই, গুৰিও নাই,—'অনাদি, অনন্ত'!—স্নেহ। ইতি

তোমাৰ—

**প্ৰকাশ**



( ২৭ )

ছিলঙ

................

অলকা,

মই তোমাৰ চিঠিখনৰ সম্পূৰ্ণকৈ ৰসাস্বাদন কৰিছো আৰু অতি আনন্দ পাইছো তোমাৰ এই মন্তব্যত যে মই একোৰে লগত seriously in love পৰা নাই। তোমালোকৰ বয়সত পঢ়া কিবাচোন এটা কবিতা মনত পৰে—

Whatever stirs this mortal frame,
All are but ministers of love
and feed its sacred flame.

মই আন কিহবাৰ লগত গাঢ় প্ৰণয় পাশত আবদ্ধ হওঁ বা নহওঁ, ছিলঙ নগৰখনৰ লগত মোৰ এই সম্বন্ধ হোৱা বুলি কলে তুমি অবিশ্বাস নকৰিবা। তোমালৈ আগতে লিখিছো যে চহৰখন ধুনীয়া, অকল ধুনীয়াই নহয় বৈচিত্ৰ্যময়। ৰাতিপুৱা ৰ'দ ওলোৱাৰ আগতে ওলালেও সৌন্দৰ্য্য পাবা, ৰ'দ উঠি অহাৰ লগে লগেও এটা নতুন প্ৰাণৰ আকৰ্ষণ উপভোগ কৰিবা, বেলি যেতিয়া মূৰৰ ওপৰত তেতিয়াও এটা স্থিৰ শান্ত উন্মাদনা অনুভৱ কৰিবা আৰু আবেলি বেলি পৰাৰ লগে লগে কেৰাণী বা মহীজীৱীসকল যেতিয়া ব্যস্তখোজত ঘৰমুৱা হব, তেতিয়াও



এটা আনন্দৰ উচ্ছ্বাস বত্তাহত ধৰিব পাৰিবা। গধূলি যেতিয়া গোটেইখন ছিলঙ আন্ধাৰে গ্ৰাস কৰিব, তেতিয়া দূৰে দূৰে থকা বিজুলী চাকিবোৰে আঁতৰত থকা অন্ধকাৰ আৰু গাঢ় কৰিব। তেতিয়া তুমি ইচ্ছা কৰিলে গৃহিণীসকলৰ কাৰ্য্যতৎপৰতালৈ এবাৰ চকু কৰিব পাৰা, অথবা সৰু সৰু ল'ৰা-ছোৱালীবোৰে বয়সিয়াল দেউতাক সকলৰ ডিঙ্গিত সাৰট মাৰি ধৰা সৌন্দৰ্য্যলৈ তোমাৰ চকু খন্তেকলৈ নিব পাৰা। তোমাৰ সন্দেহ হব পাৰে, মই বয়সিয়াল দেউতাক সকলৰ কথা কিয় কলো,—ডেকা দেউতাক সকলৰ ল'ৰা-ছোৱালীয়ে ভেওঁলোকক সাৱটি নধৰে নেকি ? ধৰে, কিন্তু এওঁলোকে ল'ৰা-ছোৱালীৰ হাত সোনকালে এৰুৱাই দিয়ে, পাৰিলে চাকৰৰ হাতত বজাৰ কৰি দি এওঁলোকৰ সোনকালে ক্লাবলৈ যোৱাৰ মন। তাত খেলা আছে। নহলে কোনোবা বন্ধুৰ তাত গৈ হুৱাৰ কথা কব। ডেকাসকলৰ ভিতৰতো কিছুমানৰ বুঢ়াৰ অভ্যাসৰ আছে অৱশ্যে। তুমি যদি চেঁচা লাগিব বুলি বাহিৰৰ পৰা নৈঃসৰ্গিক সৌন্দৰ্য্য চাব নোখোজা, ঘৰৰ ভিতৰলৈ আহা। পিৰালিৰ পৰা বা খিৰিকিয়েদি আকাশলৈ চোৱা—a tropical sky in a cold country ! মোৰ ইংৰাজীত ভাব স্ফুৰণ কিয় হল তুমি সুধিব পাৰা। ছিলঙখন আধা চাহাবৰ দেশ, ইয়াত সৰহভাগ মানুহে ঠেঙা মোজা লগায়, হেট কোট পিন্ধে। ইয়াৰ স্থানীয় শিক্ষিত মানুহবোৰে ইংৰাজীত কথা কয়, গধূলি ডেকাবোৰে ফেল্ট হেট পিন্ধি ফুৰিবলৈ ওলায়, ইয়াত ইংৰাজী নামাতি মাতিবা ক'ত ? মই কলিকতাত থকা দিনত বিলাতৰ পৰা ফুৰি অহা এজন বন্ধুৱে এদিন ৰাতিপুৱা কুঁৱলী



দেখি মোক কৈছিল—"it's like London fog." লণ্ডনৰ কুঁৱলী মই দেখা নাই, তেনে কুঁৱলী যে কলিকতাতো হব পাৰে ধাৰণাও কৰা নাছিলো। ইয়াৰ এই তৰা বছা আকাশ দেখিলে ইয়র্কৰ হোটেলত থাকি নেপলছৰ আকাশ দেখা যেন পাবা কিজানি। এইটো মোৰ ইউৰোপীয় অনুমান। তুমি ভাবিবা যে মই অকল ৰ'দ থকা সময়ৰ হে বৰ্ণনা দিছো। বৰষুণ মই আহিবৰ পৰা বেছিকৈ হোৱা নাই, সেই কাৰণে সেই বিষয়ত অভিজ্ঞতা কম। দুই এদিন বৰষুণৰ বতৰো পাইছো, তেনেই কবিতাহীন নহয়। ইয়াত বেছিকৈ গাজি বৰষুণ নেপেলোৱাকৈ নাথাকে, বৰষুণৰ আটোপ হলেই সিৰসিৰকৈ কেটোপমান পেলাবই, বৰং বহুত সময়ত মানুহক সতৰ্ক নকৰাকৈয়ো বৰষুণ পেলায়। মোৰ এদিনৰ অভিজ্ঞতাৰ কথা কওঁ। সিদিনা দুপৰীয়া ভালকৈয়ে বৰষুণ হৈছিল, আবেলি বতৰ ফৰকাল হৈছিল কেৱল অলপ চেঁচা বতাহ আছিল। মই দুপৰীয়াতে ওলাইছিলো হাতত ছাতি লৈ—গধূলি ঘৰলৈ খোজ লৈছো প্ৰায় উলাহতে হাতৰ ছাতি ঘূৰাই। কাঞ্চিষ্ট্ৰেছ বোলে সেই থিনিক, তাতে সৰসৰাই বৰষুণ আহিবলৈ ধৰিলে। মই ছাতি মেলো নে নেমেলোকৈ মেলিলো, দুখোজ গৈয়ে দেখোঁ—এজন ভদ্ৰলোকে নিজৰ ওভাৰকোটটোক মেলি এগৰাকী মহিলাক বৰষুণৰ পৰা ৰক্ষা কৰিব খুজিছে,—বোধ হয় তেখেতৰ পত্নীক। মই ছাতিটো তেখেতসকলক দিওঁ দিওঁ যেন লাগিল—কিন্তু বয়স প্ৰায় আমাৰ ওচৰা ওচৰি দেখি দিবলৈ সাহ নকৰিলো। অলপ কম বা বেছি হোৱা হেঁতেন মোৰ ছাতিটো দিয়াত কুণ্ঠাবোধ নকৰিলো-



হৈছেন। ছিলঙৰ বাটত যদি হঠাৎ তোমাক ববযুণে পায় বুলি ভাবা যাবে ড্ৰইংৰুম ওচৰতে পোৱা তালৈকে সোমাই যাবা। ইয়াৰ মানুহবোৰ ভদ্ৰ, সকলোৱে তোমাক সমাদৰ কৰিব। তুমি হয় তেওঁ-লোকৰ গালিচা, চোফা আৰু পৰ্দাবোৰলৈ চাই প্ৰশংসা কৰিবা, আৰু যদি ভাতকৈ অলপ কম যোত্ৰবান হয় তেনেহলে দেৱালত থকা বেজীৰে তোলা লাৰুৱা কৃষ্ণৰ মূৰ্ত্তি বা বিচিত্ৰ উণৰ ম'ৰা চৰাইটোকে প্ৰশংসা কৰিবা, যদি তাকো নোপোৱা তেওঁলোকৰ ফটো অথবা ল'ৰা-ছোৱালীৰ পাছ-চাৰ্টিফিকেট বেৰত আৰি থোৱা থাকিলে তাৰে বিষয় হুবাৰ কথা পাতিবা। যদি ঘৰৰ আগত ফুলনি দেখা তুমি দুই চাৰিটা ইংৰাজী ফুলৰ নাম কব পাৰা যেনে মেগনোলিয়া, ছালিয়া, কেকটাছ, মেৰিগোল্ড ইত্যাদি। যদি কুকুৰ বান্ধি থোৱা দেখা—এলছেছিয়ান, স্পেনিয়েল, ফক্স, টেৰিয়াৰ আদি দুই এটা কুকুৰৰ জাতিসূচক শব্দ প্ৰয়োগ কৰি তোমাৰ বিদ্যাৰ পৰিচয় দিবা আৰু যদি অকল ঘৈণীজনাক হে পোৱা—দুই চাৰিখন বঙ্গালী চিনেমাৰ নাম কৈয়ো ববযুণ এৰালৈকে নিৰ্ব্বিকাৰ ভাবে অপেক্ষা কৰিব পাৰা আৰু যদি অগত্যা তেখেতৰ বিশেষ প্ৰীতিভাজন হব খোজা, ওচৰ চুবুৰীয়া দুগৰাকী মাহিলা কেনে অকৰ্ম্মা আৰু গাৰঁলীয়া মেজাজৰ তাকে কৰা, চাহৰ লগতে "ডায়েৰিৰ মিঠাই"ও পাবা, নহলে ঘৰত কৰা "কেক"তো পাবাই। ফ্লেটাৰীৰ এনে ভাল ক্ষেত্ৰ দ্বিতীয় এখন আছে বুলি মই নাজানোঁ।

ইয়াৰ গধূলি ভ্ৰমণটো সাধাৰণৰে প্ৰিয়। খৰচ কৰিবলৈ সৰহীয়াকৈ টকা থাকিলে মটৰ গাড়ী আৰু ক্লাব। ল'ৰা-ছোৱালীবোৰৰ স্বাস্থ্য



সাধাৰণতে ভাল। ইয়াৰ অধিবাসীসকল, বিশেষকৈ তিৰোতাবোৰ কষ্ট সহিষ্ণু আৰু পৰিশ্ৰমী। বিলাস-আড়ম্বৰলৈ ঢাল খোৱা সকল চেহেৰাত দেখনিয়াৰ আৰু সাজপাৰত পৰিষ্কাৰ।

তুমি স্বভাৱতে ভাবিব পাৰা, মই কি প্ৰেকটিছ কৰিছো? প্ৰেকটিছ বেয়া নহয়। নৰিয়া-পাৰি অলপ আছে, টকা পইছা দিয়াত মানুহে বেছি দিগ নিদিয়ে। মোৰ জীৱিকা সংক্ৰান্ত আৰ্থিক উপাৰ্জ্জন খিনি নিজৰ বাবে ৰাখিছো, বাহিৰা যি সঞ্চয় কৰিছো তাৰেহে তোমাক ভাগ দিছো। তুমি তোমাৰ জ্ঞানৰ ভাগ মোক দিবা জানোঁ? কৰবাত এজুপি গছৰ তলত বহি থুয়ো যদি আকাশলৈ চাওঁ আৰু যদি তুমি শিকিব ধৰা কথাবোৰ মোক লাহে লাহে কৈ যোৱা, মোৰ পঢ়া নাথাকিলেও মই কিজানি বুজিম। যাওক,—কল্পনা কল্পনাই। সোনকাল চিঠি দিয়া যেন। ইতি

তোমাৰ—
প্ৰকাশ



( ২৮ )

ছিলঙ

................

অলকা,

তোমালৈ চিঠি লিখিবলৈ ওলাই মনটো ঠিককে কৰিব পৰা নাই। "এত গীত আছে, এত গান আছে, গাহিতে পাৰি" নে কি লিখিছিল ৰবি ঠাকুৰে? তেওঁৰ "শেষেৰ কবিতাৰ" নাটকীয় ঘটনাৰ স্থান ছিলঙখন কৰাত মোৰ কেতিয়াবা বহুত কথা গোলমাল হৈ যায়। লিখক সকলে আমাৰ বহুত খিনি মৌলিকতা নষ্ট কৰি দিছে। আজি ভাবিছো, চিঠি নিলিখাকৈয়ে তোমাক মোৰ মনৰ ভাব ব্যক্ত কৰিম। বহুতে ভাবিব অসম্ভৱ—আমি জানো সেইটো সম্পূৰ্ণ সম্ভৱ আৰু ৰসাল। কিন্তু মোৰ যে উল্লাস সেইটো প্ৰকাশ কৰোঁ কেনেকৈ? লিখিবই লাগিব। মই কি লিখোঁ তালৈ নহয় কাণ নিদিবা। গৰুৰ পোৱালি-বোৰ লৰি জঁপিয়াই ফুৰা দেখিছা নহয়,—সি যেতিয়া দৌৰে, নিশ্চয় "ৰেছ" নিদিয়ে, কিন্তু তাৰ স্বাস্থ্য আৰু প্ৰফুল্লতা দেখুৱায়।

তুমি কেতিয়াবা বলিয়া হোৱাৰ কথা ভাবিছা নে? মোৰ বিশ্বাস সেইটো pleasant, আৰামপ্ৰদ। সদায় জুখিমাখি কথা কবা, ঠিক হিচাপ লগাই কামটো কৰিবা, যাৰ লগত যেনে ব্যৱহাৰ থাপ খায় ধীৰে সুস্থিৰে সেইটো স্থিৰ কৰি তেনে ৰকমে আচৰণ কৰিবা, মোৰ



বিশ্বাস ভালেখিনি উত্তম গুণ। গঁধাতে বায়ু হৈ উৰি যায়। তোমালোকৰ কবিৰ ভাষাত কওঁ,—হৃদয় তন্ত্ৰীত প্ৰথম যিটো আঘাত পোৱা, তাক তেনে ভাৱে ব্যক্ত নকৰিবা, তাত সুৰ দিবা, লয় দিবা, তেহে সি মধুৰ সঙ্গীত হব, তুমি কলাবিদ বা আৰ্টিষ্ট নাম পাবা। কিন্তু ইয়াৰ মাজতে যে তুমি কিমানখিনি হেৰুৱালা.—তোমালোকৰ আৰ্টিষ্টবোৰে এই মিতব্যয়িতাখিনিলৈ নাচায়। কিন্তু পাগলবোৰ ইয়াৰ পৰা মুক্ত। সিহঁতৰ মুখত যিয়ে আহে, মনত যিয়ে খেলে তাকে কব পাৰে,—conventionalityৰ আলাজুলগা দুৱাৰ মুখেৰে সিহঁত ওলাব নালাগে। সিহঁতে যি বোকাপানী সুৰত লৈ বাটত ওলায় বহুত সময়ত আমাৰ নিৰ্ম্মালিকৈ লোৱা তুলসী আৰু দুবৰিতকৈ পৰিষ্কাৰ নহয় নে? যাওক, বলিয়াৰ কথাই তোমাক আমোদ নিদিব পাৰে।

এটা কথা। মানুহবোৰে কথা পতা তুমি লক্ষ্য কৰিছা নে? কৰিবাচোন। ইমান অনাৱশ্যক কথা কয়, একো একোজন মানুহে। প্ৰায়বোৰ মানুহে যিমান কথা কয় তাৰ দহভাগৰ এভাগেৰে তেওঁলোক চলিব পাৰে বুলি মোৰ বিশ্বাস হয়। তোমাক দুই এটা উদাহৰণ দিওঁ। এজন ভদ্ৰলোক মোৰ তালৈ আহিল, বহিল, চুৰট ধপাত খালে। মোৰ প্ৰেক্‌টিছ ভাল হোৱা বুলিয়ে বাতৰি দিলে। মোৰ কোন পেছেণ্টে কেনেকৈ শলাগিলে তাকে অলপ কলে,—বোধ হয় কাল্পনিক। তাতো যদি মই একো জবাব নিদিওঁ—তেওঁৰ ওচৰ চুবুৰীয়াৰ দুই এঘৰত গিৰিয়েক ঘৈণীয়েকৰ কোঁচালৰে অলপ আভাস দিলে,—নহলে অমুকৰ ঘৰৰ ছোৱালীবোৰৰ ওপৰত কেনেকৈ অভিভাৱকে চকু নাৰাখে তাৰেই



অলপ সঙ্কেত দিলে। মই কথা বতৰাত ভাগ লোৱা যেন নেদেখিলে কয়—"উঠোঁহে আৰু, আপোনাৰ বহুত সময় নিয়ালোঁ।" মই যদি কওঁ "বাৰু", তেতিয়াহে তেওঁ কয় কামৰ কথাটো—"বুজিছেনে, আমাৰ ঘৰৰজনী একে বেলিয়ে কিবা। হাতত পইছা কেইটা পৰিলেই থানবান কৰে। কালিলৈ ল'ৰাটোৰ মাছুল দিব লাগে, আজি কয় বোলে ঘৰত বজাৰ কৰিবলৈকে পইছা এটা নাই। চ'কচোন! আপোনালোকে বিয়া কৰোৱা নাই ভালকে কৰিছে। মোক ৰূপ দহোটা ধাৰলৈ নিদিয়ে কিয়—দৰ্ম্মহা পালেই আৰু বাহিৰে বাহিৰে শোধাই যামহি। সিজনীৰ হাতত পৰিলে আৰু নাপায় জানিব।" মই যদি তেতিয়াও একো নামাতোঁ,—"দহ টকা নোৱাৰিলে পাঁচ টকাকে দিয়ক" বুলি কয়। ল'ৰাৰ ফিজৰ নামত মনটো অলপ বেয়া লাগে, টকা দিওঁ গুচি যায়। তুমিয়ে ভাবি চোৱাচোন, এই ভদ্ৰলোকজনৰ কিমানখিনি কথা এৰি দিলেও মূল প্ৰস্তাৱৰ একো ব্যাঘাত নঘটে। তোমাৰ তালৈ ৰাইটিং পেডৰ কাকত এখিলা বা লোফাফা এটা ধাৰলৈ বিচাৰি অহা ছোৱালী এজনীৰ কথালৈয়ে তুমি অলপ কাণ কৰিবাচোন। ইমানবোৰ অলাগতিয়াল আৰু অপ্ৰাসঙ্গিক কথা কোৱা স্বত্বেও এইবোৰকতো আমি পাগল নোবোলোঁ। পাগলবোৰো আমাৰ নিচিনাই, সিহঁতৰ কেৱল "বেয়াৰিং" ( bearing ) ভুল, একোটা চোঁচাতে বহুত দূৰলৈ টানে। পাগলবোৰৰ মনৰ ওপৰত সম্পূৰ্ণকৈ আয়ত্ব কৰি বহিব পৰা হলে কিজানি মনস্তত্বৰ বহুত সঙ্কেত জানিব পাৰি।

তুমি তোমাৰ পঢ়া কিতাপৰ মোক একোকে আভাস নিদিয়া



তাতেহে মই দুখ পাইছো। তুমি কেনে ভাৱে আছা, কি ভাবিছা মোলৈ নিলিখা কিয়? ছোৱালীবোৰে কি ভাবে? আমেৰিকাৰ প্ৰেছিডেণ্ট গাৰ্ফিল্ডৰ জীৱনী—“From log Cabin to White House”ৰ নিচিনা কিতাপে তেওঁলোকক উদ্দীপনা যোগায় নে? যুকাৰ ওৱাছিংটনক তেওঁলোকে শ্ৰদ্ধা কৰে নে? “ডেভিড ক’পাৰফিল্ডৰ” নিচিনা কিতাপ পঢ়ি তেওঁলোকৰ চকুলো পৰে নে? কাঙ্গাৰীৰ “গুৰুকুলৰ” বা আৰ্য্যকন্যা বিদ্যালয়ৰ নিচিনা শিক্ষা অনুষ্ঠানবোৰলৈ তেওঁলোকৰ শ্ৰদ্ধা হয় নে? বিশ্ব-ভাৰতী সম্বন্ধে তেওঁলোকৰ কি ধাৰণা? আমাৰ ছোৱালীবোৰে কি বিচাৰে—কাউন্সিলত ছিট, বিচাৰালয়ত বিচাৰকৰ আসন, মিউনিচিপালিটিত নেত্ৰীত্ব, ৰাজহুৱা সভাত সভানেত্ৰীৰ পদ নে আৰু কিবা? তোমাৰ ভাল লাগিলেহে এইবোৰ প্ৰশ্নৰ উত্তৰ দিবা, নহলে নালাগে।

তোমাৰ স্বাস্থ্য ভালে থকা শুনি সন্তোষ পালোঁ। ছিলঙত বৰষুণ ভালকৈয়ে আৰম্ভ হৈছে। পৰ্ব্বতবোৰ দেখিবলৈ ধুনীয়া হৈছে। পাইন আৰু উইলো গছবোৰো ভাল লগা হৈছে। ইতি

তোমাৰ—
**প্ৰকাশ**



৬



( ২৯ )

ছিলঙ

................

অলকা,

তুমি চিঠি দিয়াত পলম কৰি মোক অলপ ব্যস্ত কৰিছিলা, সঁচা কথা। কিন্তু যিখন চিঠি লিখিছা তাতেই ক্ষতিপূৰণ হৈ গৈছে। মই জানো তুমি ধুনীয়া চিঠি লিখিব পাৰা, অকল চিঠি লিখাত কিয় বহুত বিষয়তে তুমি ধুনীয়া। এইটোৱে এটা পৰিতাপৰ বিষয়, নহয় জানো? "কালো মেয়েৰ কালো হৰিণ চোখ" বুলি কবিতা এফাকি মাতিব পৰাহেঁতেনো ভাল পালো হয়। হৰিণ-চকুৰা হলেও বৰণটো ক'লা—এয়ে মোৰ ভিতৰত সন্তোষ দিলে হয়,—কিন্তু ছোৱালী ধুনীয়া, চকুৰো ধুনীয়া এইটো কৰলৈ গলে অলপ 'ইনফিৰিয়ৰিটি কম্‌প্লেক্স্‌' অনুভৱ কৰা যায়। কিন্তু তথাপি তোমালোকে পুতৌ নকৰা, এয়েহে অদৃষ্টৰ পৰিহাস। তোমাৰ প্ৰশ্নবোৰ মই ভাল পাইছো। কেতিয়াবা মোৰ ধাৰণা হয়, তুমি ছোৱালী নোহোৱাহেঁতেন ভাল আছিল। তুমি ল'ৰা নহলা কিয়, মোৰ ভাই নহলা কিয়? অঙহি বঙহি যাৰে তাৰেই ল'ৰা নহলা কিয়? মই বন্ধৰ আগতে লিখি দিলো হয়—"তই ছুটিৰ দিন কেইটা ইয়াত থাকিবিহি, দেউতাৰলৈ মই লিখিম, তই চিঠি নিদিলেও চলিব।" কিমান লাগতিয়াল, অলাগতিয়াল কথাৰ মাজেদি তোমাৰ দিন কেইটা অতিবাহিত কৰি দিলো হয় আৰু যাবৰ সময়ত কিতাপ কেখন মচি-কাচি বাকচত ভৰাই এটা অৰ্থপূৰ্ণ হাঁহি মাৰি কলা হয়—



"কিতাপবোৰত ভেকুৰ ধৰিছে।"—তইঁতৰ বায়োলজিৰ "মিউকৰৰ" আধ্যাটো তোৰ নপঢ়িলেও চলিব—এই বুলি কলো হয়। এটা কথা অলকা,—Do men love women for their sex? I think, sex is a hindrance. যাওক, তুমি পৰীক্ষা দি উঠা। এইবোৰ সম্প্ৰতি অবান্তৰ কথা।

মই ক্ষিতীনৰ চিঠি পাইছো। তাৰ তোমাক বিয়া কৰাবৰ একান্ত আগ্ৰহ থকা বুলি কয়, কিন্তু ইপিনে পিতাক মাকৰো অবাধ্য হব নোৱৰা বুলি কয়। মই এইবোৰ কথা নুবুজোঁ। বাপেক মাকে পতা ধৰণে বিয়া কৰাব খুজিলে চকু মুদি বিয়াত বহাকে যদিও বহুতে ভাল বোলে, মই সেইটোৰ সমৰ্থন নকৰো। কাৰো বাপেক মাকতো কাণ্ডজ্ঞানহীন নহয়। যদি ল'ৰাই বুজাব পাৰে যে আচলতে তেওঁৰ জীৱনটো তেনে ঘৰত বিয়া কৰালে অসুখীয়া হব, তেনেহলে বাপেক মাকৰ মন নলৰিব বুলি মই নাভাবোঁ। কিছুমান বাপেক মাকে অৱশ্যে ল'ৰাৰ মতক মত বুলিয়ে নাভাবে—কিছুমান ক্ষেত্ৰত ল'ৰাই মুখেৰে যিয়ে নক'ক, কাৰ্য্যক্ষেত্ৰত তেওঁলোকৰ কোন পত্নী হয় সেই বিষয়ে উদাসীন আৰু সাধাৰণতঃ বহুতে তেনেকৈয়ে ঘৰ পতা দেখা যায়। মই এই বিষয়ত অনভিজ্ঞ। কথাটো অৱতাৰণা কৰাৰ বাবে তুমি বেয়া নাপাবা। তোমাৰ অন্তৰৰ গভীৰতালৈ মোৰ শ্ৰদ্ধা আছে বুলিহে এই কথাবোৰ একো সঙ্কোচ নকৰাকৈ উল্লেখ কৰিছো। আমাৰ বিয়াবোৰত ছোৱালীৰ একো মাত নাই। এই কথাটো মই ভাল নাপাওঁ। মই গোপন বিয়াৰ পক্ষপাতী নহওঁ,



সেইটোও তুমি জানা। মুছলমানবোৰৰ ধৰ্ম্মমতে ছোৱালী বুজন হলে সম্মতি লৈ বিয়া দিয়া প্ৰথাটো বেয়া নহয়। তেওঁলোকেও এইটো এতিয়া এটা আত্মাহীন প্ৰথা ( form ) ত পেলাইছে, কিন্তু মূলতঃ বস্তুটো ভাল আছিল। বাপেক মাক জীয়েক সকলোৱে বহি বিয়াৰ প্ৰস্তাৱবোৰ আলোচনা কৰিব নোৱাৰে কিয় ? বাপেকে গৰু বা ঘোঁৰা বা পুৰণি মটৰ গাড়ী এখন কিনিলে জুইৰ গুৰিত পৰিয়ালৰ সকলোৰে আগত কথাটো আলোচনা কৰিব পাৰে আৰু ছোৱালী এজনী চিৰদিনলৈ মানুহ এজনলৈ বা পৰিয়াল এটালৈ উলিয়াই দিব—ইয়াৰ ভাল মন্দ প্ৰকাশ্যে আলোচনা কৰিব নোৱাৰে কিয় ? ল'ৰাজনৰ নাম উল্লেখ কৰিলেই ছোৱালীজনী ভবিষ্যতৰ কল্পনাত নাইকিয়া নহয়। এজন বিজ্ঞলোকে কবৰ নিচিনা—"We might pass through the fire but perish in the smoke." বোধ হয় ক্ষিতীনৰ ওপৰত খঙতে তোমালৈ চিঠি অযথাকৈ দীঘল কৰিলো। যদি এই বিষয়ে ক্ষিতীনলৈ মই কিবা লিখা আৱশ্যক বুলি ভাবা, মোক নিঃসন্দেহে কব পাৰা। তুমি কিন্তু একোতে যেন আঘাত নোপোৱা, সেই আঘাতৰ প্ৰতিক্ৰিয়া ক'ৰবাত কেনি বেছি হয়। মৰম লবা। তোমাৰ ভাইটিলৈ মোৰ মৰম আৰু মাৰা দেউতাৰালৈ শ্ৰদ্ধা জনাবা। ইতি

তোমাৰ—

প্ৰকাশ



( ৩০ )

ছিলঙ

................

অলকা,

তোমাৰ চিঠিখন আকৌ ঘূৰাই পঢ়িলো—নতুন আনন্দ লাভৰ আশাত। প্ৰথম উল্লাসত, বহুত কথা চকুত পৰা নাছিল, এতিয়াহে দেখিলো সেইবোৰ। তোমাৰ চিঠিত লুকাই থকা সৰু সৰু প্ৰশ্নবোৰ দেখি ভাল লাগে। ছিলঙৰ ছোৱালীবোৰ সম্পৰ্কে মোৰ কি ধাৰণা ? তেওঁলোকৰ ভিতৰত কাৰবাক মোৰ বিশেষ ভাল লাগিছে নে ? এই দুয়োটা প্ৰশ্ন একেলগে সামৰি লৈ উত্তৰ দিবলৈ চেষ্টা কৰা যাওক। Girls, as such, I do not like—ছোৱালী বুলিলেই ভাল পাম, এইটো মোৰ অভ্যাসৰ ভিতৰত নহয়। মই গছবোৰ ভাল পাওঁ। মই ফুলবোৰ ভাল পাওঁ গছত ফুলে বুলি। যদি সকলোবোৰ লতা আৰু সৰু সৰু ফুল হলহেঁতেন মোৰ নিশ্চয় আমনি লাগিল হয়। পাত, ফুল,

শীহ, ঠাৰি সকলো একেলগে এঙ্গাউৰি ৰৰমুণৰ পিছতে পিত খাই থাকিব হয়, তুমি এখন মোহাৰণি খোৱা জগত দেখিলা হয়। মই ছিলঙক ভাল পাওঁ তাৰ ঠৰঙ্গা গছবোৰৰ বাবে, সৰল গছবোৰক ভাল পাওঁ তাৰ uncompromising পাতবোৰৰ বাবে। (They stand and stand infinitely, apart.) ছোৱালীবোৰক যদি ভাল পাওঁ—তেওঁলোক অকল ছোৱালী বুলি নহয়,—পৌৰুষ কৰ্কশতাৰ পৰা তেওঁলোক অলপ জুৰণি, সেইবুলি। মহাভাৰত-বৰ্ণিত প্ৰমীলা-ৰাজ্যত মোক কাৰাবাস দিয়াৰ সমান শাস্তি একো নহলহেঁতেন। আৰু যেতিয়া ল'ৰাবোৰক ছোৱালীৰ ধৰ্ম্ম আচৰণ কৰা দেখোঁ, মোৰ টিকনি থকা হলে থিয় হলহেঁতেন। অসমত ছোৱালীৰ আকাল হৈছে নে যে ডেকা ল'ৰাবোৰে মুখত ৰঙ, পমেটম সানি বাটে বাটে বহুৱালি কৰিব লাগে। সিহঁতৰ এখন হাত তুমি তুলি লোৱা আৰু লাহেকৈ এৰি দিয়া, আধাঘন্টালৈকে তোমাৰ হাতখন বিলাতী গোন্ধত মলমলাই থাকিব। সিহঁতৰ মুখলৈ চোকা দৃষ্টিত চোৱা, আধা ইঞ্চি ডাঠ পাউডাৰৰ লেওৰ তলত মৰিচা ধৰা ছালৰ শেষ জ্যোতিখিনিও কেমিকেলবোৰেৰে নষ্ট কৰিবলৈ ওলাইছে। তেওঁলোকে তাকে বোলে 'টইলেট' কৰা। ৰুমালৰ গোন্ধ, সেইটো হেনো 'প্ৰিকছনৰ' বাবে। গান্ধীৰ উদং বুকুখন কোনো দিন তেওঁলোকৰ কল্পনাতো উদয় নহয় নে? একেখনি গাৰ কাপোৰেৰে দিল্লী, চিমলা, শীতপ্ৰধান ঠাইবোৰ ঘূৰি ফুৰে—বুঢ়াৰ 'প্ৰিকছন' ক'ত? এওঁলোকৰ সপ্তম পুৰুষৰ গৌৰৱৰ চূড়ান্ত ৰাজপ্ৰাসাদত ৰঙ্গাৰে দৈতে ভেট গান্ধীয়ে এই বসন ভূষণেৰে কৰা নাই নে? কিহে



এই ল'ৰাবোৰক প্ৰাণ দিব, কোৱাচোন। তুমি সুধিছিলা ছোৱালীৰ সম্পৰ্কে, মই কলো ল'ৰাৰ বিষয়ে ; ধৰি লোৱা অবান্তৰ। মোৰ চিঠিত "Girls as such'' বোলাৰ উদ্দেশ্য হৈছে, ইয়াত ঠিক তেনে "গাৰ্ল" নাই, প্ৰায়বোৰে "Kids" or "Babes". তোমালোকৰ জাতিটোক অপমান কৰা বুলি ভাবিছা চাগৈ ? মই কাৰণ দিওঁ। যিবোৰ দুখীয়া কামকৰা শ্ৰেণীৰ তিৰোতা, তেওঁলোকৰ ছোৱালীবোৰে সচৰাচৰ শিক্ষাৰ মুখ নেদেখাকৈয়ে বাপেক মাকৰ তত্বাৱধানত থাকি নিজে গৃহস্থালি পতা দিনলৈকে অপেক্ষা কৰে আৰু এদিন তেনেকৈয়ে অইন এজনৰ হাতলৈ হস্তান্তৰিত হয়। এইবোৰক চিৰন্তন নাবালিকা বুলিব পাৰা। যিবোৰ মধ্যবিত্ত শ্ৰেণীৰ ভদ্ৰলোকৰ ছোৱালী স্কুললৈ যায়,— তেওঁলোকৰ অবিবাহিতা শিক্ষয়িত্ৰী কেজনীয়ে আদৰ্শ,—মেম শিক্ষয়িত্ৰী বোৰৰ জীৱনৰ ভু ৰৰকৈ নাপায়, আমাৰ দেশীয়বোৰক শ্ৰদ্ধা কৰে, ঠাট্টা কৰে, আদৰ্শৰ ফালৰ পৰা অনুকৰণ কৰে। এনেতে যদি বাপেক মাকে ভিতৰে ভিতৰে বিয়াৰ দিহা কৰিব পাৰে তাকে কৰে—আৰু বিয়াৰ পাঁচ দিন আগে ছোৱালীজনীয়ে সহপাঠিকা আৰু শিক্ষয়িত্ৰীবোৰৰ পৰা অশ্ৰুভাৰাক্ৰান্ত কণ্ঠেৰে বিদায় লয়—এয়ে তেওঁৰ স্বাধীন জীৱনৰ শেষ যৱনিকা। যিবোৰে পাঠ্যাৱস্থাত বিয়া নোসোমায় বা যাৰ সুবিধা নহয়, তেওঁলোকে পাছ কৰাৰ পিছত ঘৰতে কিছুদিন অপেক্ষা কৰে, ইতিমধ্যে অভিভাৱকে ভৈয়ামৰ পৰা যোৱা কোন কোন ডেকা কোন অফিচত সোমাল আৰু কেতিয়া কনফাৰ্মড্ হব পাৰে ইত্যাদিবোৰ খবৰ বাতৰি লয়। কেতিয়াবা বিয়াৰ কথা উঠে, কেতিয়াবা পৰে,



এনেকৈয়ে জীৱনৰ চকৰি কিছুদিনলৈ বাগৰি যায়। হঠাৎ এদিন বুঢ়াই ঠাঢ়াই এটা পাত্ৰ উপস্থিত হয় আৰু তাৰে সৈতে মাঙ্গলিক সমাধা হয়। অলপমান ডাঙৰ হলে, বিয়া নহলে এটা বদনাম। বিয়াই যেন মানুহৰ জীৱনৰ তাজমহল! তাজমহল হয় এই অৰ্থত যে বহুতৰ এয়ে সমাধি মন্দিৰ। ছোৱালীৰ ব্যক্তিত্ব স্ফুৰণৰ সময় ক'ত? "গাৰ্ল" বোলাবলৈ, নিজৰ অস্তিত্ব লোকক জনাবলৈ সুযোগ কেতিয়া পালে? দুখন এখন চোৰাং চিঠি, এটি অতৰ্কিত গুপ্ত ইঙ্গিত, এটা উদ্বিগ্নতাৰ হুমুনিয়াহ ইয়াৰে জীৱনৰ অভিলাষ, ব্যক্তিত্বৰ সৌন্দৰ্য্য, বৰ্দ্ধিষ্ণু কালৰ গৌৰৱ ব্যক্ত কৰিব পাৰি নে? মই বেয়া বোলা নাই, বৰ্ণনাহে কৰিছো। যদি দুই এজনী ছোৱালী বয়সত বুজন হোৱাৰ পিছতো স্বাধীনভাৱে জীৱন যাপন কৰিব খোজে, বহুতে সগৰ্ব্বে তেওঁৰ পথ আগচি ধৰে, কোনোৱে সমাজৰ বান্ধোন-জৰি লৈ, কোনোৱে কামনাৰ মত্ত-পাশ লৈ। এইবোৰৰ হাত এৰুৱাই পলাব পৰা কেজনী ওলাব সন্দেহ। মই গৌৰৱ মাল্য দিব পৰা হলে তেওঁৰ মূৰত দিলো হয়।

মোৰ প্ৰিয় কোন? বহুত। তেওঁলোকৰ নামবোৰ যদি তোমালৈ লিখি দিওঁ আৰু তেওঁলোকৰ খবৰ লৈ থকা ভাবী শহুৰেক বোৰে তাৰ কিবা উমঘামহে পায়, তেওঁলোকৰ এই জনমত কিয় অহা জনমতো বোধ হয় বিয়া নহব। এওঁলোকৰ উজ্জ্বল ভবিষ্যতবোৰ কিয় নষ্ট কৰোঁ? আমাৰ ব্যৱসায়ৰ ৰীতি, কোনো বয়সিয়াল ছোৱালীৰ লগত অকলশৰীয়া হৈ কথা পতা বেয়া, মাকে যদি মোৰ লগত



ড্ৰইং ৰুমত এৰি খন্তেকলৈ ভিতৰলৈ যায়, মই অৱশ্যে সেই মুহূৰ্ত্ততে জাপি লাখুটি লৈ তাৰ পৰা ওলাই নাহোঁ। মই পেটৰ ভাতৰ বাবে কাম কৰা মানুহ, ব্যৱসায়ৰ ৰীতি উপেক্ষা কৰিব নোৱাৰোঁ।

মোৰ এজনী "পেছেণ্টৰ" কথা কওঁ। ভদ্ৰমহিলা এগৰাকী। তেখেতৰ যে কি অসুখ মই ভাবিয়ে ভাগৰিছো। প্ৰথম দুই এটা কলত গিৰিয়েকে আগত থাকিয়ে অসুখ-বিসুখবোৰৰ কথা কৈছিল, পিছত আৰু গিৰিয়েক নাথাকে, তেখেতেই কয়। অসুখৰ বিবৰণ দিলে চিঠিৰ কলেবৰ বাঢ়িব, তোমাৰো গা ধুই ভাত খাই কলেজলৈ যোৱাত পলম হব। 'নিউৰটিক পেছেণ্ট'। কেতিয়া যে কি হয় ধৰিবকে নোৱাৰি। তেখেতৰ অনুৰোধ যে মই সদায় যাব লাগে, কথা বতৰা পাতিব লাগে, দুখ অনুভৱ কৰা ঠাইবোৰত হাত দি পৰীক্ষা কৰিব লাগে। মোৰ আমনি লাগি আহিছে। গিৰিয়েকজন বেছি টকা পোৱা বিষয়া, ঘৈণীয়েকে ঘৰত একো বনকাম নকৰে, সেয়ে এইবোৰ নৰিয়া হবলৈ পায়। সন্তান আগেয়ে তিনিটা হৈছিল, দুটা আছে,—এতিয়া বোধ হয় 'নিয়ন্ত্ৰণ'। বয়সিয়াল মহিলা, কবলৈকো টান পাইছো। তুমি লেডি ডাক্তৰ হোৱা হলে তেখেতৰ ভাৰ তোমাকে দিলো হয়। ডাক্তৰৰ দুৰ্ভাগ্যৰ এটা পৰিচয় দিলো। তেখেতৰ ল'ৰা-ছোৱালী এটাৰ শকত নৰিয়া হলেও কিজানি তেখেতক কৰ্ম্মী কৰিব পাৰিলো হয়, আৰু তেতিয়া দৰৱ জাতিৰ সহায় নোলোৱাকৈয়ে ভালৰ পিনে আগবাঢ়িলেহেঁতেন।



জীৱনত সুখ বৰ বিৰল যেনেই দেখিছো।

"সুখৰ কণিকা ফেৰি জিলিকে যেতিয়া উৰি

জোনাকী উৰণে" —এনে কিবা এটা গোহাঁইবৰুৱাৰ কবিতা আছে নহয়? মানুহৰ সুখবোৰ স্থায়ী হোৱাহেঁতেন বৰ বেয়া নহল হয় কিজানি। নে অস্থায়ী দেখিয়ে মনত লাগে? তোমালোকে ফিলছফিৰে কি জানা লিখিবাচোন।

এটা মেকুৰী পোৱালিয়ে মোক বৰকৈ আদৰ লগায়,—সি গাত ইমান লেটিয়ালেট কৰে যে কেতিয়াবা মই বিৰক্ত হওঁ। তাতকৈ আপোনো অৱশ্যে মোৰ কোনো নাই। ইতি

তোমাৰ—

**প্ৰকাশ**



( ৩১ )

ছিলঙ

.................

অলকা,

তোমাৰ চিঠি পাই অলপ চিন্তাত পৰিলো। অৰুণা কোন জনা ছোৱালী? মই ইয়ালৈ আহোঁতে তোমাৰ লগত ষ্টেছনলৈ আহিছিল জানো? নাকটো অলপ শকত, আগটো অলপ ভাটৌৰ ঠোঁটৰ দৰে, বাও গালৰ আধামানত এটা তিল, ওঁঠত ঘন নোম, বৰণত বগা, চেলাউৰি যোৰ টনা আৰু দীঘল, চুটি চাপৰকৈ, সেই ছোৱালীজনী? দেখিবলৈ ধুনীয়া বৰং attractive? যদি তেওঁৱে হয়,—বেচেৰীৰ অসুখৰ অৱস্থাত মই এনেকৈ নবৰ্ণালেও হ'লহেঁতেন। একো ভয় খোৱাৰ কাৰণ নাই, মুখেৰে তেজ পৰিলেই একেটা নৰিয়াই হব, তাৰ একো অৰ্থ নাই। তেওঁৰ পৰীক্ষাৰ সময় তাতে,—তোমাৰো অৱশ্যে। বেছি 'নাৰ্ভাছ' নহবা। যদি হোটেলৰ পৰা ওলাই আহিবলৈকে কৈছে আৰু তেওঁ ছিলঙলৈকে আহিবলৈ ইচ্ছা কৰে, মই অৱশ্যে যিথিনি পাৰোঁ যত্ন লম। তেখেতৰ ঘৰৰ পৰা কোনোবা মানুহ লগত আহিলেহে সুবিধা হব, মই অৱশ্যে ইয়াত আগধৰি হোটেলত বোলা বা ডাক্তৰখানাত এখন ছিটৰ আয়োজন কৰি ৰাখিব পাৰোঁ। মই গৈ অনাৰ যিটো প্ৰস্তাৱ কৰিছা, তাত অলপ অসুবিধা আছে। তোমালোকৰ সৰলতা মই বুজিছো, কিন্তু সামাজিক আচৰণৰ বন্ধা নীতি বা code বোৰ বহুত সময়তে মই ৰাখিব খোজোঁ। ৰাখিব নোখোজোঁ,



কিন্তু ব্যৱহাৰিক জগতে কয়—"বৃথা !" মই ব্যৱহাৰজীৱী, এই কথাটো তুমি নাপাহৰিবা ! ভাৱালী, যাদৱপুৰ ইত্যাদি বোৰ ঠাইৰ নাম কৈ বেচেৰীক হতাশ আৰু ভীত কৰি যেন কোনোৱে নোভোলে। মৃত্যু সকলো ঠাইতে আছে, আমি সদায় তাৰ গৰাহতে আছো, যেতিয়ালৈকে সি তাৰ বিকট মুখ নজপায় তেতিয়ালৈকেই আমাৰ জীৱন। ভয় মৃত্যুতকৈও ভয়াবহ আৰু অনিষ্টকাৰী।

যদি তথাপি তোমালোকৰ ধৈৰ্য্যই নামানে, মোলৈ টেলিগ্ৰাম কৰিবা, মই যাম। মোৰ দায়িত্বখিনি ধীৰে সুস্থিৰে ভাবি চাবা কিন্তু। আৰু যদি তোমাৰ এই বন্ধুজনা মই অনুমান কৰা জনা নহয়, তথাপি একো আপত্তি নাই, কিন্তু মোৰ চিঠিত যে আন এজনী ছোৱালীৰ বৰ্ণনা কৰা আছে এইটো অনুগ্ৰহ কৰি তেওঁক জানিব নিদিবা। তেওঁ আঘাত পাব। এনেও হব পাৰে যে মোৰ চিকিৎসালৈ আহিবলৈও অনিচ্ছা কৰিব। ৰোগীজনীৰ প্ৰতি মৰম ৰাখি আচৰণ কৰিবা।

তোমাকে ঠাট্টা কৰিবৰ মন আছিল, কিছুমান কথা মোৰ জমা হৈও আছিল। আজিলৈ আৰু একো কোৱা নহব। মোৰ প্ৰতি তোমালোকৰ বিশ্বাসত মই মুগ্ধ হৈছো। ইতি

তোমাৰ—

প্ৰকাশ



( ৩২ )

ছিলঙ

................

অলকা,

তোমালৈ চিঠি লিখাত অৱশ্যে বহুত দিন পলম হল, ক্ষমা কৰিবা। শ্ৰীমতী অৰুণাৰ স্বাস্থ্য এতিয়া বহুত ভাললৈ আহিছে। তেওঁ এতিয়া মাজে মাজে হাঁহেও, কথাও পাতে। মাজে মাজে মন মাৰি বহি থাকে। মই তেওঁক চাবলৈ যোৱাত পলম হলে থং কৰে। থং কৰি গালি নাপাৰে, নিজৰ প্ৰকৃত ৰূপটো লুকুৱাই পেলায়। তাৰ পিছতে ঠিক যেন আন এজনী ছোৱালীয়ে কথা পাতে। লাহে লাহে কথা কয়, জুখি জুখি শব্দবোৰ পেলায়,—নিতান্ত আৱশ্যকীয় বুলি ভবা কথাখিনি কয়, অসুখৰ মাত্ৰাটো অলপ বেছি বুলি কয়, ইয়াত ভাল লগা নাই, ঘৰলৈকে যাব—তেওঁৰ আলপৈচান ধৰা মানুহজন অপৈণত, লগত অহা দদায়েকৰ ঘৰত কাম আছে, সৰহদিন ইয়াত থকা অসম্ভৱ,—তেওঁৰ নিচিনা এজনী ছোৱালী মৰিলেই বা থাকিলেই তাত কাৰ কি হব—এনে সুৰত কথাবোৰ কয়। তুমি প্ৰায় অনুমান কৰিবা যে তেওঁ অতি যুক্তিযুক্ত কথাবোৰ কৈছে। মই তেওঁৰ শিতানত থকা চাৰ্টখন চাওঁ, ৰঙা চিয়াহিৰে লিখা কথাবোৰ পঢ়োঁ, আৱশ্যক বিবেচনা



কৰিলে হাস্পাতালৰ ডাক্তৰৰ লগত কথা পাতোঁ, খাদ্য সম্পৰ্কে অকণাক সোধোঁ, খুৱাক আহিছিস নে নাই, নহলে কলৈ গল ইত্যাদি কথা পাতি মই যেতিয়া গহীন হৈ যাব ওলাওঁ—তেওঁ সোধে অলকাৰ চিঠি কিবা পাইছে নেকি ? মই তোমাৰ কথা কওঁ,—তেওঁ কাণ পাতি শুনে, মোক বহিবলৈ অনুৰোধ কৰে, বহুত সময়ত এটা মুখ বন্ধেৰে—"যদি আপোনাৰ বিশেষ ক্ষতি নহয়··· ।" মই বহি কথা পাতোঁ, তাৰ পিছতহে তেওঁৰ প্ৰকৃত ৰূপ ধৰা দিয়ে। তেতিয়া যি ধুনীয়াকৈ কথা কয় তাত মুগ্ধ নোহোৱাকৈ থকা টান। মই আগেয়ে জানো তেওঁক বুদ্ধিমতী বুলি। তুমি অলপ দুষ্টালি কৰিছা, তোমাৰ চিঠিত মই তেওঁৰ এটা বৰ্ণনা দিয়া বুলি তুমি কৈছিলা।—তেওঁ মোক প্ৰায় সোধে—"আপুনি মোৰ বিষয় কেনেকৈ ইমানবোৰ মনত ৰাখিলে ?" এইবোৰ প্ৰশ্নৰ "কিয়" আৰু "কেনেকৈ"ৰ সমিধান দিয়া বৰ টান কথা।

মোক অলপমান নিৰুত্তৰ হৈ থকা যেন দেখিলেই সোধে "বাৰু, আপুনি অলকাক কেতিয়া চিনিলে, কেনেকৈ, কওকচোন।" ইমানবোৰ পুৰণি কথা কবলৈ কাৰবাৰ ভাল লাগে নে ? কেতিয়াবা তেওঁ তাত্তোকৈ নিৰ্দ্দয় ভাবে কয়—"আপুনি চাগৈ অলকাৰ কথা ভাবি থাকোঁতে মোৰ খবৰ লবলৈকে পাহৰে !" এইবোৰ কথা বৰ নিৰ্দ্দয় যেন লাগে। ছোৱালী যে ইমান কঢ় হব পাৰে মোৰ ধাৰণা নাছিল। মই তেওঁক বেয়াকৈ কব নোৱাৰোঁ। মোৰ চকুত পৰে তেওঁৰ anguished soul,—ৰোগশুষ্ক দেহ। মই সান্ত্বনা দিবলৈ বিচাৰোঁ, মৰম কৰিব খোজোঁ। কেতিয়াবা তেওঁ কান্দে। এইবোৰ



কথা মনত পৰিলে ঘৰত নিজানত মোৰো চকুলো ওলায়। These human reactions, I do not understand.

এবাৰ শদিয়া এৰি গুছি আহিছিলো—মনৰ নিতান্ত ক্ষিপ্ততাত। তেতিয়া সকলো কথা তোমাক জনাব পৰা অৱস্থাত নাছিলো। নিজানত বহি কেৱল আত্মোন্নতিৰ কথা ভাবিছিলো। নিজে কেনেকৈ কিবা এটা হওঁ,—কেনেকৈ মোৰ কথাৰ মূল্য বাঢ়ে, ব্যক্তিত্বৰ আদৰ বাঢ়ে, জ্ঞানৰ গৰিমা প্ৰত্যেক কথাৰ মাজেদি ব্যক্ত কৰোঁ এনে এটা অভূতপূৰ্ব্ব আকাঙ্ক্ষা আৰু অহঙ্কাৰৰ ছাঁ মোৰ প্ৰত্যেক কামতে পৰাত ভাবিলো—জন বহুল সমাজৰ মাজলৈ গৈ এবাৰ নিজক পাহৰিবলৈ চেষ্টা কৰোঁ। য'ত তোমাৰ আৰু মোৰ বাবে সমান আসন নাপাওঁ, গৌৰৱৰ ওখ টিঙো মোৰ ভাল নালাগিব, সেয়ে মোৰ কাইটীয়া বিচনা হব। সেই কাৰণে ছিলঙলৈ আহিলো। মোৰ জনা আছিল—ৰাজধানী বোৰ প্ৰাণহীন, ইয়াত কোনোৱে কাৰো বাবে নাভাবে। মই মুক্ত হৈ সকলো ঠাইতে সোমাম, সকলোৰে পৰা ওলাই আহিম,—প্ৰকৃতিক ভাল পাম, তোমাক শ্ৰদ্ধা কৰিম, নিজক পাহৰিম, সৰি পৰা ফুল পাহিৰ লগতো কথা পাতিবলৈ আহৰি পাম। মই ছিলঙত থাকি সেই কাৰণেই ভাল পাইছিলো। মোৰ কান্ধলৈ বল আহিছিল, অন্তৰলৈ দৃঢ়তা আহিছিল আৰু মনলৈ প্ৰফুল্লতা আহিছিল। তোমাক কোন এজনে অলপ আদৰ জনাইছিল মই তাতেই চঞ্চল হৈ পৰা কথা তুমি নিশ্চয় বুজিছিলা। মই এতিয়া তাৰ ঠাইত দৃঢ়তৰ বান্ধোনৰ শিকলি ৰচিছিলো,—হব পাৰে মূৰ্খৰ দৰে। এইবোৰ কথা সাধাৰণ অৱস্থাত



তোমাক কব লগীয়া কথা নাছিল। কিন্তু মোৰ ভাগ্য আকাশত এই ছটা কি কলা মেঘ আকৌ উঠিল! মই আজি ছিলঙ এৰি যাব পাৰোঁ, সেইটো কাপুৰুষৰ কাম হব। মানুহৰ অন্তৰ ইমান অবুজ নে? মানুহৰ ভালপোৱা ইমান আৱশ্যক নে? ভালপোৱা মানুহৰ নিতান্ত নিৰ্দ্দিষ্ট সংখ্যা থকাহে বাঞ্ছনীয় নে?

অৰুণাৰ স্বাস্থ্যোন্নতিৰ ফালে মই চাম। পৰীক্ষা দিব নোৱাৰিলে বুলি কেতিয়াবা কেতিয়াবা বেজাৰ কৰে। তেওঁলৈ তুমি মৰমিয়াল চিঠি লিখিবা। ভাল হব, ভয় নকৰিবা। এটা বছৰ ক্ষতি হল, হল।

মই ছিলঙত ঘৰে মাটিয়ে কিনাৰ কথা আছিল। তুমি চাই নিদিলে আৰু ঘৰ নলওঁ। অলক্ষী ঘৰত থাকি শান্তি নহব। তোমাৰ মাৰালৈ মোৰ মনত পৰিছে। তুমি পৰীক্ষা দি যোৱাৰ পৰা চাগে তেখেতসকলে উদ্বিগ্নহে আছে। তোমাৰ ভাইটি ইবেলি কোন ক্লাছত?

অৰুণাই তোমালোকলৈ চিঠি লিখিবলৈ ভয় কৰে—কিজানি তোমালোকে তেওঁৰ চিঠিবোৰ হাতত লবলৈ ঘিণ কৰা। ধুনীয়া ফুল পাহিৰ দৰে তেওঁৰ চকুলো ভৰা চকুহটি! জগতখন এনে 'আইবনিৰে' ভৰা! তোমালৈ স্নেহেৰে। ইতি

তোমাৰ—

**প্ৰকাশ**

( ৩৩ )

ছিলঙ

অলকা,                                                   ...............

মতা মানুহ বুলিলেই এটা গৰ্ব্ব থাকে, সেই গৰ্ব্ব মোৰো আছিল, এতিয়াও যে নাই তেনে নহয়। সেই গৰ্ব্বত আঘাত লাগিছে বুলিয়ে আজি ধৰা দিছে। আমি বহুত সময়ত আমাতকৈ তোমালোকক নিকৃষ্ট বুলি ভাবোঁ। After all, a woman. লিখকসকলে তোমালোকক যি অন্যায় কৰিছে তাৰ কথা এতিয়া নকওঁ। কিন্তু তুমি যেনে আচৰণ কৰিলা, মই অবাক হৈছো। মই ভাবিছিলো শ্ৰীমতী অৰুণাই অনিচ্ছাতো মোৰ সময় আৰু মনৰ ওপৰত যি প্ৰভাৱ বিস্তাৰ কৰিছে তুমি তাত অলপ ক্ষুন্ন হবা আৰু মোক তাকেই জানিব দিবা। তুমি হয়তো মোৰ আশ্বাস গ্ৰহণ কৰিছা, কিন্তু তোমাৰ সন্দেহৰ নিশ্বাসত ডালিমৰ পাত এটিও নলৰিব নে? অৱশ্যে অ'থেলোৱে ডেছদিমোনাক মাৰিছিল, ডেছদিমোনাই সেইখিনি খণ্ডত অ'থেলোক বিহ নিদিলেও নিদিব পাৰিলেহেঁতেন কিন্তু সন্দেহত ৰাতি খন্তেকো জাগি নাথাকিলে হেঁতেন নে? তোমালোকৰ ছাইক'লজি নুবুজোঁ, তোমালোকৰ ভাব-ধাৰা বুজা মোৰ পক্ষে অসম্ভৱ। এইটো যুদ্ধৰ পিছৰ শান্তি, নে আগৰ নিস্তব্ধতা? যদি শিঙা বাজে তোমাৰ ফালৰ পৰাই বাজিব। মই পলালেও কাপুৰুষতা নুবুলিবা, Strategic retreat বুলিবা।

তোমাৰ প্ৰশ্নবোৰ মোৰ ভাল লাগিছে। স্বৰ্গ সম্বন্ধে মোৰ কি ধাৰণা? "জ্ঞান মালিনী"তে যি স্বৰ্গৰ বৰ্ণনা পঢ়িছিলো, এতিয়া ভালে-



থিনি পাহৰিলেও অলপ অলপ মনত আছে। তুমি ভৈয়ামত্ত কিতাপখন পাবা, পঢ়ি চাবা, আমাৰ ইয়াত তেনেবোৰ কিতাপ নীলাচলত কাছকণী। কি আছেচোন—

"জয়মালা তাত হয় বজ্ৰপাত
পৰে ফুল বৰষুণ
প্ৰেম ব'দালিয়ে চুলি মেলি দিয়ে
কৰে ভোমোৰাকে খুন।"

যদি কবিৰ বৰ্ণনাত তুমি সন্তুষ্ট নোহোৱা মোৰ নিজৰ কল্পনাৰে টানি টুনি তোমাক এটা চিত্ৰ দিব পাৰোঁ। খৃষ্টিয়ানী স্বৰ্গখন ভাল কিজানি? আমাক এগৰাকী বুঢ়ী মেমে কৈছিল,—আমি কলেজত পঢ়া দিনত। মই আৰু বহুত ডেকা ল'ৰা আছিলো। তেখেত তেখেতৰ গিৰিয়েক আৰু নিজলৈ আঙুলিয়াই কৈছিল যে স্বৰ্গত তেখেতসকলৰ এৰা এৰি নহব, দ্বন্দ খৰিয়ালো নহব, ইংৰাজীত নকলে মোৰ ইন্স্পিৰেছন নাহিছে—"I and my husband, we never, never shall part,—never shall we have a cross-word." আজিকালিৰ দিনত "ক্ৰছ-ৱৰ্ড" (পাজল্) কৰা ল'ৰাবোৰে চাগৈ ভাবিব—কি নিষ্কৰ্ম্মা-জগত! যাওক। আমাৰ ভিতৰত এজন আছিল অলপ টেটোন,—তেওঁ সুধিলে—"আপুনি কোনজন গিৰিয়েকৰ লগত থাকিব, এইজন নে আগৰ জন?" বেচেৰী এবাৰ বিধবা হৈছিল। ইয়াৰ পিছত তেখেতে উত্তৰ দিবলৈ টান পালে, আমি আমাৰ বন্ধুজনক কলোঁ—"যোৱা, বি পোৱা তাকে কোৱা।" দেখা যায়, সেই স্বৰ্গতো অলপ 'পাজল্' আছে।



তোমালোকৰ ইন্দ্ৰ সম্বন্ধে মোৰ নিজৰ বৰ ভালকৈ ধাৰণা নহয়। "ইন্দ্ৰায় স্বঃ", "অগ্নয়ে স্বাহা" এনেবোৰ যেতিয়া গোৱা মোৰ মনত ধাৰণা হয় যে এটা শক্তিমান দেৱতাকে পূজা কৰিছা, কিন্তু তোমালোকৰ পুৰাণবোৰত ইন্দ্ৰক কদাকাৰ ক্ষমতালিপ্সু, ভীৰু, বিলাসপ্ৰিয় ৰজা এজন কৰিছা যেন লাগে। শাস্ত্ৰ সম্বন্ধে মোৰ জ্ঞান নাই বুলি তোমাক আগতে কৈছো, একো অপৰাধ নধৰিবা। মোৰ যিমানদূৰ অনুমান ইন্দ্ৰৰ ৰাজ্যত এস্পাল্ট্ দিয়া ম'টৰেব্‌ল্ ৰোড বহুত আছে, অকলশৰীয়া ড্ৰাইভৰ বাবে 'বিউটিফুল' ঠাই। যদি কোনোবা অপ্সৰাই ভলান্টিয়াৰ কৰে, বোধ হয় তেওঁকো এটা লিফ্‌ট্ দিব পাৰা। নহলে, 'নন্দন-ষ্টেশুত' গাড়ীখন থৈ গধূলি অলপ নন্দন-ফুলনিত ফুৰবলৈকো বেয়া নালাগিব। আমি যদি মাতলিৰ নিচিনা বিলায়েব্‌ল্ ড্ৰাইভাৰ এটা পাওঁ—পিছৰ ছিটত দুয়ো বহি কেইমাইল মান ফুৰিয়ে আহিব পাৰোঁ। শুক্লা অষ্টমীৰ জোন যদি কাবৰীয়াকৈ উঠে, পাৰিজাতৰ সুঘ্ৰাণে যদি গোটেইখন আমোল মোলাই যায়,—তুমি গাড়ী ৰখাবলৈ নকবা। বিশ্বৰ পাৰলৈকে, স্বৰ্গৰ মূৰলৈকে আমাৰ যান যাব, যদি ঘূৰি আহিবৰ বাট নাপাওঁ, নাপালোৱে বা ?

ঘড়িত বাৰ বাজে, মই শোওঁগৈ দেই। তুমি সপোনত নাহিবা, ৰাতি আৰু স্বৰ্গলৈ নোলাওঁ। শ্ৰীমতী অৰুণাই এতিয়া অলপ উঠা বহা কৰিব পাৰে। তেওঁক সোনকালে বাহিৰত আনি ৰখাৰ আয়োজন কৰিব লাগিব। আমাৰ দুয়োৰে শুভ ইচ্ছা গ্ৰহণ কৰিবা। ইতি

তোমাৰ—

**প্ৰকাশ**



( ৩৪ )

ছিলঙ

অলকা,

মই পৰা হলে পৰীক্ষাৰ আগতে তোমাক এই চিঠিখন নিদিলো হয়। একো একোবাৰ ভাবোঁ যে এই পৰীক্ষাবোৰকো অযথাভাৱে প্ৰাধান্য দিছো। এই পৰীক্ষা সীতাৰ অগ্নি পৰীক্ষা নহয় যে ৰামৰ সকলো সঙ্কোচ, সন্দেহ, দ্বিধা, তাৰ দ্বাৰাই খণ্ডন হব, অথচ ৰামে সেই পৰীক্ষাৰ ফলৰ ওপৰতো শেষলৈ আস্থা ৰাখি থাকিব নোৱাৰিলে। সীতা বোধ হয় নিতান্ত নিৰীহ ছোৱালী আছিল! তোমাৰ এই পৰীক্ষা,—তথা কথিত বি,এ পৰীক্ষা,—ইয়াৰ ওপৰত কি নিৰ্ভৰ কৰে? বিদ্যাৰ মাপ কাঠি? চাকৰি লাভৰ আহিলা? ভদ্ৰতাৰ আসন? সমাজত সন্মান? অলপ যদি নিৰপেক্ষ ভাৱে চোৱা দেখিবা—এটা অন্যায্য মূল্য নিৰূপণ,—artificial values. পঢ়িছা পঢ়া, পঢ়াত যোগ্যতা লাভ হয় অৱশ্যে,—ডিগ্ৰীলাভত যোগ্যতা নিৰূপণ নহয়। এইবোৰ শিক্ষালয়ৰ মাজেৰে নগলে আন ঠাইত আমাৰ শিকিবৰো ঠাই নিচেই কম, সেয়েহে এনে অৱস্থা, নহলে ভাৰতৰ মানুহবোৰ তেনেই মূৰ্খ নাছিল।

বোধ হয় এটা বলিয়ালি,—এটা craze। মই অৱশ্যে ভাবটো একে বেলিয়ে ঢাকি দিব পাৰোঁ—কিন্তু দিয়া উচিত হব নে সেই বিষয়ে ভাবিছো। তোমালোকৰ মনস্তত্বই কি কয় মই নাজানো, কিন্তু হেঁচি দমাই থোৱা ভাববোৰৰ এটা প্ৰতিক্ৰিয়া মানুহৰ শৰীৰততো আছেই,




মোৰ অনুমান জগতত্তো আছে। প্ৰতিক্ৰিয়া হয়তো দেখাত তীব্ৰ নহবও পাৰে কিন্তু "স্লো পইজনৰ" নিচিনা কাম কৰে। চিধা কথা এটা কলে মোৰ ঘূৰা-পকা বহুত কথা নকৈও পাৰি। আজি কিছুমান দিনৰ পৰা এটা প্ৰবল ইচ্ছা হৈছে—তোমাক চাবলৈ। কথাষাৰ লিখাত কিন্তু মই লাজ পাইছো দেই। কিয় জানো একান্ত আগ্ৰহ হৈছে। তাতে বুলি তুমি আহিব নালাগে। কিন্তু এনে হেপাহ কিয় হৈছে মই বুজা নাই। তোমাৰ ফটো খোজাৰ কথা এবাৰ মনত খেলিছিল সেইটো নিতান্ত ল'ৰামতীয়া কথা। ফটোত যেনে দেখিম তাতকৈ মনেৰেই মই ভাল দেখিছো,—কিন্তু এই ইথাৰৰ ব্যৱধানখিনি মোৰ চকুৰ শিৰা উপশিৰাবোৰে ভাল পোৱা নাই। এই নাৰ্ভবোৰে বিচাৰে তোমাক নিজে আনি মূৰত যোগাবলৈ।

তুমি উচাটন নহবা,—এই চিঠিখন নিলিখিলে মোৰ মনে মোক নেৰিছিল। ছেফটিভাল্‌ভ স্বৰূপেহে লিখিলো।—এতিয়াও এই চিঠিখন ফালি পেলাবৰ মন গৈছে, কিন্তু এই চিঠিখন ফালি পেলালেতো মোৰ মন বা প্ৰবৃত্তি বা মানসিক তৃষ্ণাতো ফালি পেলোৱা নহয়। ইতি


তোমাৰ—

**প্ৰকাশ**

পুনঃ—মই আৰু তোমাৰ পৰীক্ষা হৈ যোৱাৰ আগতে চিঠি নিদিওঁ। তুমি ভালকৈ পৰীক্ষা দিয়া, ঘৰলৈ যাবৰ দিনাখন মোলৈ এটা পোষ্টকাৰ্ড লিখি যাবা। তোমাৰ মঙ্গল কামনা কৰোঁ। ইতি

তোমাৰ—

**প্ৰকাশ**



( ৩৯ )

ছিলঙ

................

অলকা,

ইয়াৰ আগতে এখন চিঠি দিছো, সেইখন বোধ হয় তুমি পোৱা নাই। অৱশ্যে কোনো উদ্দেশ্য সাধনৰ বাবে সেই চিঠিখন দিয়া নাই। ভুল মই সদায় কৰোঁ, কিন্তু তুমি যেনেকৈ দোষাৰোপ কৰিছা তেনে ভুল মই কৰা নাই। মই আগেয়েও এবাৰ লিখিছো এতিয়াও আকৌ এবাৰ লিখিবলৈ বাধ্য যেন বিবেচনা কৰিছো—"তুমি ছোৱালী নোহোৱা-হেঁতেন ভাল আছিল।" মোৰ বহুত ভাব তোমাৰ লগত নিমিলে, তুমি অকল ছোৱালী বুলি। কোনো এটা বস্তুলৈ মই যি দৃষ্টিত চাওঁ তুমি সেই দৃষ্টিত নোচাবা, কিয় নোচোৱা ?

মোৰ ওপৰত যিমান খং অভিমান, অভিসম্পাত আছে পৰীক্ষা দি উঠি দিবা। মোক তুমি বিশ্বাস কৰা মই জানো। তোমাৰ আটাই-খিনি কথা মই মূৰপাতি লৈছো। মনৰ শান্তি নেহেৰুৱাবা। মোতকৈ যোগ্যবান ব্যক্তিৰো তুমি শ্ৰদ্ধাৰ পাত্ৰী। তুমি নহয় ঘৰলৈ গৈ মোক চিঠি দিবা। শ্ৰীমতী অৰুণাৰ পক্ষে পুতৌৰ নিতান্ত প্ৰয়োজন। তোমাৰ মোৰ স্বাৰ্থতকৈ তেওঁৰ জীৱনৰ মূল্য বেছি।

অতি আন্তৰিকতাৰে সৈতে। ইতি

তোমাৰ—

প্ৰকাশ



( ৩৬ )

ছিলঙ

................

অলকা,

তুমি পৰীক্ষা দি গ'লা, মোক খবৰকে নিদিলা? মহাভাৰতত নেকি আছে, অৰ্জ্জুনে শৰ ধৰাৰ আগতে ভীষ্ম আৰু দ্ৰোণাচাৰ্য্যক শৰেৰে পূজা কৰি লৈছিল, তাৰ পিছত তেওঁলোকৰ বিৰুদ্ধেও আৱশ্যক মতে শৰ নিক্ষেপ কৰিছিল। আজি তোমাকো মোৰ শ্ৰদ্ধা জয়জয়তে জনাই লৈছো—তাৰ পিছত অপ্ৰিয় কথা অলপ হয়তো কব লাগিব।

তুমি মোলৈ চিঠি নিদিলা অভিমানত। তোমাৰ চিঠিৰ ভাব, বোধ হয় মনবো ভাব যে মই শ্ৰীমতী অৰুণাক মৰম কৰোঁ। আজি কালিৰ চলিত ভাষাত—ভাল পাওঁ? কি অনিষ্ট কৰিলো? তোমাক যদি মই ভাল পাব পাৰো, তেওঁক নোৱাৰোঁ? তোমাক যদি পূজা কৰিব পাৰোঁ, তেওঁক শ্ৰদ্ধা কৰিব নোৱাৰোঁ? অকল তেওঁক কিয়, বিশ্ব ব্ৰহ্মাণ্ডক মই পূজা কৰিলো,—তোমাৰ ক'ত পূজাৰ ফুল ঘাটি হ'ল? মোৰ শ্ৰদ্ধা তোমাৰ স্বতন্ত্ৰীয়া? কি কাৰণত তুমি একচেতীয়া অধিকাৰ বিচৰা? মই তোমাৰ সপোনৰ লগত জড়িত আছো? মই তোমাৰ ঘৃণাৰ লগতো মিশ্ৰিত আছো, তোমাৰ গালিৰ আগত তুলা যেন হৈ



উকৰিছো। তুমি আজি কবা, মই তোমাক নির্দ্দয় ব্যৱহাৰ কৰিছো। তুমি কান্দিবা, তুমি জগতক শাপিচা, তুমি স্ত্ৰীজন্মক ধিক্কাৰ দিবা। আজি এই সকলোৰে বাবে মই সাজু আছো। কথাৰে তোমাক আশ্বাস নিদিওঁ, কাওঁ-বাওঁ কৰি তোমাৰ দয়া ভিক্ষা নকৰোঁ। যদি তোমাক যুক্তিৰে মোৰ মনৰ ভাৱ বুজাব নোৱাৰোঁ, অন্তৰৰ উত্তাপেৰে তোমাক ঘূৰাব নোখোজোঁ।

চোৱা,—মোৰ ভাল পোৱাৰ একো অৰ্থ নাই, এটা তৃপ্তি; Pure fancy। জগতৰ ভাল পোৱাৰ কি অৰ্থ মই নুবুজোঁ, যদি বুজোও, সি অলপ অস্পষ্ট। তেনেকৈয়ে মই তোমাক ভাল পাইছিলো, আৰু যদি বৰা আন এজনী ছোৱালীক ভাল পাইছো—তোমাৰ প্ৰতি মোৰ আস্থাটো কেনেকৈ কমিল? মই কালিদাসকো ভাল কবি বুলিলো, ভবভূতিকো ভাল বুলিলো, তেওঁলোকৰ কাৰবাৰ ক্ষতি হল নে? মোৰ যদি বিচাৰ শক্তিৰ হ্ৰাস হৈছে সেইটো বেলেগ কথা,—কিন্তু কবিবোৰৰ অনিষ্ট কি? মই কলো—মই গোলাপৰ গোন্ধও ভাল পাওঁ, যুতিৰ গোন্ধও ভাল পাওঁ,—কোনোবাটো ফুলৰ সম্ভ্ৰম কমিল নে? যদি মই এটাক স্থানচ্যুত কৰি আনিলোহেঁতেন সেইটো নহয় বেলেগ কথা। মই অনুমান কৰোঁ তোমালোকে কবা—"আমাৰ তিৰোতাবোৰৰ বা ছোৱালীবোৰৰ কথা আপুনি নুবুজে।" মই বুজোঁ, মই দেখিছোও। তোমালোকৰ কোনো এগৰাকী ছোৱালীৰ প্ৰতি প্ৰকৃত আত্মীয়তা বা সহানুভূতি নাই। এটা ল'ৰাই এটা কাম কৰিব নোৱাৰে, বয়সিয়াল মানুহটোৱে অলপ ধৈৰ্য্য ধৰি তাক শিকাই দিয়ে, বহুত সময়ত মৰমেৰে



শিকাই দিয়ে, ছোৱালী এজনীক হলে তোমালোকেও শিকাই দিবা হয়—কিন্তু সেই পৰিমাণ মৰম আৰু সহানুভূতি তোমালোকে নেদে-খুওৱা। কিন্তু ল'ৰা এটাক যদি শিকাই দিয়া তোমালোকে আমনি নোপোৱাকৈ বৰং হাঁহি মুখেৰে তাক দহবাৰ হলেও সহ্য কৰি শিকাই দিবা। শাহু বোৱাৰীয়েকৰ ক্ষেত্ৰতো মোৰ এই কথাটোৰ প্ৰমাণ চাবা। শহুৰেকৰ লগত জোৱায়েকক আনি দিয়া, তেওঁলোক ইমান অসহিষ্ণু নহয়।

শ্ৰীমতী অৰুণা কগ্না। তেওঁৰ প্ৰতি মই মৰম দেখুৱাইছো, স্পষ্ট কথা কবলৈ গলে, মোৰ মন তোমাৰে ভৰি থকাত বহুত সময়ত মই কৰ্ত্তব্য আৰু আকৰ্ষণৰ অনুপাতে তেওঁৰ যত্ন লব পৰা নাছিলো। সেই সামান্য কথাষাৰকে তুমি বেয়া পাইছা। তেওঁৰ জীৱন তোমাৰ দৰে মূল্যৱান নহয় নে? মই পিছৰ চিঠিত তেওঁৰ বিষয়ে তোমাক বহলাই লিখিম। তুমি সেই চিঠিখন নহয় নপঢ়াকৈয়ে ফালি পেলাবা।

তোমালৈ মোৰ মনটো অভিমানেৰে ভৰি থকা হলে আজি তোমালৈ চিঠিকে নিলিখিলোহেঁতেন। মোৰ মনৰ কথা আড়ম্বৰ নোহোৱাকৈ তোমাক জনাই যি ব্যথাভৰা শান্তি পাওঁ ই অকল তাৰেই নিদৰ্শন। তোমাক ক্ষমা ভিক্ষা কৰা মোৰ উদ্দেশ্য নহয়। মোৰ লগত তৰ্ক কৰা, গালি পাৰা, মই ভাল পাম—কিন্তু ভুলকৈ বুজা আৰু ঠেক দৃষ্টিৰে চোৱা এই দুয়োটাতে মই কষ্ট পাওঁ। তুমিও পোৱা। ভুল আমি কৰোঁ তাতে বুলি আমি বন্ধু বান্ধৱবোৰৰ পৰা আঁতৰি যাওঁ নে? মাকে-পিয়াহ দিওঁতে ল'ৰাই কামুৰিলে মাকে শিশুক গুচাই মাৰে নে?



বহুত বক্তৃতা দিলো, অকলশৰীয়া মনৰ ইও এটা forte. পৰীক্ষা দি উঠি তোমাৰ কেনে লাগিছে? অলপ শূইন শূইন যেন লাগে, নহয় নে? এই মুহূৰ্ত্তবোৰক ৰসাল কৰিবলৈ কেতিয়াবা টান পোৱা যায়। মোৰ নিজা অস্তিত্বটোকে কেদিনমানলৈ ৰাখিবলৈ মন নোহোৱা হৈছে। একে বেলিয়ে লোপ পাই যাব, সেইটোও বেছি ভাল নালাগে। তোমাৰ গাত আউজি কেদিনমানলৈ জিৰণি লব পৰা হলে ভাল আছিল।

তুমি মন মাৰি নাথাকিবা দেই। যদি এতিয়াও পৃথিবীখন স্বাভাৱিক যেন পোৱা, ঘৰখন আগৰ ঘৰ যেন পোৱা, তেতিয়াহে জানিম যে শিক্ষাই তোমাৰ ওপৰত অযথা প্ৰভাৱ বিস্তাৰ কৰা নাই।

আলেকজেণ্ডাৰে মাকক কি কৈছিল—"তোমাৰ এটুপি চকুলো মচিবলৈ মই জগতত কি কৰিব নোৱাৰোঁ।" নে কি? বুঢ়া হৈ আহিলো আৰু, কথা মনত নৰয়। ইতি

তোমাৰ—

প্ৰকাশ



( ৩৭ )

ছিলঙ

................

অলকা,

চৌধাৰীয়ে কেতেকীত কি লিখিছিল—

“যতে ততে আৰু গাভৰুক লৈ

নাগাবি কিজানো ( ? ) গান,

কোমল প্ৰাণত সাঁচ বহুৱাই

নামাৰিবি চোকা বান।” নে কি ?

মই তোমালোকৰ প্ৰাণ লৈ গান গোৱা বুলি ভাবিছা, কেৱল ধেমালি কৰা বুলি ভাবিছা ? মোক তোমালোকে জুৰুলা কৰিলা, ভাগ্যে টকা পইচাৰ জুৰুলা নহয়। তুমি সুধিছা—‘ভূমিকম্প গল নে ?’ গলতো, ১৮৯৭ চনতে গল। এটা কথা দেই কিন্তু লিটন প্ৰণীত “পম্পেয়াইৰ প্ৰলয় কাহিনী”ৰ ভুঁই-কঁপটো ভাল। সেই গোলমালৰ মাজত গ্লোকাচ আৰু আইয়নে যেতিয়া সাধাৰণ বিপদৰ মাজেদি পৰস্পৰৰ সান্নিধ্যখিনি উপভোগ কৰিবৰ সুযোগ পাইছিল। মোৰ কিন্তু দৃষ্টি শক্তি হীনা নিডিয়াৰ বাবে আজিও অন্তৰে কান্দে। কেতিয়াবা যে মোকেই



তোমালোকে নিডিয়া নকৰিবা তাকেই বা কোনে কব পাৰে ? মই সন্তোষ পাইছো যে তুমি মোক ক্ষমা কৰিছা।

শ্ৰীমতী অৰুণাৰ বিষয়ে তুমি সুধিছা আৰু আন্তৰিকতাৰে সুধিছা দেখি মই সন্তোষ পাইছো। অৰুণাৰ আগত শ্ৰীমতীটো নিদিলে তোমাৰে সৈতে একাকাৰ হৈ যায় যেন পাওঁ, সেই কাৰণেই এটা শব্দ সদায় বেছিকৈ লিখিব লগীয়া হয়। তেওঁ এতিয়া বাহিৰলৈ ওলোৱা মিলোৱা কৰে, চোতালতে অলপ ফুৰে, সহজ পাঠ্য কিতাপ পঢ়ে, মোৰ লগত ধেমালি কৰে, আয়াজনীৰ দোষ ধৰে, খুৰাকক নিজৰ মনত লগা বস্তু আনিবলৈ কয়, দেউতাকলৈ চিঠি লিখে, মাকজনী মাহী মাক। তেওঁৰ ভয়টো গৈছে। তেওঁৰ যে একো দুৰাৰোগ্য নৰিয়া হোৱা নাছিল এতিয়াহে বিশ্বাস কৰিছে। চুলি কেডাল এডলীয়াকৈ বেণী গোথে। কেতিয়াবাহে খোপা বান্ধে। যেতিয়া ওঁঠ দুটা চেপি ধৰি স্থিৰভাৱে চকুৰে চায়, তেতিয়া জানিবা, কিবা ভাবিছে। স্বভাৱতে অলপ লাজকুৰীয়া, খং উঠিলেহে যিহকে পায় তাকে কয়, প্ৰায়ভাগ বক্ৰোক্তিত। মই কৈছো যে তেওঁ এগৰাকী ভাল ঘৈণী হব। গা ভাললৈ আহিছে আৰু বোধ হয় সৰহ দিন ইয়াত থকাৰ আৱশ্যক নহব।

তুমি কেনেকৈ সময় নিয়াবা মোক সুধিছা ? এটা দুই দিস্তা কাকতৰ বহি কৰি লবা। তাতে মোলৈ চিঠি লিখিবা। লিখি যাবা, লিখি যাবা, যেতিয়া আমনি লাগে যি কেইখন লিখা হল সেই কেইখন ফালিলৈ মোলৈ বুকপোষ্ট কৰিবা। আৰু যদি তেনেকৈ মাজে মাজে পঠিয়াই



থাকিবলৈ টান পোৱা তেনেহলে বহিটো শেষ হলে এবাৰতে পঠিয়াই দিবা। যদি গ্ৰন্থকৰ্ত্তীৰ ভূমিকাত ভাও দিব খোজা তেনেহলে উছৰ্গাপত্ৰ এখন মাৰি তাতে লিখি দিবা—

"মোৰ অৱজ্ঞাৰে নৈতে

—এজন মূৰ্খলৈ।"

মই তাকেই উবাই ঘূবাই পঢ়িম আৰু তোমাৰ সকলোসোপা বিদ্যা মই কণ্ঠস্থ কৰিম।

পঢ়া কিতাপ সম্বন্ধে মোক সুধি উপহাস কৰা কিয়? পঢ়া বিষয়ত নিজ ৰুচিয়ে মোৰ বিবেচনাত উচিত পথ প্ৰদৰ্শক।

তুমি অকল কিতাপ পঢ়িলেই হব নে? সংসাৰৰ গুৰু ভাৰ লবলৈকো বোধ হয় সাজু হবৰ হৈছে। এইবোৰ বিষয়ত মাৰাই উপযুক্ত শিক্ষয়িত্ৰী হব। মোৰ মনটো বেয়া লাগিলে কি কৰিম তুমি কৈ নপঠিওৱা কিয়? তোমাৰ বেলেগ অস্তিত্বটোও মোৰ পক্ষে কেতিয়াবা অসহ্য হয়। বহুতবোৰ অসহ্যক সহ্য কৰিয়ে জীৱনটো কটাওঁ নহয় নে? জীৱনটো anomalous। ইতি

তোমাৰ—

**প্ৰকাশ**




( ৩৮ )

ছিলঙ

................

অলকা,

কেবা দিনো বৰষুণৰ পিছত আজি ৰাতি পুৱাটো বৰ ধুনীয়া হৈছিল। আকাশখন তেনেই নিৰ্ম্মল আছিল, সূৰ্য্যৰ কোমল ৰশ্মিৰে আকাশখন ভৰি পৰিছিল। সূৰুযৰ প্ৰথম জ্যোতিবোৰ তাৰৰ দৰে চোকা আৰু ৰামধনুৰ দৰে মনোৰম আছিল। মই চাহটোপা গিলিয়ে ফুৰিবলৈ ওলালো, কৰই নোৱাৰিলো,—শ্ৰীমতী অৰুণাৰ ঘৰত ওলালো গৈ। অৰুণাই মোক দেখি পিৰালিৰ পৰা জঁপিয়াই নামি আহিল। তেওঁক বৰ সজীৱ দেখা গৈছিল। আৰু আহিয়ে তেওঁ মোৰ হাতখনত ধৰিলে। তেওঁ মোক সুধিলে,—মোৰ লগত অলপ দূৰলৈ ফুৰিবলৈ যাব পাৰিব নে? মই কলো—"যদি লাহে লাহে যোৱা।" তেওঁ ওলাল। দুয়ো ফুৰি আহি তেওঁলোকৰ ভাতেই সোমালো। তেওঁ চাকৰক চাহ আনিবলৈ কলে। তেওঁ এখন হেলনীয়া চকিত আউজি বহিল,—মই এখন বেতৰ চকিত বহিলো। তেওঁ জুৰ হাঁহি এটাৰে সৈতে কলে— "মোক ক্ষমা কৰিব, মোৰ অলপ ভাগৰ লাগিছে, মই অলপ আৰামত বহোঁ।" "বহা"—মই কলো।

তেওঁৰ গালত নতুনকৈ তেজৰ ৰঙা ফুটুকনিবোৰ দেখা দিছিল। মুখৰ ওপৰত এটা নতুন সৌন্দৰ্য্যই প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁৰ ওঁঠ দুটাৰ মাজেদি খীণ হেঙুলীয়া ব্যৱধান, চকুত মিচিকিয়া এটা হাঁহিৰ



আবেশ, বুকৰ সামান্য উঠানমা, গাটোত ক্লান্তিৰ পাতল ওৰণি, মনটো স্থিৰ আৰু প্ৰফুল্ল, অন্তৰত শান্তিৰ উজ্জ্বলতা,—তেওঁৰ ছবিটো দেখি ধাৰণা হৈছিল যেন বিশ্ব ব্ৰহ্মাণ্ডৰ লগত জড়িত এটা সুখৰ সপোনত তেওঁ আপোন পাহৰা হৈছিল,—মই চাই আছিলো, চাই মুগ্ধ হলো। তেতিয়াহে প্ৰথম বাৰলৈ দেখিলো তিৰোতাৰ সৌন্দৰ্য্য অপৰূপ। এই ৰূপ, এই কান্তি, এই আবেশ তোমালোকৰ নিজস্ব!

বন্ধুৰা মানুহ। কামলৈ মনত পৰিল। উঠিব খুজিলোঁ। অকণাই তেওঁৰ হাতখনেৰে মোৰ হাতখন হেঁচি ধৰিলে,—কলে—"চাহ নোখোৱাকৈ কলৈ যায়?" মই হঠাৎ কলো—"চাহৰ কথা পাহৰিছিলোই।" তেওঁ ঠাট্টাৰ সুৰত কলে—"কিয়, অলকালৈ মনত পৰিছিল চাগৈ?" "তুমি মোক বৰ জ্বালাতন কৰা,"—মই কলোঁ। "আৰু সৰহ দিন নকৰোঁ।"—এই বুলি কৈয়ে তেওঁ অলপ মন মাৰিলে। ময়ো আঘাত পালোঁ,—তেওঁক আঘাত দিয়াৰ মোৰ উদ্দেশ্য নাছিল। ইয়াৰ আগতে দেখা তেওঁৰ মূৰ্ত্তিটো মনত পৰিল। সেই মূৰ্ত্তিটো চিৰন্তন কৰিবলৈ মোৰ অদেয় একো নাছিল। অলপ পিছতে তেওঁলৈ চাওঁ যে তেওঁ চকুলো টুকিছে। মোৰো হুমুনিয়াহ আহিল। "মই ইয়াৰ পৰা গলে আপুনি মোলৈ চিঠি লিখিব নে?"—তেওঁ সুধিলে। মই একো উত্তৰ দিব নোৱাৰিছিলো,—কব পৰা হলে কলো হয়—"চিঠি সামান্য কথা। মনৰ অস্থায়ীভাবৰ বাহক মাত্ৰ।" মই উঠিলো, কলোঁ—"আহোঁ দেই।" "ভাল"—তেওঁ প্ৰায় চকুলোৰ মাজেদিয়ে কলে। মোৰ মনৰ মাজত মুহূৰ্ত্তে মুহূৰ্ত্তে উদ্বেলিত হৈ উঠিছে—"ভাল



নহয়, কাল।" তেওঁ যোৱাৰ আগতে বোধ হয় মই আৰু দেখা কৰিব নোৱাৰিম,—এয়ে মোৰ দুৰ্ব্বলতা।

আজি ইমান দিনে তলপৰি থকা বিয়াৰ চিন্তা মোৰ মনত সজাগ হৈছে। বিয়া কৰালে কিজানি এইবোৰ দুৰ্ব্বলতা নাথাকে। মই এই বিষয়ে একো নাজানো,—তুমি যে কিবা বিশেষ জানা তেনেও মোৰ ধাৰণা নহয়। তথাপি মানুহে কয় যে ছোৱালীবোৰ precautious, তেওঁলোকে ল'ৰা বা ডেকাতকৈ বেছি বুজে। কিন্তু আমাৰ ইয়াত, অৰ্থাৎ য'ত ছোৱালীৰ মতৰ স্বাধীনতা নাই, তাত ছোৱালীবোৰে বুজিবলৈ ক'ত সুযোগ পালে? আৰু যি দেশত ছোৱালীৰ দৰা বাচনিৰ স্বাধীনতা আছে—তেওঁলোকৰ বৈবাহিক জীৱনৰ বুৰঞ্জীয়ে বা তেওঁলোকৰ জ্ঞানৰ ক'ত পৰিচয় দিয়ে! মোৰ এজন বন্ধুৱে কৈছিল যে marriage is a compromise অৰ্থাৎ পতি পত্নীৰ সুখ দুখ মিলাই অলপ এৰাধৰাকৈ চলিলেই বৈবাহিক জীৱন চলে। বোধ হয় কথাষাৰ সঁচা, অবিবাহিতবোৰৰ পক্ষে কথাষাৰ বৰ unpoetic যেন লাগে। অকল unpoeticয়েই নহয় unimaginative যেনও লাগে। যদি conventionality ভাগি যায়, যদি আপোন ইচ্ছামতে বিয়া কৰাব পাৰা, যিমান দিন ইচ্ছা সিমান দিনহে পতি-পত্নী হিচাপে থাকিবা তাৰ পিছত স্বাধীনভাৱে চলিব পাৰিবা, ৰুচিয়াত যেনে হৈছে, আমেৰিকাৰ অভিজ্ঞ বিচাৰক জজ লিণ্ডছে যেনেকৈ কয়—যে পৰীক্ষা সাপেক্ষ বিয়া (trial marriages) হোৱা ভাল,—তাত আমি সুখী হম নে? এই অস্থায়ী বিয়াবোৰৰ পৰা হোৱা ল'ৰা-ছোৱালীবোৰৰ অৱস্থা কি হব?



আমাৰ ইয়াত ৰাজ্যৰ ভড়ালৰ পৰাই নোপোহে,—আৰু ধৰা যদি এনে দিন আহে যে ৰাজ্যৰ ভড়ালৰ পৰাই এই ল'ৰা-ছোৱালীবোৰক পুহিব —তেতিয়া আমি সুখী হম নে? মাকবোৰৰ মন এই ল'ৰা-ছোৱালীবোৰৰ সুখ দুখৰ বাবে সদায় চিন্তাকুল হৈ নাথাকিব নে? পোহনীয়া কুকুৰটোক সাবটি ধৰি অথবা নতুন গিৰিয়েকৰ কান্ধেৰে হাতখন পেলাই অতীতৰ স্মৃতি মনৰ পৰা মোহাৰি পেলাব পাৰিব নে? আৰু বাপেক বোৰে চোলাৰ গেৰাণত কৃত্ৰিম ফুল বা টেকীয়া গুঁজি এদিন কোলাই বোকাই লৈ ডাঙৰ কৰা ল'ৰা-ছোৱালীৰ কথা পাহৰি নিজৰ গোঁফত তাও দি বা চুৰট হুপিয়ে সন্তুষ্ট থাকিব পাৰিব নে? অনুষ্ঠানটো নপতাকৈ আপুনি ভাল বেয়া কেনকৈ বুজিব,—এনে এটা প্ৰশ্ন হব পাৰে। আমাৰ জীৱনত আমি পিতা-আই, খুৰী-পেহী এইবোৰৰ সৰু সৰু একোটা কথা, সৰু সৰু মৰমৰ চানেকীয়ে আমাক দুৰ্ব্বল মুহূৰ্ত্তত আশ্বাস নিদিয়ে নে? তুমি আশা কৰানে যে ৰাজহুৱা স্কুলৰ শিক্ষক শিক্ষয়িত্ৰী বা চাকৰ চাকৰাণীয়ে এওঁলোকৰ ঠাই জীৱনত পূৰাব পাৰিব? তোমাৰ অসুখৰ সময়ত তোমাৰ কপালৰ তাপ মাৰাই যেনেকৈ গালেৰে অনুভৱ কৰে—ভাবা নে আৰু কোনোবাই কৰিব? কৰিলেও তুমি সমানে শান্তি পাবা নে? মই সেই কাৰণে স্থায়ী বিয়াৰ পক্ষপাতী। মানুহে বিয়া কৰোৱা নকৰোৱা সেইটো সুকীয়া কথা। এই কথাবোৰ মই মতামতৰ ফালৰ পৰাহে লিখিছো,—তুমি যদি মোক কিবা নতুন আভাস দিব পাৰা মই অৱশ্যে কৃতজ্ঞ হম। ইতি

তোমাৰ—

প্ৰকাশ



( ৩৯ )

ছিলঙ

............


অলকা,

আজি তোমাক এটা বিশেষণেৰে ভূষিত কৰাৰ ইচ্ছা আছিল, সামৰিলো। তুমি কৃতিত্বেৰে পাছ কৰা শুনি সন্তোষ পালো। তোমাৰ চিঠিখন পঢ়ি মই মনত দুখ পাইছো,—ইচ্ছা আছিল তোমাক সোধোঁ ইয়াৰ পিছত তুমি আৰু কলেজত পঢ়িবা নে কি কৰিবা। সুধিবলৈ মোৰ আগ্ৰহ নোহোৱা হৈছে। তোমাৰ পৰা মই বিচ্ছিন্ন বোধ কৰিছো। অভিমানত নহয়, অভিজ্ঞতাত। পৰস্পৰে পৰস্পৰৰ সংযোগত যদি নাবাঢ়োঁ, যদি দুই আৰু দুই যোগ দিলে দুই বা তিনিহে হয়, তেনেহলে নিজে নিজে বিহিত ব্যৱস্থা কৰা উচিত হব। মই অৰুণাৰ কাষত বহি অৰুণাৰ যি সৌন্দৰ্য্য দেখিলো তাকে তোমালৈ লিখিলো—তুমি লিখিছা,—"তেতিয়া আপোনাৰ ব্যৱসায়ৰ নীতি ক'ত এৰিছিল?" এৰা নাছিলো, মোৰ লগতে আছিল। মই তেওঁৰ আচলত মোৰ চকুলো মচা নাছিলো, মই ৰুমাল উলিয়াই মোৰ চকু মুখ মোহৰা নাই। অৰুণা অনাত্মীয়া নহৈ যদি মোৰ পেহী হল হয়, অথবা ভনী হল হয়—মই সেই সৌন্দৰ্য্যৰ এতিলো কম নেদেখিলো হয়। অকল বাহিৰৰ তেজ মঙহেই মানুহ নে? যদি গছ এডালক ঠিক ঠাইত ৰাখিবলৈ শিপা থাকে, ফুল এপাহৰ ঠুন থাকে,—এই বৃহৎ



আকাৰৰ মানুহটোক স্থিৰকৈ ৰাখিবলৈ একো নাই বুলি ভাবা নে—'স্পিৰিট'টোহে মানুহ, আকাৰটো এটা ঢাকনি মাত্ৰ আৰু এই দুয়োটাৰে সমন্বয় থাকে মানুহটোৰ জীৱনত। তুমি এইবোৰ কথা মোতকৈ বোধ হয় বেছি জানা। যদি অকল প্ৰবৃত্তিটোৱে গোটেই মানুহটোক ফলিয়ায়, তেনেহলে ইয়াৰ সংযম বিহোঁতাজনক ক'ত বিচাৰি পোৱা? তোমাৰ লগত এইবোৰ তৰ্ক কৰাৰ ধৃষ্টতা মোৰ নাই। মই জানো মোৰ ষ্টেথিস্কোপ, পেটৰ ভাত কেইটা আৰু ধোৱাৰ দৰে উৰি ফুৰা ভাব কিছুমান। যি অনুভৱ কৰিছিলো ইমান দিনে তাকেই তোমালৈ ভাষা দি লিখিবলৈ চেষ্টা কৰিছিলো, আজি নহয় তাৰ শেষ,—এতিয়া নহয় বাটৰ ধূলিক কম, ইমানেহে। সুখী হৈ থাকা যেন। ইতি

তোমাৰ—
প্ৰকাশ



( ৪০ )

ছিলঙ

.......................

অলকা,

তোমালৈ চিঠি লিখাৰ কথা ভাবিছিলো। তোমালৈ লিখিবলৈ মোৰ কোনো দিনে বিষয়ৰ অভাৱ নহয়। তোমাৰ চিঠি নোপোৱা হলে বোধ হয় লিখাত আৰু দুদিন পলম হল হয়। কিহে টানে? কি মায়া কোৰাচোন? তোমালৈ আৰু নিলিখোঁ বুলি বোধ হয় আগতে লিখিছিলো—তেতিয়া ধাৰণা হৈছিল যে মোৰ মনৰ সেয়ে প্ৰকৃত ৰূপ। এতিয়া স্পষ্টকৈ অনুমান হৈছে যে সেইটো প্ৰক্ষিপ্ত ৰূপ আছিল। মোৰ মনৰ ভিতৰত মই নজনাকৈয়ে অতবোৰ elements থাকে যে ভাবিলে বিচুৰ্ত্তি হওঁ। যিটোক impulse বোলে সেইটোৰ কেনেকৈ সৃষ্টি হয়? শৰীৰতত্ত্বৰ মোৰ যি জ্ঞান সি বেছি সূক্ষ্ম বিচাৰত মোক সহায় নকৰে। তুমি যদি তোমাৰ জ্ঞান আৰু অভিজ্ঞতাৰে সহায় কৰা, মই কৃতাৰ্থ হম।

তুমি সুধিছা, মোৰ অতি প্ৰীতিৰঞ্জকৰ্কৈ সুধিছা—"মোৰ এই চিঠি পোৱা সময়ত আপুনি কি ভাবি আছে লিখিবচোন।" তেওঁৰে কথা



ভাবি থকা বুলি লিখা হলে কাল্পনিক প্ৰিয়াই ভাল পালে হয়। মই কেইটানান কবিতাৰ শাৰী উবাই ঘূৰাই পঢ়ি আছিলা। ৰবি ঠাকুৰৰ লিখা—

"……নহে ভোগ, নহে খেলা—
এ জীৱন, নহে ইহা কালস্রোতে ভাসাইতে ভেলা
খেয়ালেৰ পাল তুলে। আপনাৰে দীপ কৰে জ্বালো
দুৰ্গম সংসাৰ পথে অন্ধকাৰে দিতে হবে আলো,
সত্য লক্ষ্যে যেতে হবে অসত্যেৰ বিঘ্ন কৰি দূৰ,
জীৱনেৰ বীণা তন্ত্ৰে বেসুৰে আনিতে হবে সুৰ,
দুঃখেৰে স্বীকাৰ কৰি।……………………"

আৰু ভাবিছিলো তুমি দিয়া দুখবোৰৰ কথা, তোমাক দিয়া ব্যথা বোৰৰ কথা। যদি সেই দুখে আমাৰ জীৱনত সুৰ দিয়ে, তেনেহলে বোধ হয় এই কষ্টবোৰৰো মূল্য আছে। মনত পৰিছিল কবি মিলটনৰ কথা। অন্ধ বেচেৰা, জ্ঞানৰ আলোকত বাহ্য দৃষ্টি হীন। প্ৰাণত কি ব্যথা! মনত পৰিছিল ছেলীৰ কথা। জগত-জোৰা কি প্ৰেমৰ আদৰ্শ বিচাৰি কেনে কষ্ট, অনাটন, সামাজিক নিৰ্য্যাতনৰ মাজেৰে অকালতে জীৱন পাত কৰিলে? মনত পৰিছিল সৰু দ্বীপ এটাত আবদ্ধ থকা— একালত বিশাল সাম্ৰাজ্যৰ অধীশ্বৰ বীৰ নেপোলিয়ানক। মনত পৰিছিল বন্ধুৰ দ্বাৰা আহত হোৱা বিশাল বিক্ৰমী জুলিয়াছ চিজাৰক। সৃষ্ট চৰিত্ৰৰ ভিতৰত মনত পৰিছিল—নিৰ্দোষত নিৰ্য্যাতিতা বাল্মিকীৰ আশ্ৰমৰ অনাথ বালক দুটাৰে সৈতে সীতাক, গন্ধৰ্ব্বলোকত প্ৰবাস




খটা অপমানিতা শকুন্তলাক। এওঁলোকৰ এই কষ্টঃবাৰে জীৱনত সুৰ দিছিল নে,—বোধ হয় দিছিল।

চাকি যেতিয়া নুমাওঁ নুমাওঁ কৰে,—পৃথিবীৰ কি আকৰ্ষণ তাক জগাই ৰাখিবলৈ! চাকিৰ পোহৰখিনি কলৈ যায়? মানুহ যেতিয়া মৰোঁ মৰোঁ হয় কি চেষ্টা এবাৰলৈ পুনৰ সজীৱ হবলৈ? নোৱাৰে। এই উদ্যমভৰা প্ৰাণটো কলৈ যায়? ইও জানো সেই বন্দী নেপোলিয়ন, সিন্ধু-নিমজ্জিত ছেলী, অথবা পাতালৰ গৰ্ত্তত শান্তি বিচৰা সীতা? এওঁলোকে পুনৰ নুঠিব নেকি ধৰা সুখময় কৰিবলৈ, জগতক বুজাবলৈ যে এওঁলোকৰ কষ্টৰ ফল ধৰিছে? যদি নুঠে, দুঃখ কষ্টৰ মাজেৰে পাৰ হৈ হঠাৎ এদিন অদৃশ্য হোৱা জীৱনে জগতত নতুন পোহৰ দিব পাৰে নে? তথাপি কিয় জানোঁ মনত খেলে, বাৰে বাৰে,—"আপনাৰে দীপ কৰে জ্বালো।"

মোৰ কথাৰ ওৰ পৰি আহিল। এতিয়াৰ পৰা আৰু তুমি কৰা। আন কথা নাপালে তোমাৰ বিষয় কবা, তোমাৰ মনত যি খেলে তাকে কবা। তুমি নতুনকৈ তাঁত পাতি লৈছা শুনি সন্তোষ পালোঁ। তোমাৰ বিয়াৰ কাপোৰ কেইখন তুমি নিজে বই উলিওৱা বুলি শুনিলে আৰু সন্তোষ পাম। অসমীয়া সমাজৰ পৰা খনীয়া-কাপোৰ উঠিলেই, নহয় জানো? যঁতৰটো নেদেখা হলে তেনেই অসমীয়াৰ চিন মৰিব। সেই হিচাপে ছিলওখন অসমৰ বাহিৰ। প্ৰীতিৰে সৈতে। ইতি

তোমাৰ—

**প্ৰকাশ**




( ৪১ )

Nanda Mohan Talukdar
P. O. Sorbhog
Dated...... ......
Kamrup
Barnagar H. E. School

ছিলঙ

................

অলকা,

মোৰ মনৰ অৱস্থাটো বুজাবলৈ টান পাইছো। আমাৰ ডাক্তৰী ভাষাত,—"a difficult case", মই নিজকে project কৰিছো, পৰীক্ষাৰ বাবে, dissectionৰ বাবে,—বৰ জটিল organism. কিবা এটাৰ অলপ আঁহ উলিয়াই আহোঁ আৰু হেৰাই যায়। বিচৰাটোৱে মোৰ যি interest, পোৱাটো অসন্তৱ,—পোৱা অৰ্থাৎ সম্যকভাৱে জনাৰ কথা কৈছো। অৰুণা বোধ হয় গল,—ঘৰটো দূৰৰ পৰা খালি যেন দেখিছো। তুমিও চিঠি পত্ৰ নিলিখা। অসন্তৱ, অকলে এটা ঘৰত আবদ্ধ হৈ থকা যে কি টান কথা এতিয়াহে মোৰ অনুভৱ হৈছে। মোৰ ধাৰণা হয় যে মানুহ অকলে অসম্পূৰ্ণ আৰু বিকলাঙ্গ। এই কথাটো আদিতে বোধ হয় ভগৱানেও বুজা নাছিল ( তোমালোকৰ



ভগৱানৰ অলপ-অচৰশ বদনাম কৰিবলৈ দিবা )। নহলে বাইবেলত লিখাৰ দৰে, ভগৱানে পুৰুষৰ বুকুৰ হাড় এডাল উলিয়াই নি কিহ্ন তিৰোতাৰ সৃষ্টি কৰিলে? এইটো অৱশ্যে আডাম ইডেনত থাকোঁতে নে ভগৱানৰ কাৰখানা ঘৰত থাকোঁতে, সেইটো মই পাহৰিছো। যদি আডাম কাৰখানা ঘৰত আছিল,—মই তাৰ অৱস্থা প্ৰায় কল্পনাকে ধৰিব পাৰিছো। সি বোধ হয় এবাৰ এইটো খিৰিকিৰে চায়, এবাৰ সিটোৰ জপনা মেলে, এবাৰ দুৱাৰ মুখত গৈ বাহিৰলৈ দুৱাৰ হেঁচে,— অথবা এবাৰ আহি ঘৰৰ ভিতৰত শুদা মজিয়াতে বাগৰি পৰে, নহলে খুটাত আউজি মূৰে কপালে হাত দি বহে। সি নিশ্চয় নাজানিছিল তাক কি লাগে। ভগৱানেও বোধ হয় মূৰত ভৰণ আদি দি চালে, তাত একো গুণ নোপোৱা দেখিহে এই "মেজৰ অপাৰেছনটো" কৰিলে। আৰু যদি সেইটো নহয়—তাৰ আগতে আডামক ইডেন-কুঞ্জনিত থৈ গৈছিল, তেনেহলে আডামৰ অৱস্থা নিশ্চয় আৰু শোকাবহ হৈছিল। সি বোধ হয় তেতিয়া বগা ফুলবোৰক জুই বুলি ভাবিছিল, বতাহত উৰি অহা ফুলৰ সুঘ্ৰাণক মদ বুলি ভাবিছিল, মলয় বতাহক প্ৰলয়ৰ আগ দূত বুলি ধৰি লৈছিল। ভগৱানে তাক চাবলৈ অহাত সি বোধ হয় কান্দি তেওঁৰ চৰণ উটুৱাই দিছিল। ভগৱানে নিশ্চয় তাৰ তেল নিদিয়া ঠৰঙা চুলি কেইডাল মোহাৰি মোহাৰি কৈছিল—"কচোন, আডাম,— তোৰ কি হৈছে ক? তই এই কেই দিনতে শুকাই আধাখিনি হলি,— কচোন, তই কিয় কান্দিছ?" "প্ৰভু"—সি আৰম্ভ কৰিলে, ( অৱশ্যে এই শব্দটো তেতিয়া সেই অৱস্থাত সি জানিছিল নে পিছত গোঁসাই



সজনে উলিয়ালে সেইটো যদিও নাজানো )—"মোৰ কি হৈছে, মই নাজানো—দিনে নিশাই মোৰ এইখিনি হু হু কৈ পোৰে।"—এনে বুলি বুকুখনলৈ দেখুৱালে। বাইবেল-বৰ্ণিত ভগৱান নিজে অবিবাহিত,—তেওঁ তাৰ অসুখ ধৰিব নোৱাৰিলে। তেওঁ ভাবিলে যে এই খিনিতে অস্ত্ৰোপচাৰ কৰা উচিত। তেওঁৰ মৃহু চাৱনিটোকে anasthesia কৰি লাহেকৈ, (বোধ হয় নখেৰে) অপাৰেছন কৰিলে,—হাড় এডাল উলিয়াই পেলালে। 'দুখতো নকমে, বেছিহে হল'—আডামে চিঞৰিবলৈ ধৰিলে। তাৰ তেজেৰে তিতা মাটিখিনি হাড়ত সানি লৈ ভগৱানে কলে—"আডামে যিহত শান্তি পায়, তই সেয়ে হ।" হাড়ডাল গাভৰু ছোৱালীত ৰূপান্তৰিত হল। আদি মাতৃ ঈভৰ তেনেকৈয়ে জন্ম হল। আডামৰ বুকু ভাল হল। ঈভে দুয়োলৈকে চালে,—চাই বোধ হয় আডামক তেওঁৰ সমান-ধৰ্ম্ম দেখি তাৰ কাষতে বহিল। আডামৰ মুখত কথা আহিল। আডামে চাগৈ ভগৱানলৈ চাই কলে—"প্ৰভু, তই যাবি হে এতিয়া।" ভগৱানৰ অলপ সময় বহাত আপত্তি নহল হয়, কিন্তু বেচেৰা ভদ্ৰলোক, উঠিল। ভগৱানেও বোধ হয় এটা নতুন সত্য দেখিলে আৰু ঘৰ নোপোৱালৈকে কিজানি মনে মনে ভাবি গৈছিল—"মই একো ধৰিব পৰা নাই। মানুহক মোৰ আকৃতি দিয়ে গঢ়িলো,—কিন্তু আকৃতিহে এটা পালে, পূৰ্ণতা নাপালে।"

ময়ো আজি ভাবিছো,—ময়ো সেই আডামৰে প্ৰতিকৃতি নেকি? নে চিম্পাঞ্জীৰ বংশধৰ? স্ত্ৰীহীন জীৱন এটা পৰিকল্পনা কৰিব নোৱাৰোঁ নেকি? মোৰ ঘৰৰ সমুখত ফুলি থকা ফুলবোৰলৈ চাওঁ। ইহঁতৰ



বোধ হয় এই পোৰণি নাই, মনে মনে ভাবোঁ। অৰ্দ্ধমুকুলিত গৰ্ত্ত কেশৰ লৈ ফুলবোৰে যেতিয়া বতাহত উৰি অহা অথবা ভোমোৰাৰ গাত লাগি অহা পুংকেশৰবোৰলৈ অপেক্ষা কৰে—ইহঁতৰ চেন্সৰী নাৰ্ভছ থকা হলে কিবোৰ sensation—thought centreলৈ নিলে হয়, মই নিজকে সোধোঁ। অথবা যিবোৰ ফুলে অকল পুংৰেণু বিলাবলৈকে ফুলিছে সিহঁতৰ সেই পৰিব্যাপ্তিৰ অৱস্থালৈ এটা কিবা আকাঙ্ক্ষা আছে নে? সিহঁতৰ ভাবৰাজ্যত সোমাব নোৱাৰোঁ, এয়ে বেজাৰ লাগে। আকাশৰ অসংখ্য তাৰকা ৰাশিলৈ যেতিয়া চাওঁ, তেতিয়াহে মাত্র এই চিন্তাকীৰ্ণ পৃথিবীলৈ পাহৰি যাওঁ। অৱশ্যে মোৰ সেই ভ্ৰমণতো তুমি সঙ্গী হোৱা হলে তৃপ্তি পালো হয়। ভগৱানে যেতিয়া মনৰ দুখত আডাম আৰু ঈভক নিৰ্য্যাতিত কৰিলে,—দুয়োকে পৃথিবীলৈ নমাই দি, অতিভাৰাক্ৰান্ত হিয়াথনি লৈ ঘৰমুৱা হব খুজিছিল, তেতিয়া তেওঁৰ অপাৰ কৰুণাত ইহঁতলৈ চাই কৈছিল,—"মোৰ একান্ত ইচ্ছা আছিল তহঁতে মোৰ লগতে থাকিবি।" সেই কাৰণেই বোধ হয় এতিয়াও ভগৱানৰ স্বৰ্গলৈ যোৱাৰ অধিকাৰ মানৱৰ আছে,—কিন্তু White Australiaত Asiaticsৰ দৰে থাকিবৰ অধিকাৰ নাই।

মোৰ স্বৰ্গাৰোহণ বৰ্ণনা কৰিলে তুমি অৱশ্যে হাঁহিবা। কিন্তু তুমি যদি মোক সঁচাকৈয়ে অলপ প্ৰশ্ৰয় নিদিয়া,……থাওক। তুমি চিঠি নিদিলে বৰ অশান্তি পাওঁ। তোমাৰ ঘৰলৈ ডাক্তৰ হিচাপে গলোঁ, টকা নিদিলা স্পষ্টকৈ কব পাৰোঁ ভিজিটথিনি নাপালোঁ, মৰমৰ বাবে তাগিদ নচলে। কাৰোঁ চিঠি পোৱা নাই, চাকৰক সুধিব পাৰোঁ



—"আজি ডাক অহা নাই ?" কিন্তু অকল তোমাৰ চিঠিয়ে নাই, কাক কওঁ—"অলকাৰ চিঠি কিয় নাই ?" আৰু তেনে অনুভূতি মাহেকে পষেকে এবাৰ হলে নহয় নিজৰ ছাঁটোলৈ চাইয়ে কলা,—কিন্তু যদি এয়ে তোমাৰ অন্তৰৰ হৰি-নাম হয়—"কাক কবা, কেনেকৈ কবা ?" তোমালোক ছোৱালীবোৰে একো নুবুজা যেন পাইছো। অকল বুজা নিজৰ অভিমান, বুজা চকুলো মচিবলৈ। তুমি ইয়াতকৈ বেছি বুজা বুলি অনুমান কৰোঁহঁক, নে কি কোৱা ? তোমাৰ ভাইটিলৈ মোৰ মৰম। ইতি

তোমাৰ—
**প্ৰকাশ**



( ৪২ )

ছিলঙ

................

অলকা,

তোমাৰ চিঠিখন নিচেই চুটি আৰু দেখোঁতে বৰ সৰল,—কিন্তু তোমাৰ প্ৰশ্নবোৰৰ সমিধান দিয়া মোৰ পক্ষে টান। তুমি আগত থকা হলে কিজানি মোৰ ভাব-ভঙ্গি চাই বুজিব পাৰিলা হয়, কিন্তু চিঠিৰে কেনেকৈ বুজাম ভাবি পোৱা নাই। তোমাৰ প্ৰশ্ন হৈছে—'what are the things you like ?'—মই কি ভাল পাওঁ! বৰ ভাঙৰ প্ৰশ্ন। মোৰ হোমিওপ্যাথিক ডাক্তৰসকললৈ মনত পৰে। তেখেতসকলৰ প্ৰতি কিবা ব্যৱসায় গত বিদ্বেষ আছে বুলি নধৰিবা। মোৰ তেতিয়া ক্লাচ নাইন নে টেন। কিবা এটা অসুখ হৈছিল, এজন নতুনকৈ অহা হোমিওপ্যাথৰ ওচৰলৈ গৈছিলো। মোলৈ প্ৰশ্নৰ কি জাউৰি!—"তুমি টেঙা খাবলৈ ভাল পোৱা নে মিঠা খাবলৈ ভাল পোৱা? শুই থাকিবলৈ ভাল পোৱা নে বহি থাকিবলৈ ভাল পোৱা? কথা পাতি ভাল পোৱা নে মনে মনে বহি থাকিবলৈ ভাল পোৱা?" মই তেতিয়া কেনে



ৰকমে উত্তৰ দিছিলো কব নোৱাৰোঁ, আজি মোক এইবোৰ প্ৰশ্ন সোধা হলে বোধ হয় ঠিক উত্তৰ দিব পাৰিলো হয়। তোমাৰ ভাগতো এতিয়া তেনে উত্তৰ হে পৰে নেকি কব পৰা নাই। মই যে কি ভাল নাপাওঁ তাকেহে কব নোৱাৰোঁ। মই কথা কবলৈও ভাল পাওঁ, নিস্তব্ধতাও ভাল পাওঁ। মই ব'দো ভাল পাওঁ, বৰষুণো ভাল পাওঁ। মই চিঠি লিখিবলৈকো ভাল পাওঁ, পাবলৈকো ভাল পাওঁ। অৰুণাৰ কথা পাহৰিবলৈকো ভাল পাওঁ, মনত কৰিবলৈকো ভাল পাওঁ। তোমাৰ খং তুলিবলৈকো ব্যস্ত হওঁ, মনত আঘাত পাবা বুলি ভাবিও কাতৰ হওঁ। চিকিৎসাতকৈ স্বাভাৱিক উপায়েৰে ৰোগীবোৰ ভাল হোৱাকে ভাল পাওঁ আৰু চিকিৎসা কৰিবলৈকো যাওঁ। নাচিবলৈ ভাল পাওঁ, কিন্তু হমুনিয়াহো আছে। বৰষুণত ঘৰৰ ভিতৰ সোমাওঁ, কিন্তু বহুদিন তিতিবলৈ পোৱা নাই বুলিও দুখ আছে। এয়ে মোৰ ভাল পোৱা বেয়া পোৱাৰ ধৰণ।

কোন বস্তুৰ কি ভাল পাওঁ?—এইটো দুৰ্ব্বোধ্য প্ৰশ্ন। তুমি যদি কিবা কথা খাতাংকৈ জানিব খুজিছা মোক বৰং তাকে সুধিবা। এনেবোৰ প্ৰশ্নৰ জালেৰে মোক নাবান্ধিবা। মই 'ইৰিটেটেড্' হৈ গৈছো। কিন্তু ধনুৰ্ভঙ্গ পণ কৰি তোমাৰ আগৰ পৰা পলাম কিয়? মই যি ভাবোঁ তাকে কওঁ,—তোমাৰ প্ৰশ্নৰ লগত যদি নিমিলে সেইটো তোমাৰ লোকচান। মই ভাল পাওঁ শিৱদোলৰ কলচিৰ আগটো—সেয়ে সোঁৰৰাই দিয়ে যে এসময়ত অসম প্ৰতিপত্তিশালী আছিল। মই ভাল পাওঁ কামাখ্যাৰ মন্দিৰটো—সেয়ে কয় যে অসমৰ ভাস্কৰ্য্য



ভাৰতৰ ভিতৰত তেনেই পিছ পৰা নাছিল, মই ভাল পাওঁ—আজান দিয়া মসজিদৰ ওথ মঞ্চখন—সেয়ে কয় এবাৰলৈ বিশ্বস্ৰষ্টাৰ ওচৰত একেলগে আঠু লওঁহি আহা। মই ভাল পাওঁ গুৱাহাটী-ছিলঙ ৰাস্তাৰ ওপৰলৈ লাহে লাহে উঠি যোৱা ভাঁজবোৰ। হব নে? যদি নহয় আধ্যাত্মিক (?) কথা কব লাগে,—ভাল পাওঁ—পৰিচয়ৰ প্ৰথমটো, বন্ধুতাৰ শেষটো, বিৰহৰ গভীৰতাখিনি, আগ্ৰহৰ ব্যাকুলতাখিনি।

বেয়া লাগে কোনবোৰ তাৰ লিষ্টি তুমি খোজা নাই, কিন্তু থকা হলে সেইখন হে পঠিয়ালো হয়। তথাপি দুষাৰ কওঁ। বেয়া লাগে নিজৰ মুৰ্খতা, আৰু বেয়া লাগে লোকক যেতিয়া তুমি পৰ বুলি ভাবা আৰু তেওঁ যেতিয়া তোমাক অযাচিতে আদৰ কৰে। উদাহৰণ মোৰ মনত পৰিছিল কিন্তু চিঠিৰ কলেবৰ নবঢ়াওঁ। অনামা সৈন্যৰ সমাধি মন্দিৰ আছে কিন্তু অজান প্ৰেমিকৰ স্মৃতি জগতত কিহেৰে ৰাখে?

আকাশৰ নাম নজনা অসংখ্য তৰাবোৰক তুমি ভাল পোৱানে? ইতি

তোমাৰ—

**প্ৰকাশ**



( ৪৩ )

ছিলঙ

.................

অলকা,

আজি যদি কওঁ 'প্ৰাণাধিকা অলকা', ক্ষমা কৰিবা। নাটকীয় ভঙ্গিৰ বাবে তোমাক এনেকৈ সম্বোধন কৰিব খোজা নাই, এটা অবাস্তৱতাক সজীৱতাৰ আভৰণ দিবলৈ এনেকৈ মাতিব খোজা নাই। ভাষাই কিমান দূৰলৈকে মানুহক মনৰ কথা বুজাবলৈ সহায় কৰিব পাৰে? আজি এই নিশাৰ নিস্তব্ধতাত মোৰ প্ৰাণে কালৈ আন্দোলি উঠিছে? মোৰ বাবে কোনে সাৰ পাই আছে? কাৰ অন্তৰত মোৰ কথা জাগে? টোপনি ছাটি কৰে চকুৰ পৰা যোৱাৰ লগে লগে কাৰ কথা মোৰ মনত পৰিছে? যদি এটা প্ৰেৰণা অনুভৱ নকৰিলো হয়, যদি প্ৰাণৰ সাধৰ্ম্ম্য অনুভৱ নকৰিলো হয়, মিঠা কথাৰে ছোৱালীক ভুলাবলৈ এই কথাৰ জাল নতৰিলো হয়। জানো,—তুমি পছমৰ দৰে নিৰ্ম্মল, ফটিকৰ দৰে স্বচ্ছ, আইৰ দৰে মহান,—সেয়ে আজি মোৰ ব্যথিত মন তোমাৰ কাষলৈ লৰি যায়। যদি শুই আছা উঠা, যদি সাৰ পাই আছা, মোক সান্ত্বনা দিয়া, যদি তুমিও চঞ্চল হৈ আছা, এবাৰ জিৰাই লোৱা। মোৰ চকুৰ পৰা এবেলি টোপনি গলে আৰু নাহে। মই



বাহিৰলৈ আহি চাইছো, জোনাক। চেঁচা বতাহ, কিন্তু আকাশ মুকলি। এই অসীমৰ পৰা কোনে মাতে? অনন্তৰ সেই আহ্বান এনে মিঠা লাগে কিয়? পৃথিবীৰ সকু এই জীৱনখিনি হেলাৰঙে এৰি যাই এটা নিৰ্ব্বিকল্প সমাধিত নিজক নিমজ্জিত কৰিবলৈ কোনে এনে মধুস্ৰাৱী কণ্ঠত মাতে? কাৰ সেই সুৰ, কাৰ সেই ইঙ্গিত? সাদৰী,—তোমাৰ? স্বাৰ্থৰ আকাঙ্খাৰে কোনো দিন মোক বান্ধিবলৈ নিবিচাৰিলা, 'মোৰ কথা শুনক' বুলি এদিনলৈকে মোক নিস্তব্ধ কৰিবলৈ ইচ্ছা নকৰিলা,—আজি বাহিৰৰ এই বিপুল আহ্বান জানো তোমাৰ সৃষ্টি? সৌন্দৰ্য্যৰ প্ৰতি স্তৰে স্তৰে মোৰ পৰিচিত সঙ্কেতবোৰ কোনে সজাই থৈছে? সৃষ্টিৰ আদিম অৱস্থাত তুমি ক'ত আছিলা,—সাগৰ মন্থনত তুমিয়ে উঠিছিলা নেকি? পুৰুষৰ মনৰ পৰিধি নিচেই ঠেক,—সেয়ে বোধ হয় বিশ্ব প্ৰকৃতিয়ে কয়—"এবাৰ মোলৈ চোৱা, তেতিয়াহে সৌন্দৰ্য্যৰ আভাস পাবা।" ওপৰত আকাশ, পৃথিবীত তুমি, এই দুটাত বাহিৰে একোকে ভাবিব পৰা নাই। আকাশলৈ বহুত চালো নিৰুত্তৰ হৈ,—তোমাৰ কথাও ভাবিছিলো তেনে তন্ময়তাৰে সৈতে। অলপতে পূবত ধলফাঁট দিব, দিন আহিব তাৰ অপূৰ্ব্ব তেজেৰে,—উজাগৰে কটোৱা ৰাতিৰ মোৰ সঞ্চিত কোমলতাখিনি যদি ক'তবাত মৰহি যায়, অসহ্য হব। সেয়ে তোমালৈ তাৰ আভাস দিলো।

প্ৰীতিৰ কণিকাৰে সৈতে। ইতি তোমাৰ—

প্ৰকাশ



( ৪৪ )

ছিলঙ

অলকা,

ছিলঙীয়া জীৱনৰ ঘাই বিষয় এটালৈ বোধ হয় কোনো দিনে তোমাৰ মন আকৰ্ষণ কৰা হোৱা নাই,—সেইটো হৈছে ঘোঁৰ-দৌৰ বা জনপ্ৰিয় কথাত—"ৰেছ"। ৰেছৰ দিনাখন মানুহে দুপৰীয়াৰ পৰাই ৰেছফিল্ডলৈ ধাব ধৰে। মোৰ ডাক্তৰখানাৰ কাষৰ উইপিং উইলো এডালৰ কাষেদি এই জনস্ৰোত মই কেতিয়াবা চাই থাকোঁ। যোৱাতকৈও অহাৰ সময়ত মানুহৰ ঠেলাহেঁচা বেছি। এই মানুহবোৰে প্ৰায় সদায় উত্তেজিত সুৰত কথা কয়,—কিছুমান অৱশ্যে মৌন। এওঁলোকে প্ৰত্যেকেই আশা কৰে যে নিজৰ মেধা খটুৱাই কিছু টকা কম বা বিনা পৰিশ্ৰমে উপাৰ্জ্জন কৰিব—কিন্তু বেছি ভাগেই জ্ঞানী হৈ ওভটে—অৰ্থাৎ প্ৰায় অনুমান কৰে যে সেইটো মিছা,—অৱশ্যে পিছৰ ৰেছৰ



দিনলৈ সেই চৈতন্য প্ৰায় লোপ পাই যায়, নিজৰ ওপৰত নতুনকৈ আস্থা স্থাপন কৰে। কেতিয়াবা মই ভাবোঁ যে মানুহবোৰে ৰেছৰ নামত এনে বলিয়া নহৈ যদি জাতীয়তাৰ নামত হল হয়, যদি স্বাধীনতাৰ নামত হল হয়!—কিন্তু প্ৰবোধ দিওঁ এই বুলি যে স্বাৰ্থৰ গোন্ধ নাথাকিলে মানুহবোৰ এনে উন্মম আন একোত নাপায়,—সমাজ বোলা, দেশ বোলা এইবোৰ বহুত কথাই মানুহক নিজৰ স্বাৰ্থৰ দৰে তেনেকৈ উদগনি নোযোগায়। ৰেছ-খেলুৱাইসকলৰ এটা বিশেষত্ব এই যে তেওঁলোকে যেতিয়া হাৰে তুষিবলৈ প্ৰায় সদায় এটা তৃতীয় ব্যক্তি পায়।

আমি বিবোৰে ধৰা ৰেছ-কোৰ্ছলৈ জুৱা খেলিবলৈ নাযাওঁ,—জীৱনৰ অইনবোৰ ক্ষেত্ৰত আমিও ৰেছ খেলোঁ নেকি? আমাৰ ইপ্সিত কথাবোৰ যেতিয়া হব বুলি ভাবোঁ তেতিয়াও এই ঘোঁৰ-দৌৰৰ টিকট কিনা মানুহৰ দৰে আশান্বিত হৈ নাথাকোঁ নে? আমি ভবাতকৈ আৰু কিমান ধৰণে কামবোৰ হব পাৰে,—আমি যিটো ভবা নাই বা ভাবিবলৈ টান পাওঁ ঘটনা চক্ৰত ঠিক সেয়ে হব পাৰে। আমিও বোধ হয় বহুত সময়ত এইবোৰৰ বাবে লোকক দোষোঁ। জীৱনটোকে ঘোঁৰ-দৌৰ নোবোলা নে? ৰেছত বেয়া ঘোঁৰাই কেতিয়াবা জিকি যায় আৰু ভাল ঘোঁৰা পিছ পৰে। তুমি আমি দেখাত তেনেকৈ বহুত অপদাৰ্থ মানুহে ওখ পদ সন্মান পোৱা নাই নে আৰু বহুত যোগ্যতৰ মানুহ হেঁচাটেপা খাই অন্ধকাৰত অস্পষ্ট হৈ থকা নাই নে? পৃথিবীত ন্যায়-অন্যায়, ভবিতব্য-অভবিতব্য ধৰা বৰ টান।



তোমাৰ পৰিচয়ৰ আগেয়ে কোনে ভাবিছিলো যে আমি এনে এটা অৱস্থাত পৰিম হি। কোনে জানে ইয়াৰ পিছত বা আমাৰ মাজৰ সম্বন্ধ কি হব। যিয়ে নহক, আমাৰ এছোৱা জীৱন অনন্তৰ কোলাত ভাহি যাব। কালৰ কোলাত সেই কাৰণেই বোধ হয় বহুত লুকোৱা হমুনিয়াহ, পাহৰা হাঁহি আৰু অনাগত কালৰ মধুৰ ছবি ভাহি ফুৰে।

তোমাৰ বইদেউৰাৰ পৰা আজি এখন চিঠি পাইছো। তেখেতে লিখিছে যে তুমি হেনো তেখেতসকলক তোমাৰ মনৰ প্ৰকৃতভাৱ জানিবলৈ নিদিয়া। বিষয়টো কি অৱশ্যে বুজিছাই। নোকোৱা কিয়? —কি কবা অৱশ্যে মই কব নোৱাৰেঁ। খবৰ পালে উকলি দি পঠিয়াম।

মোক গালি নাপাৰিবা কিন্তু। ইতি

চিৰন্তন—

প্ৰকাশ



( ৪৫ )

ছিলঙ

.................

অলকা,

তুমি বোধ হয় মোৰ ওপৰত বৰ বিৰক্ত হৈছা, মোৰ চিঠিবোৰত ভাববোৰ মেঘেতকা বুলি আৰোপ কৰিছা। মই স্পষ্টভাবৰ কেফাকিমান কবিতা তোমাক উপহাৰ দিওঁ—

"প্ৰিয়তম মোৰ, দুয়ো যদি মিলি
বিধাতাৰ স'তে মন্ত্ৰণা কৰি
পাৰিলোহেঁতেন ৰচিব এখনি
নতুন জগত কল্পনা ভৰি।
নতুন জেউতি সাদৰে সাবটি
কৰিলোহেঁতেন পুৰণা দুৰ ;
শান্তিৰ শীতল সমীৰে উলাহে
বজালেহেঁতেন মুক্তিৰ সুৰ।"



পিছৰ কেফাকিও গাওঁ——

"প্ৰাণপ্ৰিয় মোৰ শৰতৰ জোন
হৃদয় আকাশ উজল কৰা,
পাতৰ মাজেদি আৰু এটি জোনে
চোৱাছোঁ ঢালিছে অমিয় ধাৰা।
যিদিনা তোমাৰ প্ৰাণৰ কবিয়ে
দূৰ অসীমত মিলিব গই,
কাকনো এনুৱা ৰূপহী হাঁহিৰে—
আহি মোৰ জোনে চাবহি অই।"
—দুৰবা দেৱৰ "ওমৰ তীৰ্থ"ৰ পৰা।

অকণাৰ মই একো খবৰকে পোৱা নাই, তুমি কিবা পোৱানে? মৰম লবা। ইতি

তোমাৰ—
প্ৰকাশ



( ৪৬ )

ছিলঙ

................

অলকা,

সঁচা,—মোৰ ভিতৰত এই কপট মানুহজনক মই আগতে লগ পোৱা নাছিলো, পাইছিলো যদিও চিনা নাছিলো। চিনি পোৱাৰ পিছতো সাহ কৰি তোমালোকক চিনাব পৰা নাছিলো। তুমি যেতিয়া কৈছা চিনিছা, যি খিনি নিচিনা আছে তাকো তোমাৰ লগত পৰিচয় কৰি দিয়া উচিত হব। তুমি মোৰ আটাইখিনি কথা নাজানা,—তুমি কিয় কোনোৱে নাজানে। তুমি জানা ফুৰিবলৈ যোৱা এটা মেডিকেল কলেজত পঢ়া লৰাক, বৃত্তি পোৱা, তথাকথিত বুদ্ধিমান। মই চিনিলো—'তুমি এজনী মৰমলগা ছোৱালী', 'যেই সেই অন্তৰৰ পক্ষে উজ্জ্বল চাকি'। আমাৰ দুয়োৰে সম্বন্ধৰ কথা কোৱা মোৰ উদ্দেশ্য নহয়। আগৰ কথা। মোৰ আৰ্থিক অৱস্থা অত্যন্ত হীন আছিল। মই দেখিবলৈ এতিয়া যেন



সুৰূপ নহওঁ, তেতিয়া আৰু কুৰূপ আছিলো। মোৰ হাড়ছাল ওলোৱা দেহটো ঢাকিছিল—অনাড়ম্বৰ এটা চোলাই, মূৰত এতিয়াৰ পালিছ নাছিল। কিবা কামত গলো এজন ভদ্ৰলোকৰ ওচৰলৈ। বহিলো কথা বতৰা হলো। এখন টেবিলৰ ওচৰতে তেখেতে বহিছিল হেলনীয়া চকিত, মই বহিছিলো এটা মুঢ়াত। তেওঁ তামোল খালে, মোক যঁচা নাই—মোৰ খোৱাৰ অধিকাৰো নাই। সেই দিনত ৰূপৰ বটাৰ প্ৰচলন আছিল। ৰূপৰ বটাৰ পৰা নিজহাতে তামোল আনিবলৈ মই সঙ্কোচ কৰিছিলো। কথাৰ মাজে মাজে ভদ্ৰলোকজনে হাঁহিছিল,—ইঁহাৰ অধিকাৰ মই পোৱা নাছিলো,—মই তেতিয়া ল'ৰা। মই অৱশ্যে তেওঁৰ কথাত ভালেখিনি মুগ্ধ হৈছিলো। এনেতে এজনী ছোৱালী আহিল চাহ লৈ। ভদ্ৰলোকজনৰে ছোৱালী। তেতিয়া ছোৱালীজনৰ "বয়ঃ সন্ধি"—কবি বিদ্যাপতিৰ ভাষাত। মই চাওঁতেই ছোৱালীজনী থমকি ৰল। তেওঁও হঠাৎ মোক দেখি অলপ অসুবিধা পোৱা যেন দেখিলো। আমি ইয়াৰ আগেয়ে কাকো কেৱে দেখা নাছিলো। কেনেকৈ চালে জানো চকুজুৰিৰে, এটা কিবা চোৱাৰ বিশেষ ভঙ্গি। (এটা ক্ষণৰ কথাকে মই মোৰ বুজোৱা শক্তিৰ অভাৱত অলপ দীঘলকৈ কব লগীয়াত পৰিছো।) তাৰ পিছতে অৱশ্যে সাধাৰণ লাজকুৰীয়া অৱস্থাত দেখা গল। দেউতাকে দাবি মাৰি কলে—"ট্ৰেখনত এপিয়লা চাহ আনিছ কেলেই,—দেখা নাই মানুহ আছে?" ছোৱালীজনীয়ে বিমোৰত পৰি মাজতে মজিয়াতে চাহ থৈ যাব খুজিছিল, পিছত হে নিজক চম্ভালি কোনোমতে আমাৰ দুয়োৰে কাষৰ টেবিলখনত থলে।



দেউতাকে গহীনাই কলে—"যা, বেগাই আন গৈ। পিতলৰ গিলাছত আনিবি।" এই বেলি মোৰ অসহ্য হল। কিয় মই পিয়লাতো চাহ খাব নোৱাৰোঁ নে? চিনা মাটিৰ পিয়লা এটা মই চাহ খালে বেয়া হব? নে এওঁৰ অৱস্থা স্বচ্ছল, চহৰত পাকী ঘৰ আছে, বজাৰ বিষয় খায়—সেয়ে ৰূপৰ বটাত তামোল খাব পাৰে, বিদেশী পিয়লাত চাহ খাব পাৰে আৰু মই তপতে তপতে তিনিবাৰ হাঃ হুঃ কৰি এওঁৰ আগত পিতলৰ গিলাচত চাহ খাব লাগিব? আৰু নহলে, একে বেলিয়ে চেঁচা পানী যেন চাহ আনিব। দ্বিতীয় ট্ৰেত ভৰাই মোলৈ নিশ্চয় গিলাচটো নানে। মই কলো—"মই চাহ নাখাওঁ," "খোৱা, আনক ৰবা"—এই বুলি কৈ তেওঁ চাহত হোপা দিলে। মই গুচি আহিলো,—'এওঁৰ ঘৰলৈ আৰু কোনো দিন নাহোঁ'—মনতে ভাবিলো। কেতিয়াবা বাটত দেখিলে ভদ্ৰলোকজনে কয়—"তোমাকচোন দেখিবকে নাই।" মই কব পৰা হলে কলো হয়—"মোক জানো দেখাৰ কিবা আৱশ্যক আছে?" সেইটো ঘৰ কাৰ নিশ্চয় কব নোৱাৰা, অনুমানো কৰিব নোৱাৰা।

ভদ্ৰলোকজন আছিল অৰুণাৰ দেউতাক, ছোৱালীজনী আছিল অৰুণা। অৰুণাৰ পাণিপ্ৰাৰ্থী হৈ তেওঁৰ তালৈ যাবলৈ কৈছা, নহয় জানো? আৰু মই গলেই সিদিনৰ কথা নকলে মোৰ প্ৰাণটো বৰ অশান্তিত থাকিব। অৰুণাই মোক তেতিয়া চিনা নাছিল, এই ঘটনাৰ কথাটোও তেওঁক মই কোৱা নাই। অৰুণাক ভাল পাব পাৰোঁ, কিন্তু তেওঁৰ দেউতাকক মই ক্ষমা কৰিব পৰা নাই। অৰুণা ঘৈণী হৈ অহাৰ প্ৰথম দিনতে মোৰ এই বুৰঞ্জীখিনি নকৈ মই নোৱাৰিম আৰু



তেওঁক চিৰদিনলৈ অসুখীয়া কৰিম। অৰুণাৰ দেউতাকৰ জীয়েকৰ লগত মোৰো কোনো দিন বিয়া নহয়, তুমি নাভাবিবা। অৰুণাক এই কথাবাৰ যেন ঘূনাক্ষৰেও জানিবলৈ নিদিবা। মই মৰিলে তোমাৰ হাততে মৰিবলৈকে সন্তোষ পাম, সেই কাৰণে মোৰ সকলো অস্ত্ৰ তোমাক চিনাই দিছো।

যদি সম্ভৱ হয় ক্ষিতীনৰ লগত তোমাৰ বিয়া হলে মই সন্তোষ পাম। তুমি বিয়া নোসোমোৱাকৈ থাকিলে মই দুখ পাম। মই আৰু দুই এগৰাকী সম্ভ্ৰান্ত ছোৱালী দেখিছো যি সকলৰ বিয়া হলে এটা সুখী পৰিয়ালৰ মাক বা গৃহিণী হব পাৰিলেহেঁতেন, কিন্তু এই সামাজিক অনুষ্ঠানৰ অভাৱতে তেখেতসকলৰ মাতৃত্ব আৰু পত্নীত্ব বাহিৰৰ পৰা দেখিবলৈ তেনেই শ্ৰীহীন হৈ আহিছে, তাৰ ভবিষ্যত আশাও যেন লেৰেলি গৈছে। তোমালোকৰ নিৰ্জীৱ সমাজক আঘাত কৰিবৰ মন যায় সেই দেখি। ই পৌত্তলিকতা বুজে, প্ৰাণৰ স্পন্দন নুবুজে। ইতি

তোমাৰ—

প্ৰকাশ



( ৪৭ )

ছিলঙ

Nanda Mohan Talukdar
P. O. Sorbhog
Dated........ ........
Kamrup
Barnagar H. E. School

অলকা,

তুমি ঘৰ এৰি যাবলৈ ওলাইছা ?—ভাল কথা। মোক অগত্যা দাঁতেৰে কুটা ধৰোৱাই তোমাৰ অভিপ্ৰায় নেকি ? মোৰ অহঙ্কাৰ নাশ হলে তুমি সুখী হবা নে ? আজি এনে এটা সঙ্কট অৱস্থাত পৰিছো যে মোৰ কথাবোৰে যেন তাৰ প্ৰকৃত অৰ্থ তোমাক বুজাব নোৱাৰে। মই বিমানলৈকে লক্ষ্য নকৰোঁ। সি যেন সদায় তাতকৈ তোমাক তলত বিন্ধে। আজি ব্যৰ্থতাত মোৰ প্ৰাণ গুজৰি উঠিছে। সি যেন তাৰ নিজৰ শক্তি হৰুৱাই আত্মসন্মানত আঘাত পাইছে।

তুমি ঘৰ এৰি আনঠাইলৈ যাবা কিহৰ দুখত ? চাকৰি কৰা তোমাৰ পক্ষে নিতান্ত আৱশ্যক নে ? ইমানবোৰ সৰু সুৰা কথাত তুমি মোৰ মতামত সুধিছা, পৰামৰ্শ কৰিছা,—আজি তুমি এদিনতে ঘৰ এৰি যাবলৈ ওলাইছা, সিও চাকৰিৰ অন্বেষণত ? তিৰোতাই চাকৰি কৰা ভাল নে বেয়া এই বিষয়ে অৱশ্যে বহুত মতভেদ আছে। পছিমৰ তিৰোতাবোৰে চাকৰি কৰে, সঁচা কথা। আমাৰ ইয়াৰ অৱস্থা ঠিক



তেনেই নে ? যদি মাৰা আৰু দেউতাৰাই সেইটাকে ভাল বুলিছে, মই আপত্তি কৰাৰ নিশ্চয় একো কাৰণ নাই। তুমি আগৰ অলকা হৈয়ে থকা হলে বোধ হয় যুক্তি তৰ্ক কৰি তুমো এটা সিদ্ধান্তলৈ আহিবলৈ চেষ্টা কৰিলোহেঁতেন। আজি তোমাৰ মানত মই কপট, মিথ্যাচাৰী, বিশ্বাসৰ অনুপযোগী,—এনে স্থলত মোৰ মতৰ তোমাৰ ওপৰত একো প্ৰভাৱ নথকাই উচিত। মই দেখাত এতিয়া শিক্ষিতা তিৰোতাৰ বাবে একে বিধৰ মাত্ৰ চাকৰি আছে—ছাত্ৰী স্কুলৰ মাষ্টাৰি। তেওঁলোকে ভাল পাওঁক বেয়া পাওঁক, বহি থকাতকৈ তাকে কৰে। তাতকৈ নাছাৰী স্কুলত ছোৱালী শিক্ষকৰ বেছি আৱশ্যক বুলি মই ভাবোঁ। আমাৰ দেশত ডেকাবোৰৰে জীৱিকাৰ নিৰ্ব্বাহৰ পথ ঠেক, ছোৱালীৰ যে আৰু সঙ্কীৰ্ণ, সেইটো দেখা কথা। সেই কাৰণে তোমালোকক দোষ নিদিওঁ। কিন্তু এটা কথা,—তুমি সঁচাকৈ ধন ঘটিবলৈ চাকৰি কৰিবলৈ যাব খুজিছা নে জীৱিকাৰ তাড়ণাত যাব খুজিছা ? অন্ততঃ আৰু এবাৰলৈ মোক বিশ্বাস কৰাচোন। তুমি মোৰ ওপৰত বিৰক্ত হৈ কিজানি এই জল্পনাটো মনলৈ আনিছা। মোৰ এতিয়াও বিশ্বাস আছে যে মই যদি কওঁ, তুমি নাযাবা,—তুমি নোযোৱা। কিন্তু তেনেকৈ কোৱাটো মোৰ পক্ষে উচিত হব নে তাকে ভাবিছো ; অহঙ্কাৰৰ ফালৰ পৰা নহয়, হেতুৰ ফালৰ পৰা। আমাৰ ইয়াত মেডেম কুৰি বা ডাঃ মণ্টেছৰীৰ নিচিনা কেইজনা বিজ্ঞানবিদ্ বা শিক্ষা-নিপুণা মহিলা ওলাইছে ? তুমি স্কুলত সোমোৱাৰ অৰ্থ এটা প্ৰাণহীন বন্ধনত সোমোৱা হব যেন হে পাওঁ। ভাবি চাবা।



যদি মই তোমাক হতাশ কৰি এই ব্যৰ্থতাৰ বাটলৈ খেদিছো, মই এতিয়াও মোৰ মত পৰিবৰ্ত্তন কৰিবলৈ সাজু আছো। তুমি মোলৈ একো লিখিব নালাগে। তুমি যেনেকৈ আছা তেনেকৈয়ে থাকা, তাতে মই শান্তি পাম। যদি তুমি কিবা বিৰুদ্ধাচৰণ কৰা, জানিম তুমি মোক ক্ষমা নকৰিলা।

মোৰ আজি মনত পৰিছে তুমি এবাৰ সুধি পঠিয়াইছিলা জীৱনৰ কোনটো মুহূৰ্ত্তক মই সকলোতকৈ মূল্যৱান বুলি ভাবোঁ। ইয়াৰ উত্তৰ মই আগেয়ে দিয়া যেন মনত নপৰে। যদি আজিও তোমাৰ শুনিবলৈ আগ্ৰহ আছে কব পাৰোঁ। যিটো মুহূৰ্ত্তত মই জন্মিলো সেইটোকে মই হতাশ নোহোৱালৈকে জীৱনৰ অতি শুভ মুহূৰ্ত্ত বুলি ভাবি আছো,—দ্বিতীয় মুহূৰ্ত্ত,—তোমাৰ স্নেহৰ পৰশ যিদিনা পাইছিলো। এই কথাবাৰ কবলৈ মই অতিকৈ টান পাইছো,—কিন্তু তুমি যেন মোক ভুল নুবুজা সেয়ে কবলৈ বাধ্য হৈছো। ভীষ্মই বাছি থোৱা শৰ যিমানে দুৰ্য্যোধনক চিনাইছিল তিমানে দুৰ্ব্বল হৈ গৈছিল। তুমি অৱশ্যে মোৰ দুৰ্য্যোধন নোহোৱা, এয়ে সান্ত্বনা। ইতি

তোমাৰ—

**প্ৰকাশ**



( ৪৮ )

ছিলঙ

................

অলকা,

মোৰ ভাবেৰে তোমাক উৎপীড়ন কৰা দিন বোধ হয় ক্ৰমে টুটি আহিছে। জীৱনৰ যি সজীৱতা লৈ এদিন গৌৰৱ কৰিছিলো আজি যেন সেয়ে প্ৰৌঢ়তাৰ আলম বিচাৰিছে। প্ৰাণৰ যি স্পন্দনেৰে তোমাক নচুৱাম বুলি ভাবিছিলো—যি আকৰ্ষণেৰে তোমাক কাষলৈ আনিম বুলি ভাবিছিলো আজি তাৰ ঠাইত জ্ঞান আৰু অভিজ্ঞতাৰ কঙ্কালে যেন মোৰ অতীতক শিয়াৰি উঠিছে। এই ভূতবোৰ মই নিজে সঁজা নে? নে ফাউষ্ট বিনাশৰ মেফিষ্টোফিলিছ? অন্তৰত প্ৰীতিৰ সন্তাৰ বিচাৰি চাওঁ, মুখ-ঢকা দিবলৈ,—শূন্য। এই অন্তৰত এদিন প্ৰীতিৰ উহ ফুটিছিল, কোনে কব? কাৰবালা!—

"মানৱ দৃষ্টিৰ সীমা ৰূপে যত দুৰ
কেৱল বালিৰে ভৰা, প্ৰস্তৰ কঙ্কৰময়
মৰুভূমি থনি!"



ৰাতিপুৱা টোপনি যেতিয়া ভাগে,—আগৰ দৰে একেটা জাপতে বিছনাৰ পৰা মাটি নাপাওঁহি। গৈয়ে ঘটকৰে দুৱাৰ মেলি এসোপা চেঁচা বতাহ ঘৰৰ ভিতৰলৈ সুমাই দিবলৈ এতিয়া ভাল নালাগে। নিহালিবো যেন মোলৈ এটা আহ্বান আছে। স্বৰ্গৰ পৰা পৰি আঘাত পোৱা বিভুদ্রোহী ছয়তান যেন মই। মোৰ মনত মিলটন বৰ্ণিত সেই ক্ষোভ যেন এতিয়াও জগা নাই! অথবা মই নিৰ্জীৱ কাঠ এডোখৰ। খিৰিকিৰ কাষত ফুলি থকা ফুলৰ ঠাৰিয়ে খিৰিকিৰ কাচত খুন্দিয়ায়, মই চকু মেলি আকৌ মুদোঁ, পুৱাৰ ৰ'দে আহি খিৰিকিৰে ভুমুকি মাৰে,—কোন তুমি বুলি এবাৰ চাওঁ,—অলপ লাজ পাওঁ। চৰাইবোৰে মাতে, মই মুশুনিবলৈ চেষ্টা কৰোঁ। কাউৰীয়ে মাতে,—ইবেলি মই প্ৰাণত নতুন চেতনা পাওঁ। ইমান দিনে কাউৰীৰ মাতটোক কেল-কেলনি আখ্যা দিছিলো, কোনো দিন ভাল পাবলৈ চেষ্টা কৰা নাছিলো, সেইবাবে। আজিহে বুজিলো আনবোৰ চৰাইৰ যেনেকৈ কথা কোৱাৰ বা আনন্দ প্ৰকাশৰ অধিকাৰ আছে, কাউৰীৰো আছে, মই ইমানদিনে তাইক অবজ্ঞা কৰিছিলো। তোমালোকৰ গতানুগতিক বাটেৰে গৈ কুলিক পূজা কৰিছিলো, কেতেকীক শ্ৰদ্ধা কৰিছিলো, হেতুলুকাক আগ্ৰহ কৰিছিলো। "কাউৰী! মাত, আৰু মাত, আৰু মাত"—মোৰ যেন ক্ষুণ্ণ মনে কলে। "তোৰে মোৰে হে জগতত যোগ"—এই বুলি কৈ মই বিছনা এৰিলো। এটা অজান গুহা, এখন অপৰিচিত দেশ। ইয়ালৈও সূৰুযৰ প্ৰৱেশ পশে। মই ডাঁটে বৰ্ণিত নৰকত সোমোৱাহি নাই—এইখন অবহেলিত জগত।—ইয়াৰ প্ৰাণী-



বোৰবো প্ৰাণ আছে, ইহঁতৰো normal needs আছে। বেছি পোহৰ নপৰাত ইহঁতৰ বিষয়ে মানুহে বেছি নাজানে। ইহঁতেই মানুহক উদগাই দিয়ে উঠিবলৈ,—নিজে পৰি ৰয় তলত। ফুলগছ ডালৰ বুঢ়া পাতবোৰ যেনে।

তুমি যদি মোক শুইনতে কথা কোৱা যেন পাইছা দুটা এটা উদাহৰণ দিওঁ। মোৰ মনে কিন্তু আজি তোমালোকৰ লগত তোমালোকৰ চেওত কথা কব নোখোজে। আগৰ সম্বন্ধ সুঁৱৰি তথাপি চেষ্টা কৰোঁচোন। বাটলৈ চোৱাচোন—অথিৰ জনস্ৰোত। ঠেলাঠেলি, হেঁচাহেঁচি। কোনে কেনে মহান উদ্দেশ্যলৈ কোন দূৰ লক্ষ্যলৈ যোৱা বুলি ভাবা ? ধূলিৰ মানুহ, ধূলিতে আসক্তি। দিনটো জোৰা মাৰি চলাব পাৰিলেই হয়,—এই তেওঁলোকৰ সৰহ ভাগৰে ভাব। সেই জোৰাও মৰি নাহে,—কিমানবোৰ ফাঁট, কিমানবোৰ চেঁচনি! এই যে জোৰা মিলোৱাৰ চেষ্টা সেয়ে তেওঁলোকৰ মাহাত্ম্য, তেওঁলোকৰ জীৱনৰ সকলোখিনি। আকাশলৈ চাই তৰা গণিবৰ তেওঁলোকৰ আহৰি নাই, 'প্ৰিয়া কাষত বহাহি এবাৰ'—বুলিবৰ হয়তো ভাষাও শিকা নাই, 'খালিহি মোক'—এই তেওঁলোকৰ প্ৰীতিৰ বাণী। তেওঁলোকে কাউৰীৰ দৰে মাতে, কিন্তু প্ৰাণৰ কথাকে কয়।

ইমান দিনে যি চকুলো সম্বৰণ কৰিছিলো আজি নকৰোঁ। যদি মোৰ হিয়াই কান্দে কান্দ'ক, তাৰ অতীতটো এবাৰলৈ ধুৱাই পেলাওক। সি বিলাস ভ্ৰমণ এৰি ইবেলি মাটিত নামক। যদি মোৰ কল্পনাতো কৰবাত কিবা "বাবুগিৰি" আছে, আভিজাত্যৰ ডাক্তোপ আছে,



মৃতকৰ সাজপাৰৰ দৰেই তাৰ ওপৰত আজি মোৰ ঘৃণা আৰু অৱজ্ঞা আহিছে।

তুমি মোৰ চিঠিৰ উত্তৰ দিয়া নাই, বোধ হয় নিদিবাও। আৱশ্যক নাই, এনে কথা কব নোৱাৰোঁ। সময়ত কেতিয়াবা বিহো বাষ্প হৈ উৰি যায়,—তোমাৰ মোৰ পুনৰ লগালগি হোৱা কি আচৰিত? এই উপাদেয় অনিশ্চয়তাখিনিয়ে জুৰুলা অন্তৰৰ সম্বল। জীৱন ৰহস্যময়। যদি কোনোবাই কলে হয়—'সৌন্দৰ্য্যময়'! ইতি

তোমাৰ—

প্ৰকাশ



( ৪৯ )

ছিলঙ

.................

অলকা,

কোৱাচোন, আজি তোমালৈ কি লিখিম। মোৰ চিঠিবোৰ মই নিজে পৰিশ্ৰম কৰি লিখিব লগীয়া হয় এইটো মই একেবেলিয়ে ভাল নাপাওঁ। চিঠি লিখা কামটো কেনে হলে মই ভাল পাওঁ জানা—মই যেনিবা জৰি এডালৰ এটা মূৰ মোৰ বুকত, নহলে ধৰা মূৰত লগাই লওঁ,—সিটো মূৰ তুমি তুলি ললা,—তোমাৰ যতে ইচ্ছা তাতে লগাই লোৱা,—তোমাৰ কোমল স্পৰ্শখিনি মই তেতিয়াই ইয়াৰ পৰাই অনুভৱ কৰিলো আৰু মোৰ অন্তৰত বা মূৰত যি আছে তুমি তাৰ পৰাই পঢ়িলা আৰু তোমাৰ যি বক্তব্য আছে তুমি লোৱা জৰিডালৰ যোগেৰে মই বুজিলো। জৰিডাল থৈ দিয়া, এবাৰ হাঁহা,—অৱস্থাভেদে নহয় এটা হুমুনিয়াহ পেলোৱা। বিশ্বদৰবাৰত মোৰ এই প্ৰস্তাৱ।

আজি মেঘে চাৰি পিনে ৰৰকৈ গাজিছে,—কেউপিনে ধুঁৱলি-কুঁৱলী হৈ আহিছে—মেঘবোৰৰ কুলিৰ কণিটোৰ নিচিনা বৰণ। মাজে মাজে বিজুলিৰ ছাটি। হঠাৎ মোৰ মনটো বেজাৰেৰে উপচি পৰিল। জগতৰ বান্ধ ছিঙি যাবলৈ যেন মোৰ মন ব্যগ্ৰ। যাওঁ নৈগ ?—নাযাওঁ। মই গলে তোমাক জীৱনত কোনে কষ্ট দিব? তোমালৈ মোৰ সহানুভূতি



১০



হয়,—মই বিদায় লব খোজোঁ। বিদায়ৰ ইমান চেষ্টা, কিন্তু সকলোবোৰ ব্যৰ্থ চেষ্টা কিয়? সাগৰৰ নাৱিকে ঘৰমুৱা হয় পৃথিবীখন ঘূৰি, তথাপি ঘাটত নামিলে তাৰ বুকুখন কঁপে কিয়?—আতঙ্কত নে আগ্ৰহত? কাক গৈ তাৰ অভিজ্ঞতাবোৰ কব? কোনে তাৰ শুভতনিৰ আশাত অপলক দৃষ্টিত বাটলৈ চাই আছে? - সি চাগৈ কিমানবোৰ বস্তু দেখিলে, ভাল বেয়া কিমানবোৰ সমাজৰ মাজেৰে বাগৰি আহিল, তাৰ বন্ধুসকলৰ লগত সেইবোৰ অভিজ্ঞতাৰ কথা কৈয়ে কিমান হাঁহিলে নাচিলে,—তথাপি তাৰ শেষ ধ্বনিখিনি থবগৈ খোজে ক'ত? আন এখনি অন্তৰলৈ সি সকলোখিনি বৈ লৈ যাব খোজে কিয়? এবাৰ সি চাব খোজে নিজক আন এখনি দাপোনত পেলাই। দাপোনখন সি নিজে বাছি লোৱা,—তাক মচি লয় মৰমেৰে!

মই এইবোৰ মিঠা কথা কৈ কিজানি তোমাক মুগ্ধ কৰিবলৈ চেষ্টা কৰিছো, কিজানি তোমাক প্ৰলুব্ধ কৰিছো—যদি শেষত ময়ে তোমাক তিলে তিলে দহন কৰোঁ? মোৰ জাগ্ৰত অৱস্থাৰ নানা ভাব-ভঙ্গি, চিন্তা-চৈতন্যৰ লগতে তুমি পৰিচিত—কিন্তু মোৰ সুপ্ত আত্মাৰ ইঙ্গিতবোৰ নিচেই নাজানা। আজি তাৰে আভাস দিওঁ।

ৰাতি কিমান কব নোৱাৰোঁ। অনুমান কৰিলো যে মই যেন তেতিয়া মোৰ ৰোগীচোৱা কোঠালীত। আগতে দেখিলো—শ্ৰীমতী অৰুণা অকলে। মুখত মৌন প্ৰফুল্লতাৰ হাঁহিৰে তেওঁ মোৰ কাষ চাপি আহিল। ইমান দিনে যি সংযমৰ বান্ধ বাধি আছিলো আজি সি অকস্মাৎ সুলকি পৰিল। হিয়াৰ আবেগে দৈতে তেওঁৰ গালত স্নেহ-



সূচক চিন মুদ্ৰিত কৰি দিলো। তেওঁ যেন নতুন প্ৰাণ পালে আৰু সজীৱতাৰে স্ফুৰন্ত সঙ্কেত দিলে যে তেওঁৰ জীৱনৰ এই যেন প্ৰথম অভিষেক হল। তেওঁৰ তেতিয়াৰ ছবি মহিমা-মণ্ডিত। মই এবাৰ আত্মপ্ৰসাদত হাঁহিবলৈ চেষ্টা কৰিছিলো—কিন্তু এনেতে কোনে যেন মোক কলে যে ভিতৰলৈ মোক মাতিছে। অৰুণা শান্ত সুস্থিৰ হৈ ৰহিল,—মোৰ বুকু তেতিয়াও লৰি আছিল। মোৰ পলম তোমাৰ পক্ষে বোধ হয় সহ্য নহল, তুমি নিজে আগবাঢ়ি আহিলা। তোমাৰ ভৰিৰ শব্দ শুনি বাহিৰত থকা আন ৰোগীসকল আতৰি গল। অৰুণা যে কোন তৰকত কেনি গল, কবই নোৱাৰিলো। তেওঁ এবাৰ ঘূৰিও নাচালে, এষাৰ মাতো নলগালে। আনবোৰ ৰোগীৰ নিচিনাকৈয়ে গল। মোৰ অন্তৰে অসহ্য যন্ত্ৰণা পালে। ময়ো বাহিৰলৈ ওলাই আহিলো,—দুৱাৰদলি পাৰ হৈয়ে তোমাৰে সৈতে দেখাদেখি হলো। তোমাৰ কোলাত নিপোটল গালৰ শিশুপুত্ৰ এটি! তুমি মোলৈ চালা উদাৰ হাঁহিৰে,—কিন্তু অন্তৰত যেন পোৰণিৰ খীণ ৰেখা। মোৰ মন তেতিয়া স্তব্ধ স্থিৰ। মই কিন্তু ব্যথাহত। এনে অৱস্থাতে সাৰ পালো।

কোৱাচোন এইটোক অন্তৰঙ্গিতা বুলিবা, নে অভিনয় বুলিবা, নে এয়ে মোৰ অন্তৰৰ প্ৰকৃত পৰিচয় বুলিবা? মানুহৰ চেষ্টাৰ সাফল্য বোধ হয় ইমান খিনিলৈকে।

মোৰ মৌন শ্ৰদ্ধা। ইতি

তোমাৰ—

**প্ৰকাশ**

দেশ

## ত্ৰুটি স্বীকাৰ

কলিকতীয়া প্ৰেছত ছপোৱাত, আহি কাকত আদি চোৱা অসুবিধা হোৱাত কিতাপখনত কিছু ভুল ৰৈ গ'ল। কিছুমান ভুলে বহু ঠাইত দুৰ্ব্বোধ্য কৰিছে। সেইবাবে শুধৰণি-পত্ৰ দিয়া হ'ল। আমাৰ এই অনিচ্ছাকৃত দোষৰ বাবে পাঠক-পাঠিকাৰ ওচৰত ত্ৰুটি মাৰ্জ্জনা বিচাৰিছোঁ।

প্ৰকাশক

## শুধৰণি

| পৃষ্ঠা | শাৰী | ভুল | শুদ্ধ |
|---|---|---|---|
| ১৩ | ২য় | লনিকৈয়ে হৈ | হৈ লনিকৈয়ে |
| " | ১৫শ | যজ্ঞবল্ক্য | যাজ্ঞবল্ক্য |
| ১৭ | ১৭ " | ডাক্তাৰিবিদ্যা | ডাক্তৰি বিদ্যা |
| ১৮ | ১০ম | টানকৈ | টানকে |
| ২১ | ১২শ | এশ্ৰেণীৰ | একশ্ৰেণীৰ |
| ৩০ | ২য় | পৰা কমাল | পৰা-কমাল |
| " | ১৬শ | ধৰ আৰু ধৰ | ধৰ ঝাৰু ধৰ |
| ৩১ | ৪র্থ | কণ আশ্ৰমৰ | কণ্ব-আশ্ৰমৰ |
| ৪০ | ৩য় | আলি | আউলি |
| ৪৪ | ১০ম | মেডিছন | মেডিছিন |
| ৫৮ | ১৭ম | পঢ়া শুনাই | পঢ়া-শুনাই |
| " | ২০ম | নেকি। | নে কি ? |
| ৫৯ | ১২শ | উদাস্য | ঔদাস্য |
| ৬৫ | ৮ম | আয়ততে | আয়তনত |
| ৬৬ | ১৯শ | পাৰিলে | পৰিলে |
| ৬৭ | ৫ম | চাওঁ কয় | চাওঁ, কয় |
| " | ৯ম | দিঠি | চিঠি |

| পৃষ্ঠা | শাৰী | ভুল | শুদ্ধ |
|---|---|---|---|
| ৬৯ | ৩য় | যন্ত্ৰত | বাদ্য-যন্ত্ৰত |
| ৭০ | ৯ম | তোমাৰি দীনেৰি | তোমাৰ দানেৰই |
| ৭১ | ৪ম | বোধ | বোধ |
| ৭৪ | ১১শ | লগত | গাত |
| ৭৫ | ২য় | ভাবোঁ | ভাবোঁ, |
| ৭৬ | ১১শ | বুলি | বুলি, |
| ৭৯ | ১৯শ | মুখত…চুলিত | চুলিত…মুখত |
| ৮৪ | ১০ম | ছালিয়া | ডাল্-ইয়া |
| ৮৯ | ৩য় | log | Log |
| ৯৪ | ১৭শ | প্ৰিকছন | প্ৰি-কছন্ |
| ১০৭ | ২য় | বষ্ট | বষট্ |
| „ | ৪র্থ | কদাকাৰ…কৰিছা | কদাকাৰ,…কৰিছে |
| „ | ৭ম | এস্পাল্ট্ | এস্ফাল্ট্ |
| ১১২ | ২য় | শাপিছা | শাপিবা |
| ১১৫ | ১২শ | সাধাৰণ | অসাধাৰণ |
| ১১৮ | ৪র্থ | তাবৰ | তীৱৰ |
| ১২৩ | ৭ম | ধোৱাৰ | ধোঁৱাৰ |
| ১৩৫ | ১১শ | পছমৰ | পদুমৰ |
| ১৩৬ | ১৬শ | পূৱত | পূৱত |
| ১৪৫ | ৩য় | নিদিবা | নিদিয়া |
| ১৪৭ | ১ম | সেইটাকে | সেইটোকে |
| „ | ৯ম | নাছাৰী | নাছাঁৰী |
| ১৪৯ | ১১ | ব্যপে | ব্যপে |
| „ | ১৩ | মৰুভূমি খনি ? | মৰুভূমিখনি ! |